www.asombarta.in
অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক
জীৱনক সত্য সুন্দৰ আৰু মঙ্গলময় কৰাই মানৱ আত্মাৰ চৰম উদ্দেশ্য। – নীলমণি ফুকন
শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক
# অসম বাৰ্তা
PRGI REGD. NO. : ASASS/25/A2361
ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -
▫ষষ্ঠ বছৰ ▫সংখ্যা - ২৫৬ ▫দেওবাৰ ▫১৪ ডিচেম্বৰ, ২০২৫ চন ▫২৭ আঘোণ, ১৯৪৭ শক ▫VOL - 6 ▫NO.- 256 ▫Sunday ▫14th December, 2025 ▫মূল্য ঃ ১০.০০ টকা ▫মুঠ পৃষ্ঠা ঃ ৮

▪ এলিভেটেড ৰে'ল কৰিডৰ নিৰ্মাণৰ নামত শতাধিক গছ কটাৰ প্ৰস্তুতি ▪

# দীপৰ বিলৰ গছবোৰত ছীল মোহৰ বন বিভাগৰ

## সংকটৰ গৰাহত আন্তৰ্জাতিক ৰামচাৰ ছাইট হিচাপে পৰিগণিত বিলখন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ ডিচেম্বৰ ঃ** অসমৰ একমাত্ৰ ৰামচাৰ ছাইট আৰু বিশ্বৰ পক্ষী অভয়াৰণ্যৰ মানচিত্ৰত স্থান লাভ কৰা দীপৰ বিলৰ নান্দনিক সৌন্দৰ্যই বছৰৰ যিকোনো ঋতুতে প্ৰকৃতি প্ৰেমীসকলক আকৰ্ষণ কৰি আহিছে। মহানগৰীৰ কাষতে অৱস্থিত এই মনোৰম বিলখনত প্ৰতিদিনে বহু লোকে আহি সেউজীয়া প্ৰকৃতিৰ সৌন্দৰ্য উপভোগ কৰে। কিন্তু আজি এই ঐতিহ্যমণ্ডিত বিলখন গভীৰ সংকটৰ মুখত পৰিছে। দীপৰ বিলক সঠিকভাৱে সংৰক্ষণ নকৰাৰ ফলত শেহতীয়াকৈ ইয়াত পৰিভ্ৰমী চৰাইৰ সংখ্যা উল্লেখযোগ্যভাৱে ⏩ ৬ পৃষ্ঠাত



### কেগৰ কঠোৰ সতৰ্কবাণীক আওকাণ

## অসম চৰকাৰৰ ঋণ বৃদ্ধিৰ প্ৰক্ৰিয়া অব্যাহত

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** কম্পট্ৰ'লাৰ এণ্ড অডিটৰ জেনেৰেল (কেগ)ৰ শেহতীয়া প্ৰতিবেদনত ৰাজ্যৰ বিত্তীয় স্বাস্থ্যক লৈ গুৰুতৰ উদ্বেগ প্ৰকাশ কৰা সত্ত্বেও অসম চৰকাৰে ঋণ গ্ৰহণৰ পথত আগবাঢ়ি যোৱাৰ সিদ্ধান্তই ৰাজনৈতিক মহলত তীব্ৰ চৰ্চাৰ সৃষ্টি কৰিছে। কেগৰ প্ৰতিবেদনত স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে, ⏩ ৬ পৃষ্ঠাত

### ▫ মেছিৰ কলকাতা অনুষ্ঠানত চৰম বিশৃংখলা; অনুৰাগীৰ ক্ষোভত ভাঙি লণ্ডভণ্ড ষ্টেডিয়াম ▫

## ভিআইপি ট্ৰিটমেণ্টঃ লণ্ডভণ্ড কলকাতাৰ ছল্ট লেক ষ্টেডিয়াম

হাজাৰ হাজাৰ টকাত টিকট ক্ৰয় কৰি চাবলৈ নাপালে অনুৰাগীয়ে

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ ডিচেম্বৰ ঃ** ফুটবল কিংবদন্তি লিয়'নেল মেছিৰ ভাৰত ভ্ৰমণৰ প্ৰথমখন ঠাই কলিকতাত এক অভাৱনীয় বিশৃঙ্খলাৰ সৃষ্টি হৈছে। GOAT India ⏩ ৬ পৃষ্ঠাত



### তিনিচুকীয়াৰ গেলাপুখুৰী চাহ বাগিচাত শোকাকুল পৰিৱেশ

## স্বগৃহত অৰুণাচলত পথ দুৰ্ঘটনাত পতিত ৬ শ্ৰমিকৰ নশ্বৰ দেহ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৩ ডিচেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ অনজৰ জিলাত সংঘটিত ভয়াৱহ দুৰ্ঘটনাত নিহত হোৱা ছয়গৰাকী অসমীয়া শ্ৰমিকৰ মৃতদেহ শনিবাৰে গেলাপুখুৰী চাহ বাগিচালৈ অনাৰ লগে লগে সমগ্ৰ এলেকাত শোকৰ ছাঁ পৰে। শাৰী শাৰীকৈ ছয়খন এম্বুলেন্সত মৃতদেহ কেইটা আহি ⏩ ৬ পৃষ্ঠাত



## মেছিৰ কলকাতা অনুষ্ঠানৰ মূল আয়োজক শতদ্ৰু দত্তক গ্ৰেপ্তাৰ



**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ ডিচেম্বৰ ঃ** বিশ্ব ফুটবলৰ মহাতাৰকা লিঅ'নেল মেছিৰ ভাৰত ভ্ৰমণৰ প্ৰথম পৰ্বই কলকাতাত এক অপ্ৰত্যাশিত বিশৃংখলাৰ ⏩ ৬ পৃষ্ঠাত

## অসম চৰকাৰৰ বাল্য-বিবাহ বিৰোধী অভিযানক প্ৰশংসা ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ ডিচেম্বৰ ঃ** দেশত বাল্যবিবাহ এতিয়াও এক গুৰুতৰ সমস্যা হৈ থকাৰ পিছতো অসমত এই কুপ্ৰথাৰ বিৰুদ্ধে ⏩ ৬ পৃষ্ঠাত

### লেখাপানীৰ উদয়পুৰত স্বামীৰ দাৰ ঘাপত পত্নীৰ মৃত্যু জাগুন আৰক্ষী চকীত আত্মসমৰ্পণ হত্যাকাৰীৰ

**অসম বাৰ্তা বিশেষ, জাগুন, ১৩ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ লেখাপানী আৰক্ষী থানাৰ অন্তৰ্গত ৩ নং ⏩ ৫ পৃষ্ঠাত

### সংসদ আক্ৰমণৰ ২৪ বছৰীয়া স্মৃতিত দেশজুৰি শ্ৰদ্ধাঞ্জলি

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৩ ডিচেম্বৰ ঃ** ২০০১ চনৰ ১৩ ডিচেম্বৰ দিনটোতে নতুন দিল্লীৰ ভাৰতীয় সংসদ ভৱনত পাকিস্তানভিত্তিক ⏩ ৬ পৃষ্ঠাত

### নিহত শ্ৰমিকৰ সন্ধানত হায়ুলিয়াঙত অব্যাহত উদ্ধাৰ অভিযান

## ৯ শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ; আন তিনিটাৰ সন্ধান অব্যাহত

মন্ত্ৰী বিমল বৰাই তদাৰক কৰি আছে উদ্ধাৰ অভিযান



**নিউজ ডেস্ক, অসম বাৰ্তা, ১৩ ডিচেম্বৰ ঃ** অৰুণাচল প্ৰদেশৰ আঞ্জাও জিলাৰ হায়ুলিয়াং-চাগলাগাম পথত সংঘটিত ভয়ংকৰ ট্ৰাক দুৰ্ঘটনাৰ ঘটনাত শনিবাৰে অতিৰিক্ত ১১ ⏩ ৬ পৃষ্ঠাত

### ▫ ফৰেণছিকলৈ প্ৰেৰণ ম'বাইল আৰু লেপটপ দুটা ▫

## পাকিস্তানী এজেন্সিক ভাৰতীয় সেনাৰ গোপন তথ্য যোগান; গ্ৰেপ্তাৰ বায়ুসেনাৰ অৱসৰপ্ৰাপ্ত বিষয়া



ম'বাইল, লেপটপৰ জৰিয়তে পাকিস্তানক তথ্য যোগান দিছিল বিষয়াজনে

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ ডিচেম্বৰ ঃ** পাকিস্তানী গুপ্তচৰ সংস্থাৰ সৈতে যোগাযোগ ৰখাৰ গুৰুতৰ অভিযোগত শোণিতপুৰ জিলাৰ তেজপুৰত এজন অৱসৰপ্ৰাপ্ত ভাৰতীয় ⏩ ৬ পৃষ্ঠাত

## ২৪ ডিচেম্বৰৰ পৰা খানাপাৰাত অসম গ্ৰন্থমেলা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক তথা বিক্ৰেতা সংস্থাৰ যৌথ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া অসম ⏩ ৬ পৃষ্ঠাত

আপোনাৰ পুৰণি বেংক একাউণ্টৰ পাহৰি যোৱা ধন?



আৰবিআইয়ে আপোনাৰ বেংক একাউণ্টৰপৰা পুৰণি ধন উদ্ধাৰ কৰাত আপোনাক সহায় কৰিব।

আপোনাৰ বেংকত নিষ্ক্ৰিয় হৈ থকা একাউণ্টৰ (2 বছৰৰপৰা 10বছৰলৈকে নিষ্ক্ৰিয়) ধন / দাবী নকৰা জমাধন (10 বছৰৰ পিছত) আৰবিআইৰ ডিইএ পুঁজিলৈ স্থানান্তৰ কৰা হয়। আপুনি বা আপোনাৰ আইনী উত্তৰাধিকাৰীয়ে যিকোনো সময়তে এই ধনৰ দাবী কৰিব পাৰে।

আপোনাৰ ধন দাবী কৰিবলৈ 3 টা সহজ পদক্ষেপ

1. আপোনাৰ বেংকৰ যিকোনো শাখালৈ যাওক, যদিও সেয়া আপোনাৰ নিয়মীয়া শাখা নহয়
2. কে ৱাই চি তথ্যৰ সৈতে এখন প্ৰপত্ৰ জমা দিয়ক (আধাৰ, পাছপৰ্ট, ভোটাৰ আই ডি বা ড্ৰাইভিং লাইচেন্স)
3. সত্যাপনৰ পিছত, আপোনাৰ ধন সুতৰ সৈতে লাভ কৰক, যদি আছে

আপোনাৰ দাবী নকৰা জমা ধন বিচাৰিবলৈ

আপোনাৰ বেংকৰ ৱেবছাইটত সন্ধান কৰক বা বৰ্তমান 30টা বেংক সামৰি লোৱা আৰ বি আইৰ UDGAM পৰ্টেল (https://udgam.rbi.org.in) পৰীক্ষা কৰক ।

2025 চনৰ অক্টোবৰৰ পৰা ডিচেম্বৰলৈকে দেশৰ সকলো জিলাতে চলি থকা সম্পত্তিৰ বিশেষ শিবিৰসমূহ চাওক




অধিক বিৱৰণৰ বাবে, https://rbikehtahai.rbi.org.in চাওক
মতামতৰ বাবে, rbikehtahai@rbi.org.in লৈ লিখক
QR কোডটো স্কেন কৰক
অফিচিয়েল হোৱাটচএপ নম্বৰ 99990 41935

জনস্বাৰ্থত জাৰী কৰা হৈছে
भारतीय रिज़र्व बैंक
RESERVE BANK OF INDIA
www.rbi.org.in

### কংগ্ৰেছে অসমৰ অৱস্থা বেয়া কৰি থৈ গৈছিল ঃ পীযূষ হাজৰিকা

## ২৯ ডিচেম্বৰত বটদ্ৰৱাৰ প্ৰকল্পস্থলীলৈ আহিব গৃহমন্ত্ৰী শ্বাহ



বটদ্ৰৱাৰ প্ৰকল্পস্থলী পৰিদৰ্শন মন্ত্ৰী পীযুষ হাজৰিকা, কেশৱ মহন্তৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১৩ ডিচেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱা থানৰ ঐতিহ্যমণ্ডিত আকাশীগংগাৰ তীৰত নিৰ্মাণাধীন বটদ্ৰৱা প্ৰকল্পৰ কাম-কাজ পৰিদৰ্শন কৰিবলৈ আজি প্ৰকল্পস্থলীত উপস্থিত হয় মন্ত্ৰী পীযূষ ⏩ ৭ পৃষ্ঠাত

### মৰমৰ বাবে ভাৰতীয় অনুৰাগীক ধন্যবাদ জনালে ফুটবলৰ গৰাকীয়ে

## হায়দৰাবাদত ফুটবলৰ কিংবদন্তি লিঅ'নেল মেছি

**অনলাইন ডেস্ক, অসম বাৰ্তা, ১৩ ডিচেম্বৰ ঃ** বিশ্ব ফুটবলৰ মহাতাৰকা লিয়নেল মেছিৰ তিনিদিনীয়া ভাৰত ভ্ৰমণৰ অংশ হিচাপে 'GOAT Tour ২০২৫'ৰ দ্বিতীয় ⏩ ৬ পৃষ্ঠাত



### ▫ ১৯৯৭ৰ পৰা জুবিনৰ সৈতে বন্ধুত্ব আছিল মোৰ শেষবাৰৰ বাবে গুৱাহাটীতে লগ পাইছিলোঁ জুবিন গাৰ্গক ▫

## গুৱাহাটীত উপস্থিত বলিউডৰ জনপ্ৰিয় কণ্ঠশিল্পী চনু নিগম



অসমৰ কথাই বেলেগ, অসমত অনুষ্ঠান কৰা মানে জ্ঞানী মানুহৰ মাজত অনুষ্ঠান কৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** পপ ষ্টাৰ প'ষ্ট মেলনৰ গুৱাহাটী কনচাৰ্টৰ পিছত এইবাৰ বলীউডৰ জনপ্ৰিয় কণ্ঠশিল্পী চনু ⏩ ৭পৃষ্ঠাত

### ৰাজীৱ ভৱনত ৰিপুণ বৰাৰ সংবাদমেল; এখন নিয়মমাফিক চাৰ্জশ্বীট দাখিল কৰিছে

## জুবিন গাৰ্গৰ মৃত্যুৰ চাৰ্জশ্বীট 'সাপো মৰক লাঠিও নাভাঙক' সদৃশ চাৰ্জশ্বীট



"লোকচক্ষুত যাতে চৰকাৰ জৱাবদিহি নহয় তাৰবাবে এই চাৰ্জশ্বীট"

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ১৩ ডিচেম্বৰ ঃ** অসমৰ প্ৰিয় কণ্ঠশিল্পী স্বৰ্গীয় জুবিন গাৰ্গৰ ⏩ ৬ পৃষ্ঠাত

# ডিব্ৰুগড়ৰ বিশিষ্ট বুৰঞ্জীবিদ, অৱসৰী অধ্যক্ষ নগেন কুমাৰ বৰুৱাৰ দেহাৱসান

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ বিশিষ্ট শিক্ষাবিদ, বুৰঞ্জী গৱেষক, সমাজকৰ্মী, দুৱৰাচুক ৰূপনগৰ নিবাসী তথা ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যক্ষ চাওডাঙ্ নগেন কুমাৰ বৰুৱাৰ আজি ৯২ বছৰ বয়সত মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতে পত্নী, তিনিজন পুত্ৰ, এগৰাকী কন্যা আৰু নাতি-নাতিনীকে ধৰি বহু আত্মীয়ক ইহসংহাৰত এৰি যায়। ১৯৩৪ চনত শিৱসাগৰৰ মগনা গাঁৱত জন্ম লাভ কৰা নগেন বৰুৱাই চাউলকৰা প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলি কোঁৱৰপুৰ হাইস্কুলৰপৰা মেট্ৰিক আৰু শিৱসাগৰ কলেজৰপৰা সন্মানসহ বি এ ডিগ্ৰী লাভ কৰে। পিছলৈ তেখেতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰপৰা এম. এ. আৰু বি. টি. ডিগ্ৰী লাভ কৰে। শিক্ষকতাকে জীৱনৰ ব্ৰত হিচাপে লোৱা নগেন কুমাৰ বৰুৱাই ১৯৬২ চনত ডিব্ৰুগড় জিলাৰ লেজাই হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰে। তেখেতে একাধিক বিদ্যালয়ত শিক্ষক তথা প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হিচাপে সেৱা আগবঢ়ায়। ১৯৭৭ চনত কাৰ্বি আংলঙলৈ গৈ বৰুৱাই হাওৰাঘাট উচ্চ মাধ্যমিক বিদ্যালয়ত প্ৰধান শিক্ষক হিচাপে যোগদান কৰে। পাছত কাৰ্বি আংলং জিলা পৰিষদে ডকমকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে তেখেতক বদলি কৰে। ১৯৮৫ চনত অসম চৰকাৰে তেখেতক ডিব্ৰুগড় জিলাৰ লেঙেৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে বদলি কৰে। তেখেতৰ একক প্ৰচেষ্টাতে ১৯৮৫ চনত লেঙেৰী উচ্চ মাধ্যমিক বিদ্যলয় উচ্চতৰ মাধ্যমিকলৈ উন্নীত হয় আৰু ১৯৮৬ চনত লেঙেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেন্দ্ৰ প্ৰতিষ্ঠা হয়। ইয়াৰ পাছত পুনৰ তেখেতক শিৱসাগৰ জিলা (বৰ্তমান চৰাইদেউ জিলা)ৰ সাপেখাটী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পদলৈ বদলি কৰে। ১৯৯০ চনত বৰুৱাক ডিব্ৰুগড়ৰ ঐতিহ্যমণ্ডিত বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে বদলি কৰে আৰু এই বিদ্যালয়ৰপৰাই অধ্যক্ষ হিচাপে ১৯৯৯ চনত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। আজীৱন প্ৰধান শিক্ষক তথা অধ্যক্ষৰূপে কৰ্মজীৱন অতিবাহিত কৰা শিক্ষাবিদ গৰাকীৰ বিয়োগত ডিব্ৰুগড় তথা অসমৰ শৈক্ষিক সমাজত শোকত আজি ম্ৰিয়মাণ হৈ পৰে। তেখেতৰ পাৰ্থিৱ শৰীৰ ৰাজহুৱাভাৱে স্থানীয় ৰূপনগৰ ৰাজহুৱা নামঘৰ, দুৱৰাচুক ৰূপনগৰ চেতিয়াচুক প্ৰগতি সংঘৰ প্ৰাঙ্গণত আৰু তেখেতৰ অন্তিম কৰ্মস্থলী বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যক্ষা, শিক্ষক-শিক্ষয়িত্ৰী সহিতে উপস্থিত ছাত্ৰ-ছাত্ৰী সকলে শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ অন্তত চিৰিং চাপৰি ৰাজহুৱা শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। কলেজীয়া জীৱনতে কবিতা চৰ্চাৰে সাহিত্য জগতত প্ৰৱেশ কৰা নগেন কুমাৰ বৰুৱাই পৰৱৰ্তী সময়ত ইতিহাসৰ গৱেষণাত আত্মনিয়োগ কৰে আৰু এজন ইতিহাসবিদ হিচাপে খ্যাতি লাভ কৰে। বৰুৱাই অসম বুৰঞ্জীৰ বহু অনুদিত বা অন্য বুৰঞ্জীবিদে প্ৰকাশ কৰিবলৈ কুণ্ঠাবোধ কৰা তথ্যৰে তেখেতৰ লেখাক এক বিশেষ মাত্ৰা দিবলৈ সক্ষম হৈছে। বিভিন্ন কাকত- আলোচনীত বুৰঞ্জী বিষয়ক প্ৰবন্ধ পাতি লিখা নগেন কুমাৰ বৰুৱাৰ প্ৰকাশিত গ্ৰন্থ হ'ল- 'জাতীয় বীৰ লাচিত বৰফুকন', চাৰিশতাধিক পৃষ্ঠাৰ 'ছাওলুং চুকাফা ঃ জীৱন, কৰ্ম, কীৰ্তি আৰু পৰম্পৰা', 'লুইতৰ পাৰৰ বুৰঞ্জীকোষ' শীৰ্ষক প্ৰায় ১৪০০ পৃষ্ঠাৰ বৃহৎ কলেৱৰৰ ইতিহাসৰ গৱেষণামূলক গ্ৰন্থ ইত্যাদি। তেখেতৰ কেইবাখনো গ্ৰন্থৰ পাণ্ডুলিপি ছপাশালত প্ৰকাশৰ পথত আছে। নগেন কুমাৰ বৰুৱাৰ ভাষা সহজ-সৰল আৰু উপস্থাপন ৰীতি বস্তুনিষ্ঠ আৰু বিশ্লেষণাত্মক। বিশিষ্ট বুৰঞ্জীবিদ গৰাকীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে আজি পুৱাই তেখেতৰ বাসগৃহত শেষ শ্ৰদ্ধা জনাবৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু অনুৰাগীৰ ভীৰ পৰিলক্ষিত হয়। অঞ্চলটোত শোকৰ ছাঁ পৰে আৰু বিভিন্ন ব্যক্তি, অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# ৰাজহুৱা শুনানি অনুষ্ঠিত নকৰাক লৈ তীব্ৰ অসন্তুষ্টি প্ৰকাশ কলিয়াবৰবাসীৰ

**অসম বাৰ্তা, কলিয়াবৰ, ১৩ ডিচেম্বৰ ঃ** কলিয়াবৰ তিনিআলিৰ পৰা নুমলীগড়ৰলৈ নিৰ্মাণ হ'ব লগা ফ'ৰলাইন পথটি নিৰ্মাণৰ ক্ষেত্ৰত কলিয়াবৰ ৰাজহ চক্ৰ বিষয়াৰ আহ্বান মৰ্মে আজি দিনৰ ২ বজাত কলিয়াবৰ সমজিলা আয়ুক্তৰ কাৰ্যালয়ত নগাঁও জিলা প্ৰশাসনে এখনি ৰাজহুৱা শুনানিৰ আহ্বান কৰিছিল যদিও কোনো বিশেষ কাৰণ নোহোৱাকৈ আজি শুনানিৰ সভাখন বাতিল কৰাক লৈ কলিয়াবৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কলিয়াবৰ তিনিআলিৰ পৰা নুমলীগড়ৰলৈ নিৰ্মাণ হ'ব লগা ফ'ৰলাইন পথটি কুঁৱৰীটোল, হাটবৰ, জখলাবন্ধাৰ মাজেৰে নিৰ্মাণ নকৰি একাংশ প্ৰভাৱশালী ব্যক্তিৰ মাটিৰ কাষেদি ফ'ৰলাইন পথটি বাইপাছ কৰি নিয়াৰ যি গভীৰ ষড়যন্ত্ৰ ৰচনা কৰিছে এইলৈ কলিয়াবৰবাসী ৰাইজে তীব্ৰ বিৰোধিতা কৰি আহিছে। বিশেষকৈ উচ্চ ন্যায়ালয়ে কলিয়াবৰৰ ৰাইজৰ পক্ষত ৰায় প্ৰদান কৰি পথ নিৰ্মাণৰ স্থগিতাদেশ জাৰি কৰিছিল যদিও চৰকাৰ তথা সংশ্লিষ্ট বিভাগে উচ্চ ন্যায়ালয়ৰ ৰায়ক আংগুষ্ঠ প্ৰদৰ্শন কৰি পুনৰ জৰীপৰ লগতে নিৰ্মাণৰ কাম হাতত লোৱা পৰিলক্ষিত হৈছে। এনে ক্ষেত্ৰত কলিয়াবৰবাসী ৰাইজে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰে। ইতিমধ্যে ফ'ৰলাইন নিৰ্মাণ দাবী সমিতিয়ে কলিয়াবৰ তিনিআলিৰ পৰা চাৰিলেন যুক্ত পথটি বাইপাছ কৰি নিৰ্মাণ কাৰ্য্যৰ কাম হাতত লোৱাৰ আপত্তি দৰ্শাই যোৱা ২৭ নৱেম্বৰ তাৰিখে নগাঁও জিলাৰ অতিৰিক্ত আয়ুক্ত শৌভিক ভূঞাক এখন ৰাজহুৱা আবেদন দাখিল কৰে। পৰৱৰ্তী পৰ্যায়ত যোৱা ৬ ডিচেম্বৰ তাৰিখে জিলা আয়ুক্তৰ কাৰ্যালয়লৈ ফ'ৰলাইন নিৰ্মাণ দাবী সমিতিক আমন্ত্ৰণ জনায় যদিও ৰাজহুৱা শুনানি কলিয়াবৰত দিব লাগে বুলি দাবী সমিতিয়ে এখন স্মাৰক পত্ৰ প্ৰদান কৰে জিলা উপায়ুক্ত গৰাকীক। এনে পৰিপ্ৰেক্ষিততেই আজি দিনৰ ২ বজাত কলিয়াবৰ সমজিলা আয়ুক্তৰ কাৰ্যালয়ত এখনি ৰাজহুৱা শুনানি আহ্বান কৰিছিল যদিও কলিয়াবৰৰ চক্ৰ বিষয়া ৰাজনিচান শৰ্মাই সভাখন বাতিল হোৱা বুলি তেলিফুন যোগে ফ'ৰ লেন দাবী সমিতিক জানিব দিয়ে। এইলৈ কলিয়াবৰবাসী ৰাইজে তীব্ৰ ক্ষোভ আৰু অসন্তুষ্টি প্ৰকাশ কৰাৰ লগতে ফ'ৰলাইন নিৰ্মাণ দাবী সমিতিৰ সম্পাদক প্ৰদীপ লস্কৰে ই এক উদ্দেশ্য প্ৰণোদিত বুলি অভিহিত কৰে। কোনো ধৰণৰ বিশেষ কাৰণ নোহোৱাকৈ সভাখন বাতিল কৰাত গভীৰ ৰহস্য থকা বুলি ক্ষোভ প্ৰকাশ কৰিছে সম্পাদক গৰাকীয়ে।

# সমাজসেৱক ৰঞ্জিত বৰাৰ উদ্যোগত বঢ়মপুৰত সাহায্য প্ৰদান কাৰ্যসূচী



**অসম বাৰ্তা, নগাঁও, ১৩ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বঢ়মপুৰৰ সমাজসেৱক ৰঞ্জিত বৰাৰ উদ্যোগত আজি চলচলি ৰঙিয়া গাঁৱৰ বৰ নামঘৰৰ মণিকূট নিৰ্মাণৰ বাবে প্ৰয়োজনীয় ইটা প্ৰদান, বামুণগাঁৱৰ নামঘৰৰ মণিকূটৰ বাবে টিনপাত প্ৰদান, পাঞ্চজন্য আঞ্চলিক নামঘৰৰ মজিয়া পকীকৰণ, ৰামটিলা আটিৰ বৰ-মজিদ নিৰ্মাণৰ বাবে চিমেণ্টৰ বেগ, হালোৱাগাঁৱৰ বৰ-মজিদৰ বাবে চিমেণ্ট প্ৰদান কাৰ্যসূচী সম্পন্ন কৰা হয়। উন্নয়নমুখী চিন্তাধাৰাৰ ব্যক্তি ৰঞ্জিত বৰাৰ দ্বাৰা পূৰ্বতেও হালোৱাগাঁও পোটনী মজিদৰ পকীবেৰা কামত অৰ্থসাহায্য, বামুণী মুছলিম গাঁৱৰ ইদ-গাহ ফিল্ডৰ গেটত ৰদ প্ৰদান, ৰঙাগৰা গীৰ্জালৈ যোৱা পথ নবীকৰণ আদি কৰি উন্নয়নৰ দিশত সমতা আৰু সম্প্ৰীতি দৃঢ় কৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। আজি এই সামাজিক অনুষ্ঠান সমূহত সাহায্য প্ৰদান কৰি তেওঁ "সমাজৰ বিভিন্ন ধৰ্মীয়, সামাজিক, ক্ৰীড়া আৰু সাংস্কৃতিক ক্ষেত্ৰত ৰাইজৰ সহযোগত উল্লেখযোগ্য উন্নয়নমূলক পদক্ষেপ গ্ৰহণ কৰি আহিছো। গ্ৰামাঞ্চলৰ সাধাৰণ লোকে দৈনন্দিন জীৱনযাত্ৰাত ভোগ কৰা সমস্যা, ধৰ্মীয় বা সংস্কাৰৰ প্ৰয়োজনীয়তা, যুৱ সমাজৰ ক্ৰীড়া সামগ্ৰীৰ অভাৱ আদি বিষয় উপলব্ধি কৰি একাধিক ক্ষেত্ৰত সহায়-সহযোগ আগবঢ়াই আহিছো।" বুলি মত প্ৰকাশ কৰে। উল্লেখ্য যে, ৰঞ্জিত বৰাই যুৱ সমাজৰ উন্নয়নক প্ৰাধান্য দি বহুতো কাম কৰি আহিছে। উদাহৰণস্বৰূপে হালোৱাগাঁও পোটনী যুমুৰমুৰৰ যুৱকক ভলীবল প্ৰদান, যুমুৰমুৰত দৰিদ্ৰ পৰিয়ালসমূহক টিনপাত বিতৰণ অন্যতম উল্লেখযোগ্য নিদৰ্শন। ধাৰ্মিক-সাংস্কৃতিক ক্ষেত্ৰৰ বিকাশৰ অংশ হিচাপে মৌৰাচুক নামঘৰত টাইলছ লগাই দিয়া আৰু বামুণী গাঁৱৰ যুৱগোটৰ পুখুৰী পাৰত দমকলৰ ব্যৱস্থা কৰাটোও উল্লেখযোগ্য। সংস্কৃতি আৰু সাহিত্যকো সমান পৰিমাণে গুৰুত্ব দিয়াকৈ কামপুৰৰ কবি-সাহিত্যিকৰ নগাঁও জিলাৰ বাৰ্ষিক অধিৱেশন আৰু নগাঁও জিলাৰ তিৰা ছাত্ৰ সন্থাৰ অধিৱেশনত আৰ্থিক সহযোগ আগবঢ়াই সাহিত্য -সাংস্কৃতিক সমৃদ্ধিত অৱদান আগবঢ়াইছে। আজি সাহায্য প্ৰদান অনুষ্ঠানত উপস্থিত লোকে ৰঞ্জিত বৰাৰ এই সকলো উদ্যোগে সমাজৰ সকলো স্তৰৰ লোকক লৈ আগবঢ়াৰ আন্তৰিকতা আৰু বিকাশৰ চেতনাক প্ৰতিবিম্বিত কৰিব বুলি মত প্ৰকাশ কৰে।

# অসম সন্তান উদ্দীপ্ত ডেকাৰ বিশেষ কৃতিত্ব

**অসম বাৰ্তা, আমগুৰি, ১৩ ডিচেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ আজাদ ৰোড নিবাসী উদ্দীপ্ত ডেকাই "মাইক্ৰ'লৈন্সিং অফ গ্ৰেভিটেশ্যনেল ৱেভ এজ এ নিউ টুল ফৰ এষ্ট্ৰ'ফিজি" বিষয়ত সফলতাৰে গৱেষণা সমাপ্ত কৰি ইণ্টাৰনেছনেল চেণ্টাৰ ফৰ থিঅ'ৰিটিকেল চাইন্সেছ, টাটা ইন্সটিটিউট অফ ফাণ্ডামেণ্টেল ৰিচাৰ্ছ, বেঙ্গালুৰুৰ পৰা প্ৰফেছাৰ পৰমেশ্বৰম অজিতৰ তত্ত্বাৱধানত পি এইছ ডি ডিগ্ৰী লাভ কৰিছে। উল্লেখযোগ্য যে প্ৰয়াত শিক্ষক তথা সাংস্কৃতিক সংগঠক তপন ডেকা আৰু সুলেখিকা, আবৃত্তিকাৰ জোনালী শইকীয়া ডেকাৰ একমাত্ৰ সন্তান উদ্দীপ্ত ডেকাই ডুমডুমাৰ ল'টাচ একাডেমীৰ পৰা স্কুলীয়া শিক্ষা লাভ কৰি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰ একাডেমীৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈ দিল্লীৰ ৰামজছ মহাবিদ্যালয় পৰা স্নাতক আৰু দিল্লী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি গৱেষণাত ব্ৰতী হয়। উল্লেখযোগ্য উদ্দীপ্তই সপ্তম শ্ৰেণীত অধ্যয়নৰত অৱস্থাতে ইউনাইটেড স্কুল অৰ্গেনাইজেচন অফ ইণ্ডিয়াৰ এক সৰ্বভাৰতীয় বৃত্তিত ষষ্ঠ স্থান পাবলৈ সক্ষম হৈছিল। শিক্ষাৰ লগতে তেওঁ এজন প্ৰতিষ্ঠিত বাদ্যযন্ত্ৰী। উদীপ্তই ২০২৬ বৰ্ষত এক বিশেষ বৃত্তি লৈ উচ্চমানৰ গৱেষণাৰ বাবে চীন দেশলৈ ৰাওনা হ'ব। উদ্দীপ্তৰ সফলতাত ডুমডুমাবাসী ৰাইজে আনন্দ প্ৰকাশ কৰিছে।

# দুৰ্যোগ ব্যৱস্থাপনাৰ বিভাগৰ বানপানীৰ সময়ত ল'ব লগা সজাগতাৰ ওপৰত প্ৰশিক্ষণ কাৰ্যসূচী

**অসম বাৰ্তা, কামপুৰ, ১৩ ডিচেম্বৰ ঃ** কামপুৰ আহোম গাঁৱত হঠাৎ লাগিল হোৱা দোৱা। হঠাৎ গাঁৱখনত উপস্থিত হ'ল কামপুৰ প্ৰশাসন, অগ্নি নিৰ্বাপক বাহিনী আৰু স্বাস্থ্য বিভাগৰ লোক। গাঁৱখনত কেৱলমাত্ৰ দৌৱা দৌৰি, চিঞৰ বাখৰ আৰু কান্দোনৰ দৃশ্য। কোনোৱে যদি কান্দোনত ঢলি পৰিছে, কোনোৱে গৰ্ভৱতী মহিলাক উদ্ধাৰ কৰাত ব্যস্ত, কোনোৱে আপোন ঘৰখন হেৰুৱাৰ বেদনাত শোকত ভাঙি পৰিছে, কোনোৱে আকৌ নিজৰ প্ৰাণ বচাবলৈ হাবাথুৰি খাইছে। এই যে গাঁৱখনত হোৱা দোৱা লগাৰ দৃশ্য দেখিবলৈ পাইছে এয়া মাথোঁ এক সজাগতা মুলক অনুশীলন হে। এই দৃশ্য হৈছে বানপানীৰ সময়ত এনেধৰণৰ সমস্যাৰ সন্মুখীন হ'লে তাৰ পৰা কেনেকৈনো উদ্ধাৰ কৰিব পৰা যায় তাৰ ওপৰতে এই সজাগতা দেখোৱা হৈছে। উল্লেখ্য যে নগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু কামপুৰ ৰাজহ চক্ৰৰ উদ্যোগত আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত তিনিদিনীয়া কৈ আয়োজন কৰা এই সযাগতা মূলক কাৰ্যসূচীৰ দহ ডিচেম্বৰত সমাপ্ত হয়। আঠ ডিচেম্বৰত কাৰ্যসূচীৰ শুভাৰম্ভ কৰে কামপুৰ ৰাজহ চক্ৰৰ, চক্ৰ বিষয়া অন্যনা লহকৰে। অনুষ্ঠানটোত উপস্থিত থাকে নগাঁও জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, জিলা প্ৰকল্প বিষয়া বিজয়ন্ত গোস্বামী, কামপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ অসীম বৰা। তিনিদিনীয়া অনুষ্ঠিত কাৰ্যসূচীৰ আঠ ডিচেম্বৰত প্ৰশিক্ষণ, ন ডিচেম্বৰত টেবুল টক এক্সাচাইজ আৰু শেষৰ দিনা দহ ডিচেম্বৰত মকডিল অনুষ্ঠিত হয়। মকডিলত বানপানীৰ ভয়বহতা আৰু ইয়াৰ পৰা লব লগা সাৱধনতা আৰু সজাগতাৰ ওপৰত নাটকীয় ভাৱে প্ৰদৰ্শন কৰে। কামপুৰ আৰ-চি-ইএমইএ' ২০২৫ কাৰ্যসূচীখন সফলতাৰে পৰিচালনা কৰিছিল কামপুৰ ৰাজহ চক্ৰৰ দুৰ্যোগ ব্যৱস্থাপনা ক্ষেত্ৰ বিষয়া যোগেশ চন্দ্ৰ গৌৰ, ৰূপহীৰ ৰাজহ চক্ৰৰ ক্ষেত্ৰ বিষয়া হিমান জ্যোতি শৰ্মা, চামগুৰীৰ ৰাজহ চক্ৰৰ ক্ষেত্ৰ বিষয়া বিকাশ শইকীয়া, ৰহা ৰহা ৰাজহ চক্ৰৰ ক্ষেত্ৰ বিষয়া পৰিশ্মিতা শইকীয়া, সদৰ ৰাজহ চক্ৰৰ ক্ষেত্ৰ বিষয়া টিটু দাস, ৰিলায়েন্স ফাউণ্ডেচনৰ পাৰ্থ প্ৰতিম গগৈ, আৰু ডি ই ও চি, নগাঁৱৰ তথ্য সহায়কৰ দ্বাৰা।

**লিডু টিৰাপ নদীৰ ওপৰত নিৰ্মাণ হ'ব পকী দলং**

# দীৰ্ঘদিনীয়া জ্বলন্ত সমস্যাৰ পৰা পৰিত্ৰাণ পালে লিডু কুহিয়াৰবাৰীসহ কেইবাখনো গাঁৱৰ ৰাইজে



**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ১৩ ডিচেম্বৰ ঃ** এখন উপযুক্ত পকী দলংৰ অভাৱে জিয়াতু ভোগাই আহিছিল লিডুৰ কেইবাখনো গ্ৰামাঞ্চলৰ ৰাইজক। চৰকাৰক বাৰম্বাৰ অনুনয় বিনয় কৰি ভাগৰি পৰা ৰাইজে দলং অবিহনে টুলুঙা নাৱত উঠি অতি বিপদসংকুল জল পথেৰে যাতায়ত কৰি আহিছিল। বিশেষকৈ টিৰাপ নদীৰ ওপৰেৰে দলং নোহোৱাত বৃহত্তৰ টিৰাপ মৌজাৰ প্ৰায় কুৰিখন গাৱৰ ৰাইজে জীৱনকো তুচ্ছ কৰি ভৰ বাৰিষা কেৱল ভাগ্যক ধিয়াই যাতায়ত কৰিব লগীয়া হৈছিল। এই গাঁও সমূহৰ অন্যতম বিছাগাও, কুহিয়াৰবাৰী, টকলং, তিনিসুঁতি, অমৃত গাঁও, মধুপুৰ, মাইচাংপানী আদিয়ে প্ৰধান। অৱশেষত ৰাইজৰ বহু জল্পনা কল্পনাৰ যেন অন্ত পৰিল। আজি মাৰ্ঘেৰিটা বিধায়ক ভাস্কৰ শৰ্মাই লিডু বৰুৱাঘাটত টিৰাপ নদীৰ ওপৰেৰে এখন পকী দলং নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। বহুকেইখন গাৱৰ ৰাইজৰ উপস্থিতিত আজি আনুষ্ঠানিক ভাৱে বিধায়ক ভাস্কৰ শৰ্মাই দলংখনৰ আধাৰশিলা শুভউদ্বোধন কৰে। প্ৰায় ৮ কোটি টকাৰ ব্যয় সাপেক্ষে এই দলং নিৰ্মাণ কৰা হ'ব বুলি বিধায়ক গৰাকীয়ে জানিবলৈ দিয়ে। মন কৰিবলগীয়া যে প্ৰাক স্বাধীনতা কালতে গঢ় লৈ উঠা এই গাঁও কেইখনৰ ৰাইজে স্বাধীনতাৰ ৭৮ বছৰে কেৱল এখন পকী দলঙৰ বাবে অপেক্ষা কৰিবলগীয়া হয়। আজি দীৰ্ঘ দিনীয়া সপোন সাৰ্থক হোৱাৰ দিশে গতি কৰাত স্থানীয় ৰাইজে স্থানীয় বিধায়ক ভাস্কৰ শৰ্মৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক প্ৰশংসা কৰি ধন্যবাদ জ্ঞাপন কৰে।

# কামৰূপত লিংগভিত্তিক হিংসা নিৰ্মূল, বাল্য বিবাহমুক্ত ভাৰত আৰু চাইবৰ সুৰক্ষা সন্দৰ্ভত বৈঠক

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ১৩ ডিচেম্বৰ ঃ** কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত বৃহস্পতিবাৰে বাল্য বিবাহ, লিংগভিত্তিক হিংসা নিৰ্মূল, চাইবাৰ অপৰাধ বিশেষকৈ মহিলা আৰু শিশু সন্দৰ্ভত এক গুৰুত্বপূৰ্ণ বৈঠক তথা কৰ্মশালা অনুষ্ঠিত হয়। উক্ত বৈঠকত সভাপতিত্ব কৰে কামৰূপৰ অতিৰিক্ত জিলা আয়ুক্ত আদিত্য গগৈয়ে। বৈঠকত লিংগভিত্তিক হিংসা নিৰ্মূলৰ বাবে ১৬ দিনীয়া সজাগতা কাৰ্যসূচী আৰু "Child Marriage Free Bharat" ৰাষ্ট্ৰীয় অভিযানৰ অংশ হিচাপে কামৰূপ জিলাত বাল্য বিবাহ মুক্ত ভাৰত গঠন কাৰ্যসূচীৰ জিলা পৰ্যায়ৰ উদ্বোধনী অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এই দুয়োটা কাৰ্যসূচী জিলা সমাজ কল্যাণ বিভাগ, কামৰূপ জিলা মহিলা সবলীকৰণ কেন্দ্ৰ আৰু কামৰূপ জিলা প্ৰশাসনে যুটীয়াভাৱে এই কাৰ্যসূচীৰ আয়োজন কৰিছে। উল্লেখ্য যে বাল্য বিবাহ মুক্ত ভাৰত অভিযান (Child Marriage Free Bharat) হৈছে এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ অভিযান। এই অভিযানৰ লক্ষ্য হৈছে সমাজৰ সকলো স্তৰত বাল্য বিবাহৰ বিৰুদ্ধে এক সজাগ, দায়িত্বশীল আৰু আইনসন্মত জনসচেতনতা গঢ়ি তোলা। অধিবক্তা ড° শৰ্মিষ্ঠা বৰুৱাই উক্ত অনুষ্ঠানত বিশেষভাৱে মহিলা আৰু শিশুৰ বিৰুদ্ধে হোৱা চাইবৰ অপৰাধ আৰু চাইবৰ সুৰক্ষাৰ ওপৰত ব্যাখ্যা আগবঢ়াই। তেওঁ লগতে চাইবাৰ অপৰাধৰ ধৰণ, নিৰাপত্তা ব্যৱস্থা, অনলাইন জালিয়াতি আৰু সামাজিক মাধ্যম ব্যৱহাৰৰ সময়ত জৰুৰী সাৱধানতা সম্পৰ্কে উপস্থিত সকলোকে বিৱৰণমূলক ভাৱে অৱগত কৰে। ইয়াৰ উপৰিও লিংগভিত্তিক হিংসা আৰু বিশেষকৈ ডিজিটেল হিংসাৰ বিৰুদ্ধে সচেতনতা বৃদ্ধিৰ উদ্দেশ্যে ১৬ দিনীয়া কাৰ্যসূচীৰ আজি সফল সমাপ্তি অনুষ্ঠান আজিৰ বৈঠকত অনুষ্ঠিত কৰা হয়। বৈঠকত বাল্য বিবাহ ৰোধৰ শপত বাক্য পাঠ কৰা হয়। শপত বাক্য পাঠ কৰোৱাই গুলস্মি ৰেখা বৰাই। বৈঠকত জিলা সমাজ কল্যাণ বিষয়া ভুপেন ভট্টাচাৰ্যৰ লগতে শিক্ষা, স্বাস্থ্য, আৰক্ষী বিভাগৰ উপৰিও সমাজ কল্যাণ বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগতে বিভিন্ন স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

# বঙাইগাঁৱত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ অভিযানৰ শুভাৰম্ভ



**ষ্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ১৩ ডিচেম্বৰ ঃ** সমগ্ৰ ভাৰতবৰ্ষ ৰ লগতে ৰাজ্যখনৰ বঙাইগাঁও জিলাতো ৰাষ্ট্ৰীয় পেলু নিৰ্মূল কৰণ অভিযানৰ আজি শুভাৰম্ভ কৰে। উত্তৰ বঙাইগাঁও উচ্চ মাধ্যমিক বিদ্যালয়ত বঙাইগাঁও জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আয়োজন কৰা এই সজাগতা অভিযানৰ আৰম্ভণি বন্তি প্ৰজ্বলনৰ দ্বাৰা আৰম্ভণি কৰে সহকাৰী জিলা আয়ুক্ত টুটুমণি কাকতিয়ে, লগত সহযোগ কৰে জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাক্তৰ বলেন্দ্ৰ নাৰায়ন ডেকা, জিলা মুখ্য স্বাস্থ্য বিষযা ডাক্তৰ গোপাল চন্দ্ৰ ৰায়, জিলা আঁচনি প্ৰবন্ধক কৰুণা ব্ৰহ্ম, জিলা মেডিয়া বিশেষজ্ঞ সংগীতা দাস, প্ৰধান শিক্ষয়ত্ৰী কণিকা দাস জিলা কমিউনিটী মবিলিজাৰ জ্যোতিৰ্ময় মজুমদাৰ আৰু প্ৰদীপ দাসে। ৰাষ্ট্ৰীয় বাল কাৰ্য্যক্ৰম ৰ জিলা সমন্নয়ক প্ৰদীপ দাসে আঁত ধৰা অনুষ্ঠানটোত সম্বৰ্ধনা কাৰ্যসূচীৰ পিছতেই ভাষণ প্ৰসংগত জিলা যুটীয়া স্বাস্থ্য সঞ্চালক ডাক্তৰ ডেকাই কয় যে এই অনুষ্ঠানৰ গুৰুত্ব আছে কাৰণ সৰু সৰু লৰা ছোৱালী যেতিয়া খালী ভৰিৰে খেলা ধূলা কৰে তেতিয়া হাত ভৰি পৰিষ্কাৰ নকৰাৰ ফলত পেলুৰ কণী বোৰ আমাৰ দেহত সোমাই যায়। ফলত ভাগৰুৱা আৰু দুৰ্বল অনুভৱ কৰে লগতে পেটৰ বিষৰ লগতে ছোৱালী বোৰৰ এনিমিয়াৰো সমস্যা হব পাৰে। সেইবাৰে আমি ১ ৰ পৰা ১৯ বছৰ বয়সলৈ পেলুৰ আলবেনদাজল টেবলেট প্ৰতিগৰাকী লৰা ছোৱালীক খুৱাব লাগে। সভা খনত মেটাৰ্নেল নিউ বৰ্ন হেল্থ ৰ ৰাজ্য আঁচনি প্ৰবন্ধক আৰু জিলা পৰামৰ্শদাতাও উপস্থিত থাকে। ইয়াৰে পিছতে সহকাৰী আয়ুক্ত টুটুমণি কাকতিয়ে উপস্থিত লৰা-ছোৱালী বোৰক এটা কৈ টেবলেট খুৱাই অনুষ্ঠানটোৰ সামৰণি কৰে।

# বাহনা মহাবিদ্যালয়ত বাণিজ্য মেলাৰ আয়োজন

**অসম বাৰ্তা, যোৰহাট, ১৩ ডিচেম্বৰ ঃ** উত্তৰ যোৰহাট উচ্চশিক্ষাৰ বাটকটীয়া বাহনা মহাবিদ্যালয়ত অহা ১৬ ডিচেম্বৰৰ পৰা ১৮ ডিচেম্বৰ লৈ পঞ্চম বাৰ্ষিক বাণিজ্য মেলা আয়োজন কৰিছে। গ্ৰাম্য অৰ্থনীতিত বৰ্তমান পুৰুষ মহিলা সকলৰ স্বাৱলম্বিতাৰ পথ সুগম কৰা আৰু এখন বজাৰৰ যোগেদি উৎপাদক সকলক উচ্ছাহিত কৰা এই মেলাৰ মূল উদ্দেশ্য। সেইয়ে জিলা খনৰ বিভিন্ন প্ৰান্তৰ আত্মসহায়ক গোট, ব্যক্তিগত খণ্ডৰ উৎপাদক সকলে বিভিন্ন নিজা উৎপাদন কৰা সামগ্ৰী বিক্ৰী আৰু প্ৰদৰ্শনৰ বাবে বিক্ৰেতা সকলে আগতীয়াকৈ বিপনী সমূহ খোলাৰ স্থিৰ কৰিছে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰখনৰ অধ্যক্ষ গৰাকীয়ে স্থানীয় ৰাইজৰ কেউটা দিনৰ সহায় সহযোগ উপস্থিতি কামনা কৰিছে।

# শোণিতপুৰৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত ডি আৰ এছ চি উন্নয়ন (এ) বিভাগ, অসম বিধানসভা সমিতিৰ পৰ্যালোচনা বৈঠক

# ডিব্ৰুগড়ৰ জ্যেষ্ঠ অধিবক্তা ইফটিকাৰ আহমেদৰ মৃত্যু

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ ডিচেম্বৰ ঃ** ডিব্ৰুগড়ৰ কালিবাৰী নিবাসী, জ্যেষ্ঠ অধিবক্তা ইফটিকাৰ আহমেদ (ফাৰুক)ৰ ৭৪ বছৰ বয়সত আজি পুৱা শুই থকা অৱস্থাতে হৃদ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। ১৯৫২ চনত ডিব্ৰুগড়ৰ কালিবাৰীত জন্ম গ্ৰহণ কৰা আহমেদে ডিব্ৰুগড়ৰ পাচআলিত থকা দীঘলী বজাৰ প্ৰাইমাৰী স্কুলৰ পৰা আদি পাঠ গ্ৰহণ কৰাৰ পাছত জৰ্জ হাইস্কুল ( বৰ্তমানে বাগ্মীবৰ নীলমণি ফুকন হাইস্কুল)ৰ পৰা মেট্ৰিক পাছ কৰাৰ পাছত ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ পৰা বি কম্ ডিগ্ৰী লয়। ডিব্ৰুগড়ৰ পৰা এল এল বি পাছ কৰাৰ পাচত তেখেতে প্ৰথমে গুৱাহাটী উচ্চ ন্যায়ালয়ত আঠ বছৰ কাল অধিবক্তা হিচাপে কাৰ্যনিৰ্বাহ কৰি পাছত অৰুণাচল চৰকাৰৰ হাইকোৰ্ট বেঞ্চত ওকালতি কৰে লগতে তেওঁ অৰুণাচল চৰকাৰৰ তেওঁ পেনেল অধিবক্তা আছিল। ডিব্ৰুগড় উকিল সন্থাৰো সদস্য আহমেদে ডিব্ৰুগড়ৰ বগা বাবা মাঝাৰৰ প্ৰায় আঠ বছৰ কাল সম্পাদকৰ দায়িত্ব পালন কৰে। এসময়ত কালিবাৰী ৱাৰ্ড কমিছনৰ সদস্যৰ লগতে তেওঁ বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছিল। মৃত্যুৰ সময়ত আহমেদে পত্নী অধিবক্তা জেনিফা জামান আৰু দুই পুত্ৰৰ লগতে পৰিয়ালৰ অনেক আত্মীয়ক ইহ সংসাৰত এৰি যায়। আজি তেখেতৰ জানাজা আমোলাপট্টি কবৰস্থানৰ অনেক গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়।




**অসম বাৰ্তা, তেজপুৰ সদৰ, ১৩ ডিচেম্বৰ ঃ** আজি শোণিতপুৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এক বিস্তৃত পৰ্যালোচনা বৈঠকৰে ডি আৰ এছ চি উন্নয়ন (এ) বিভাগ, অসম বিধান সভা সমিতিৰ দুদিনীয়া ভ্ৰমণ কাৰ্যসূচীৰ সামৰণি পৰে। সমিতিৰ অধ্যক্ষ গোবিন্দ চন্দ্ৰ বসুমতাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত ডি আৰ এছ চি-এ এল এ, সদস্য চুজামুদ্দিন লস্কৰ, অজয় ৰায়, নিজানুৰ ৰহমান আৰু দিগন্ত বৰ্মনৰ সৈতে অতিৰিক্ত সচিব তথা ডি আৰ এছ চি কমিটিৰ ইনচাৰ্জ ৰাজীৱ ভট্টাচাৰ্য, উপ সচিব পৰাগ মেধি, আৰু জিআৰ-I ৰিপৰ্টাৰ অনুপম ৰাজবংশী উপস্থিত থাকে। শোণিতপুৰৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসে সমিতিখনক আদৰণি জনায়। জিলা উন্নয়ন আয়ুক্ত সঞ্জীৱ কুমাৰ শৰ্মা, শোণিতপুৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া জয়ন্ত কুমাৰ বৰা, অতিৰিক্ত জিলা আয়ুক্ত জেমছ আইণ্ড, আৰু সংশ্লিষ্ট বিভাগ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, বন, লোক নিৰ্মাণ বিভাগ (পথ আৰু গৃহ), জনস্বাস্থ্য কাৰিকৰী, জলসম্পদ, গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, এপিডিচিএলৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে খণ্ড উন্নয়ন বিষয়া সকল, বন সংমণ্ডল বিষয়া সকল, আৰু বিভিন্ন বিভাগীয় অভিযন্তা সকলেও চলি থকা বিশদ আলোচনাত অংশগ্ৰহণ কৰে।

### পৰম বীৰ চক্ৰ সোঁৱৰণী হাফ মাৰাথন প্ৰতিযোগিতা

# যোদ্ধা স্পেচিয়েল একাডেমীৰ বিশেষ কাৰ্যসূচী

**অসম বাৰ্তা, দেৰগাঁও, ১৩ ডিচেম্বৰ ঃ** যোদ্ধা স্পেচিয়েল একাডেমী(বেচৰকাৰী সংস্থা) হৈছে এখন শক্তিশালী আৰু সুস্থ সমাজ গঢ়ি তোলাৰ বাবে এক সামাজিক অনুষ্ঠান। তেখেতলোকৰ অগ্ৰণী মিছন হৈছে ক্ষতিকাৰক নিচাৰ বিৰুদ্ধে সজাগতা বিয়পাই দিয়া আৰু যুৱক-যুৱতীসকলক অনুশাসনৰ উদ্দেশ্যৰ দিশত পথ প্ৰদৰ্শন কৰা। তেখেতলোকৰ সৈনিকৰ পৰিয়ালৰ হৈ শ্বহীদৰ সন্তানৰ বাবে তেখেতসকলৰ ভৱিষ্যত সুৰক্ষিত কৰিবলৈ শৈক্ষিক সহায় আগবঢ়াই অনাৰ, আনহাতে কৰ্তব্যৰত অৱস্থাত আহত হোৱাসকলৰ বাবে তেখেত সকলে চিকিৎসা সেৱা আৰু সহায় আগবঢ়াই অহা দেখা গৈছে। একাডেমীয়ে অসমীয়া জাতিৰ যুৱক-যুৱতীসকলৰ মাজত দায়িত্ব, দেশপ্ৰেম, আৰু স্থিতিস্থাপকতাৰ মূল্যবোধৰ সৃষ্টি কৰিব বিচাৰে। সজাগতা অভিযান, ক্ৰীড়া কাৰ্যসূচী, আৰু সম্প্ৰদায় প্ৰকল্পৰ জৰিয়তে যোদ্ধা স্পেচিয়েল একাডেমীয়ে অসমীয়া জাতিৰ যুৱক-যুৱতীসকলৰ মাজত দায়িত্ব, দেশপ্ৰেম, আৰু স্থিতিস্থাপকতাৰ মূল্যবোধৰ সৃষ্টি কৰিব বিচাৰে। যোদ্ধা স্পেচিয়েল একাডেমী বিভিন্ন প্ৰশংসনীয় পদক্ষেপৰ লগতে অহা ১৪ ডিচেম্বৰ ২০২৫ তাৰিখে দেৰগাঁৱৰ নৰেন শৰ্মা স্মৃতি পথাৰৰ পৰা অনুষ্ঠিত হ'বলগীয়া পৰম বীৰ চক্ৰ সোঁৱৰণী হাফ মাৰাথন ২০২৫ৰ আয়োজন কৰিছে। পৰম বীৰ চক্ৰৰ প্ৰথম প্ৰাপক (মৰোনোত্তৰ ভাৱে) মেজৰ সোমনাথ শৰ্মাক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে স্বাস্থ্য আৰু ফিটনেছৰ মূল্যবোধৰ প্ৰচাৰৰ বাবে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কাৰ্যসূচী অনুসৰি পুৱা ০৫: ১৫ বজাত; পিভিচি বঁটাপ্ৰাপকলৈ শ্ৰদ্ধাঞ্জলি, পুৱা ০৫ ঃ ৩০ বজাত; ইভেণ্টৰ বিষয়ে ভাষণ প্ৰদান, পুৱা ০৬ ঃ ০০ বজাত ফ্লেগ অফ ১০ কিলোমিটাৰ YODDHA RUN, 06: 30 বজাত, ফ্লেগ অফ ৫ কিলোমিটাৰ DREAM RUN, পিছতে পুৱা 09: 30 বজাত; পুৰস্কাৰ বিতৰণ অনুষ্ঠান অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে দিনৰ ভাগতে বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠান সামৰণি পৰিব। অনুষ্ঠানটোৰ অধ্যক্ষ সুজিত কুমাৰ বৰা, সম্পাদক ৰাজদ্বীপ বৰা, কোষাধ্যক্ষ ভাস্কৰ জ্যোতি শইকীয়াই স্থানীয় ৰাইজৰ উপস্থিতিয়ে অংশগ্ৰহণকাৰীসকলক যথেষ্ট পৰিমাণে উৎসাহিত কৰাৰ লগতে তেখেতসকলক এখন শক্তিশালী, সুস্থ, আৰু অধিক অনুশাসিত সমাজ গঢ়ি তোলাৰ অভিযানত অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে।

### বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই মুগ্ধ কৰিলে স্থানীয় ৰাইজক

# মাজুলীৰ শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয়ৰ বিদ্যালয় সপ্তাহ আৰম্ভ

**অসম বাৰ্তা, উজনী মাজুলী, ১৩ ডিচেম্বৰ ঃ** মাজুলী শিক্ষা খণ্ডৰ অন্তৰ্গত নামনি মাজুলীৰ শ্ৰীলোহিত উচ্চ মাধ্যমিক বিদ্যালয়ত আজি বৰ্ণাঢ্য কাৰ্যসূচীৰে চলিত বৰ্ষৰ "বিদ্যালয় সপ্তাহ" আৰম্ভ হয়। আজি পুৱা ন' বজাত বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে পৰিৱেশ পৰিষ্কাৰ কৰে। তাৰপিছত বিদ্যালয় সপ্তাহ উপলক্ষে পাঁচটা শ্ৰেণীৰ মাৰ্চ পাষ্ট প্ৰদৰ্শন কৰা হয়। পুৱা প্ৰাতঃ সভাৰ পাছতে বিদ্যালয়ৰ পতাকা উত্তোলন কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক চন্দ্ৰ বৰাই। তাৰপিছত বন্তি প্ৰজ্বলন কৰে বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি তথা শিক্ষক ৰাকেশ কুম্বাঙে। পুৱা দহ বজাত ২০২৫ বৰ্ষৰ বিদ্যালয় সপ্তাহ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক সূৰ্য কুমাৰ কমানে। বিদ্যালয়ৰ খেলপথাৰত ক্ৰীড়া প্ৰদৰ্শন কৰি উক্ত বিদ্যালয় সপ্তাহ উদ্বোধন কৰা হয়। তাৰপিছত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিদ্যালয়ৰ সাংস্কৃতিক বিভাগৰ তত্ত্বাৱধায়ক শিক্ষয়িত্ৰী শেৱালি ভূ এঙাৰ পৰিচালনাৰে ছাত্ৰ ছাত্ৰীসকলে এক বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা প্ৰদৰ্শন কৰে। উক্ত সাংস্কৃতিক শোভাযাত্ৰা বিদ্যালয়ৰ খেলপথাৰৰ পৰা আদিএলেঙি সত্ৰহৈ গোৱালগাঁও তিনি আলিলৈকে প্ৰদৰ্শন কৰা হয়। সাংস্কৃতিক শোভাযাত্ৰাত বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে অসমৰ সমাজ জীৱনৰ চিত্ৰ, বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান, বিভিন্ন কৃষ্টি- সংস্কৃতি প্ৰদৰ্শন কৰি স্থানীয় ৰাইজক মুগ্ধ কৰে। সাংস্কৃতিক শোভাযাত্ৰাৰ পাছতেই বিদ্যালয়ৰ খেলপথাৰত মূল ক্ৰীড়া সম্ভাৰ অনুষ্ঠিত হয়। আজিৰ উক্ত, বিদ্যালয় সপ্তাহত ছাত্ৰ ছাত্ৰীসকলৰ মাজত মাৰ্চ পাষ্ট প্ৰতিযোগিতা, মনোযোগী খেল আদি বিভিন্ন পৰম্পৰাগত খেল ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। আজিৰ পৰা ১৮ ডিচেম্বৰলৈকে উক্ত বিদ্যালয় সপ্তাহ চলিব। ১৮ ডিচেম্বৰৰ সামৰণী অনুষ্ঠানত বিদ্যালয় সপ্তাহৰ বঁটা বিতৰণ কৰা হ'ব বুলি বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতি ৰাকেশ কুম্বাঙে জানিবলৈ দিছে।

# হাজো বহ্নিমান কাৰাটে একাডেমীৰ চাৰি কাৰাটেকাৰ সাফল্য



**অসম বাৰ্তা, হাজো, ১৩ ডিচেম্বৰ ঃ** যোৱা ৮ৰ পৰা ১০ ডিচেম্বৰলৈ গুৱাহাটী খানাপাৰাস্থিত গণেশ মন্দিৰ ইন্দোৰ ষ্টেডিয়ামত অনুষ্ঠিত সদৌ অসম কাৰাটে প্ৰতিযোগিতা ২০২৫ত কামৰূপ জিলা কাৰাটে দলক প্ৰতিনিধিত্ব কৰি হাজো বহ্নিমান কাৰাটে একাডেমীৰ চাৰিগৰাকী খেলুৱৈয়ে পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। অসম অলিম্পিক সন্থাৰ তত্ত্বাৱধানত আৰু অসম কাৰাটে এছোচিয়েচনৰ উদ্যোগত অনুষ্ঠিত সদৌ অসম কাৰাটে প্ৰতিযোগিতাৰ ছাব জুনিয়ৰ শাখাৰ ছোৱালীৰ ৭ বছৰৰ তলৰ শাখাত আয়ুক্তা মালাকাৰ, ৭ বছৰ ২৫ কেজি ওজনৰ ছোৱালী শাখাত পৰিণীতা কলিতা, ৯ বছৰ ল'ৰাৰ ৩৫ কেজি তলৰ শাখাত দিয়ান জ্যোতি দাস আৰু ১২ বছৰ বয়সৰ ছোৱালীৰ ৪২ কেজি তলৰ শাখাত ৰিমঝিম মালাকাৰে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। পদক বিজয়ী আটাইকেইগৰাকী খেলুৱৈ হাজো বহ্নিমান কাৰাটে একাডেমীত চেনচেই দিপাংকৰ মজুমদাৰৰ তত্ত্বাৱধানত প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। খেলুৱৈ কেইগৰাকীৰ সাফল্যত উৎফুল্ল হৈ পৰিছে হাজো ক্ৰীড়াপ্ৰেমী ৰাইজ।

### মহিলাসহ তিনিজনক আটক

# নগাঁৱত আবকাৰী বিভাগৰ সফল অভিযান

**অসম বাৰ্তা, নগাঁও, ১৩ ডিচেম্বৰ ঃ** নগাঁও জিলা আবকাৰী বিভাগে বিগত সময়ত অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। আজিও নগাঁও জিলা আবকাৰী বিভাগে জিলাখনৰ কেবাটাও স্থানত অবৈধ সুৰাৰ বিৰুদ্ধে এক অভিযান চলাই। নগাঁও জিলা আবকাৰী বিভাগৰ অধীক্ষক ব'ৰিছ বৰকাকতীৰ পৰিচালনাত আৰু আবকাৰী পৰিদৰ্শক চন্দ্ৰ কুমাৰ বৰুৱাৰ নেতৃত্বত যোৱা আবকাৰী দলে নগাঁও সদৰ চক্ৰৰ অন্তৰ্গত বৰক'লা, বঢ়মপুৰ, বামুণী, দক্ষিণ গমাৰীআটি আৰু ৰহাৰ কটহঁগুৰি আদি অঞ্চলত অভিযান চলাই সফলতা লাভ কৰিবলৈ সক্ষম হয়। আবকাৰী বিভাগে আঠটা গোচৰৰ ওপৰত ভিত্তি কৰি এই অভিযান চলাই বুলি জানিব পৰা গৈছে। আবকাৰী বিভাগে অভিযানৰ সময়ত ৪২৮০ কিলোগ্ৰাম মদ প্ৰস্তুত কৰা গেলা পাছ, ১৫টা মদ প্ৰস্তুত কৰা যন্ত্ৰ আৰু ৩৫০ লিটাৰ চুলাই মদ ঠাইতে নষ্ট কৰি পেলাই। এই সংক্ৰান্তত আবকাৰী দলটোৱে দুগৰাকী মহিলা সহ তিনিজন অবৈধ সুৰা ব্যৱসায়িক আটক কৰি বিভাগীয় নীতি অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিছে।

# ছাত্ৰ-ছাত্ৰীলৈ ডবকা একাডেমীৰ অধ্যক্ষৰ ১২ লাখ টকাৰ স্কুলাৰশ্বিপ প্ৰদান




**অসম বাৰ্তা, ডবকা, ১৩ ডিচেম্বৰ ঃ** হোজাই জিলাৰ ডবকাৰ এখন আগশাৰীৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে ডবকা অঞ্চলৰ ৭০ জন মেধাবী আৰ্থিক অনাটনত ভোগা দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীক ১২ লাখ টকাৰ স্কুলাৰশ্বিপৰ জৰিয়তে বিনামূলীয়া শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰি দিব। উল্লেখ্য যে ইতিমধ্যে ডবকা একাডেমীৰ বাকৰিত বিদ্যালয় খনে অনুষ্ঠিত কৰা এক অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থকা হাজী আনফৰ আলী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক ড° হাচিনুচ চুলতান, ডবকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ইকৰাম হুছেইন মিৰ, অভিভাৱক আৰু উক্ত অঞ্চলৰ মুৰব্বী গণ্যমান্য ব্যক্তি সকলৰ উপস্থিতিত বিদ্যালয় খনৰ অধ্যক্ষ ইকৰাম উদ্দিনে আনুষ্ঠানিক ভাৱে ঘোষণা কৰে যে ডবকা একাডেমী গ্ৰুপ অৱ ইনষ্টিটিউটচনে প্ৰতি বছৰে ভাল ফলাফল কৰাৰ প্ৰতি লক্ষ্য ৰাখি উন্নতিৰ ফালে আৰু এখোজ আগুৱাই আগন্তুক ২০২৬ বৰ্ষত "ডবকা একাডেমী ইংলিছ চিনিয়ৰ ছেকেণ্ডৰী স্কুল" নামেৰে আন এখন ইংৰাজী মাধ্যমৰ স্কুল মুকলি কৰিব গৈ আছে যত আৰ্থিক অনাটনত ভোগা অতি মেধাৱী ৭০জন ছাত্ৰ-ছাত্ৰীক সম্পূৰ্ণ বিনামূলীয়া কৈ পঢ়াৰ সুযোগ দিব। লগতে বিদ্যালয় খনৰ অধ্যক্ষ ইকৰাম উদ্দিনে জনায় যে ডবকাত আগশাৰীৰ এখন ইংৰাজী মাধ্যমৰ স্কুল খোলাৰ এটি বহু দিনীয়া সপোন আছিল। এই সপোন শিগ্ৰে পূৰণ হ'ব গৈ আছে। অধ্যক্ষ জনৰ এই ঘোষণা ডবকা অঞ্চলৰ শিক্ষা খণ্ডৰ এয়াই হ'ব এতিয়ালৈকে কৰা সৰ্ববৃহৎ উদ্যোগ। বিদ্যালয় খনৰ এই ঐতিহাসিক ঘোষণা প্ৰকাশ পোৱাৰ পিছতেই অভিভাৱক, স্থানীয় ৰাইজ আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। ২০২৬ বৰ্ষত মুকলি হ'বলগীয়া ডবকা একাডেমী গ্ৰুপ অৱ ইনষ্টিটিউটৰ চতুৰ্থখন কেম্পাছ "ডবকা একাডেমী ইংলিছ চিনিয়ৰ ছেকেণ্ডৰী স্কুল" নামৰ স্কুল খনে ডবকাৰ নাম গৌৰৱ কৰিব বুলি আশা কৰিব পাৰি বুলি ৰাইজৰ মাজত চৰ্চা চলিছে।

### ২০২৬ৰ অসম বিধানসভাত ৫ জনক বিজেপি দলৰ পৰা প্ৰাৰ্থিত্ব প্ৰদানৰ দাবী

# নাথ যোগী সম্প্ৰদায়ৰ এজন লোকক বিটিচিত মনোনীত এম চি এল এ নকৰাটো দুৰ্ভাগ্যজনক

**অসম বাৰ্তা, টংলা, ১৩ ডিচেম্বৰ ঃ** বিটিচিত বসবাস কৰা নাথ যোগী সম্প্ৰদায়ৰ ব্যক্তি বিটিচিৰ পৰিষদত মনোনীত এমচিএলএ নিযুক্তি নিদিয়াত ক্ষুব্ধ হৈ পৰিছে নাথ যোগী সম্প্ৰদায়। নাথযোগী সম্প্ৰদায়ৰ পৰা এমচিএল বা এজনো বিধায়ক, সাংসদ বা নিগম নিকাই ইত্যাদিত নথকাটো বা নিদিয়াটো অতিশয় দুৰ্ভাগ্যজনক বিষয় বুলি এক প্ৰেছ বিজ্ঞপ্তি যোগেসদৌ অসম নাথ যোগী যুৱ পৰিষদে জানিবলৈ দিছে। বিটিচিত বসবাস কৰা লক্ষ্য লক্ষ্য মানুহক সকলো চৰকাৰে মাহীআইৰ চকুৰে চোৱা বুলি অসমৰ প্ৰতিখন জিলা নাথ যোগী সন্মিলনী কেইখনে আৰু নাথ যোগী জনগোষ্ঠীৰ লোকসকলে দুখ প্ৰকাশ কৰাৰ লগতে অনাগত দিনত চৰকাৰ বিৰোধী প্ৰতিবাদী কাৰ্যসূচী বা আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলি জানিবলৈ দিছে। অসমত নাথ যোগী সম্প্ৰদায়ৰ প্ৰায় ৪৩ লক্ষ্য মানুহে বাস কৰে যদিও অসমৰ ১২৬টা সমষ্টিৰ ভিতৰত এজনো বিধায়ক লগতে ৰাজসভা, লোক সভাত সাংসদ তথা নিগম নিকাইত এজনো অধ্যক্ষ, উপাধ্যক্ষ নোহোৱাটো দুৰ্ভাগ্যজনক আখ্যা দিয়ে। মিএগ, মাৰোৱাৰী, নেপালী, বঙালী আদিকে ধৰি সকলো মানুহৰে প্ৰতিনিধি বিধান সভাত আছে কিন্তু খিলঞ্জীয়া নাথ যোগী জনগোষ্ঠীৰ এজনো প্ৰতিনিধি নোহোৱাটো নিশ্চিতভাৱে অৱহেলিত, ৰাজনৈতিকভাৱে প্ৰতাৰিত আৰু লাঞ্চিত বঞ্চিত বুলি প্ৰাদেশিক যোগী সন্মিলনীৰ লগতে ভাতৃ ভগ্নী সংগঠন সমূহে আৰু অসমৰ প্ৰতিজন নাথ যোগী জনগোষ্ঠীৰ লোকসকলে গভীৰ দুখ প্ৰকাশ কৰিছে। নাথ যোগী জনগোষ্ঠীৰ লোকসকলৰ লগতে স্বাজাতীয় সংগঠনৰ দাবী ১) নাথ যোগী উপগ্ৰহীয় স্বায়ত্ত্ব পৰিষদৰ দাবী। ২) নাথ যোগী জনগোষ্ঠীক অসমৰ সকলো ঠাইতে ভূমিৰ অধিকাৰ প্ৰদান। ৩) ২০২৬ চনত নাথ যোগী অধ্যুষিত অঞ্চল সমূহত বিজেপি দলৰ পৰা অতি কমেও ৫/৬জন প্ৰাৰ্থীক দলীয় টিকট প্ৰদান কৰা। ৪) নিগম নিকাই সমূহত ২/৩জন লোকক অধ্যক্ষ/ উপাধ্যক্ষ পদত অধিষ্ঠিত কৰা। নাথ যোগী জনগোষ্ঠীৰ উত্তৰণৰ বাবে ৰাজনৈতিকভাৱে আগুৱাই যোৱাৰ পথ বৰ্তমানৰ অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ হাতত আৰু তেখেতৰ সুদৃষ্টিৰ বাবে অসমৰ লক্ষ্য লক্ষ্য নাথ যোগী জনগোষ্ঠীৰ লোকে অধীৰ আগ্ৰহেৰে অপেক্ষাৰত বুলি এক প্ৰেছ বিজ্ঞপ্তি যোগে সদৌ অসম নাথ যোগী যুৱ পৰিষদে জানিবলৈ দিয়ে।

# ভেৰগাঁৱত বিটিআৰ শান্তি চুক্তিৰ দফাসমূহ ৰূপায়ণৰ দাবীত এবছুৰ জোৰ সমদল




**অসম বাৰ্তা, টংলা, ১৩ ডিচেম্বৰ ঃ** সমগ্ৰ ৰাজ্যখনৰ জিলা আৰু মহকুমা সদৰ স্থানত সদৌ বড়ো ছাত্ৰ সন্থাৰ উদ্যোগত আজি এক জোৰ সমদল কাৰ্যসূচী ৰূপায়ণ কৰে। ওদালগুৰি জিলাৰ সদৰৰ লগতে ভেৰগাঁও মহকুমা সদৰ চহৰত তিনিশতাধিক এবছু নেতা-কৰ্মী সকলে হাতে-হাতে জোৰ লৈ বিভিন্ন শ্ল'গান আওৰাই ভেৰগাঁৱৰ আকাশ উত্তাল কৰি তোলে। ভেৰগাঁও এবছু কাৰ্যালয়ৰ পৰা আৰম্ভ কৰি ভেৰগাঁও চহৰৰ সোমাজেৰে চেউনী সমবায় সমিতিলৈ গৈ ঘূৰি আহি ভেৰগাঁও চাৰিআলিত সমাপ্ত কৰে। সমদলকাৰী সকলে জোৰ লৈ এবছু জিন্দাবাদ, হামে ন্যায় চাহিয়ে, মোদীজী হামাৰে আৱাজ সুনিয়ে, মোদীজী হামাৰে মাংগে পুৰী কৰো, একৰ্ড ইম্প্লেমেণ্টেচন কিজিয়ে, ন' একৰ্ড ইম্প্লেমেণ্টেচন ন' ৰেষ্ট আদি বিভিন্ন শ্ল'গান দিয়ে। পিচত ভেৰগাঁৱৰ সহকাৰী আয়ুক্ত অংশুমান হাজৰিকাৰ জৰিয়তে ভাৰতৰ গৃহ মন্ত্ৰী অমিত শাহ আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ একোখন স্মাৰক পত্ৰ প্ৰেৰণ কৰে। উক্ত জোৰ সমদল কাৰ্যসূচীৰ শুভাৰম্ভ কৰে এবছুৰ সহকাৰী সম্পাদক দীনেশ ব্ৰহ্মাই। জিলাৰ হৈ সঞ্চালনা কৰে সাধাৰণ সম্পাদক বাবুল বড়োৱে, কাৰ্যসূচীত জিলাৰ এবছু নেতা ৰমেশ বড়ো, ৰহিত বসুমতাৰী, বিৰফুং বসুমতাৰী প্ৰমুখ্যে কেবাগৰাকী সচেতন নেতা সকলৰ উপৰিও ভেৰগাঁও, খৈৰাবাৰী, কলাইগাঁও, টংলা, খাগ্ৰাবাৰী, পানেৰী, ডিমাকুছি এবছুৰ নেতা-কৰ্মী সকলে অংশ লয়।

### উচ্চতম ন্যায়ালয়ৰ নিৰ্দ্দেশনাক উলংঘা

# লখিমপুৰত পৰীক্ষাৰ সময়ত 'মীনাবজাৰ'

**অসম বাৰ্তা, লীলাবাৰী, ১৩ ডিচেম্বৰ ঃ** বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, মুক্ত বিশ্ববিদ্যালয়ত পৰীক্ষাৰ চলি থকাৰ সময়খিনিত লখিমপুৰ নগৰৰ একমাত্ৰ খেলপথাৰত লখিমপুৰ ক্ৰীড়া সন্থাই আয়োজন কৰিছে মীনাবজাৰ। ক্ৰীড়া সন্থাৰ এনে অবিবেচক কাণ্ডই জিলাবাসীৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। খেলপথাৰখনৰ গাতে লাগি থকা লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ চি. বি. চি. এছ.ৰ প্ৰথম আৰু পঞ্চম ষাণ্মাসিকৰ 'বেক'ৰ পৰীক্ষাৰ লগতে ইগন'ৰ পৰীক্ষাসমূহ অহা বৰ্ষৰ ২০ জানুৱাৰী পৰ্যন্ত চলি থাকিব। লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত পুৱা গধূলি বিভিন্ন খেলুৱৈয়ে নিজ নিজ খেলৰ অনুশীলনৰ চলায়। প্ৰতিদিনে ফুটবল, ক্ৰিকেটৰ অনুশীলনৰ লগতে পুৱা-গধূলি বিভিন্ন বয়সৰ লোকে খোজ কঢ়া, দৌৰৰ অনুশীলন কৰে। সুৰক্ষাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ এই খেলপথাৰখনত স্বাধীনতা দিৱস আৰু গণতান্ত্ৰিক দিৱস চৰকাৰী ভাৱে প্ৰতি বছৰে অনুষ্ঠিত হয়। কিন্তু, এনে আনন্দ-মেলাৰ আয়োজনৰ ফলত খেলপথাৰখনৰ বক্ষত সৰু-ডাঙৰ গাত খান্দি ক্ৰীড়াৰ লগতে সুৰক্ষাৰ ক্ষেত্ৰতো ভাবুকি কঢ়িয়াই আনিব পাৰে। উচ্চতম ন্যায়ালয়ে বিদ্যালয়ৰ খেলপথাৰ সন্দৰ্ভত থকা স্পষ্ট নিৰ্দ্দেশনা উলংঘা কৰি কিদৰে ক্ৰীড়া সন্থাক বিভাগে মীনাবজাৰ আয়োজনৰ অনুমতি প্ৰদান কৰিলে তাক লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ক্ৰীড়াৰ লগত জড়িত ক্ৰীড়া সংগঠন, প্ৰাক্তন খেলুৱৈ, সমাজ সচেতন লোকে এই খেলপথাৰখনত যাতে ক্ৰীড়া সন্থাই আনন্দমেলা অনুষ্ঠিত কৰি খেল আৰু বৰ্তমান পৰীক্ষাৰ পৰিৱেশ বিনষ্ট কৰিব নোৱাৰে তাৰ বাবে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিছাৰিছে। ক্ৰীড়া সন্থাৰ সম্পাদক ভৱ গগৈৰ তৎপৰতাত এই মীনাবজাৰ আয়োজন কৰাত জিলাবাসীয়ে একেমুখে গৰিহণা দিছে।

# চামগুৰিৰ খাটোৱালৰ অসম আৰক্ষীৰ বিশেষ শাখাৰ কৰ্মৰত মহেশ্বৰ হীৰাৰ মৃত্যু


**অসম বাৰ্তা, পুৰণিগুদাম, ১৩ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ চামগুৰিৰ খাটোৱাল গাঁৱৰ নিবাসী তথা অসম আৰক্ষীৰ বিশেষ শাখাত কৰ্মৰত মহেশ্বৰ হীৰাৰ যোৱা নিশা চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱা ঘটনাই অঞ্চলটোত গভীৰ শোঁকৰ ছাঁ পেলাইছে। ১৯৭২ চনত জন্মগ্ৰহণ কৰা মহেশ্বৰ হীৰা শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ দীৰ্ঘদিন গুৱাহাটী মেডিকেল কলেজ আৰু হাস্পতালত চিকিৎসাধীন হৈ আছিল। যোৱা কালি গুৱাহাটী মেডিকেল কলেজ আৰু হাস্পতালৰ পৰা ঘৰলৈ আনি থকা অৱস্থাত নিশা পথতে মহেশ্বৰ হীৰাৰ মৃত্যু হয়। অসম আৰক্ষীৰ বিশেষ শাখাত কৰ্মৰত মহেশ্বৰ হীৰাৰ মৃত্যুত খাটোৱাল আৰক্ষী থানাৰ আৰক্ষী, নগাঁও জিলা আৰক্ষী আৰু নগাঁও জিলা বিশেষ শাখাৰ আৰক্ষী বিষয়াসকল তেওঁৰ বাসভৱনত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰি গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থকা অসম আৰক্ষীৰ বিশেষ শাখাত কৰ্মৰত মহেশ্বৰ হীৰাৰ অকাল মৃত্যুত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ পুৰণিগুদাম আঞ্চলিক সমিতি, পুৰণিগুদাম প্ৰেছ ক্লাবকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোকপ্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। দীৰ্ঘদিন চিকিৎসাধীন অৱস্থাত থকা মহেশ্বৰ হীৰাই মৃত্যুৰ সময়ত পত্নী আৰু দুগৰাকী কন্যাসহ পৰিয়ালবৰ্গক ইহসংসাৰত এৰি থৈ যায় বুলি জানিব পৰা গৈছে।

### জব্দ চোকা অস্ত্ৰ, বাহন

# ৰূপহীহাটৰ আৰক্ষীৰ জালত তিনি ডকাইত

**অসম বাৰ্তা, ৰূপহীহাট, ১৩ ডিচেম্বৰ ঃ** ৰূপহীহাটৰ লৰিৰমুখৰ পৰা যোৱা ৯ ডিচেম্বৰ নিশা দুই ডকাইতক আৰক্ষীয়ে আটক কৰিছিল। এক গোপন খবৰ ভিত্তিত ৰূপহীহাট আৰু আমবাগান আৰক্ষীয়ে পূব লৰিৰমুখত অভিযান চলাই ডকাইতি কৰিবলৈ যোৱা অৱস্থাতে দুই কুখ্যাত ডকাইতক আটক কৰিছিল। ধৃত ডকাইত কেইটা ক্ৰমে বৰঘূলিৰ শ্বৰিফুল ইছলাম আৰু লাইলুৰীৰ চাদিকুল ইছলাম। কুখ্যাত দুই ডকাইতে নিশা ডকাইতি কৰিব যোৱাৰ পথত আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। ডকাইত কেইটাৰ পৰা আৰক্ষীয়ে চোকা অস্ত্ৰৰ লগতে এএছ-০২-পি-৭৩২২নম্বৰৰ এখন চাৰিচকীয়া বাহন জব্দ কৰিছিল। ধৃত শ্বৰিফুল ইছলাম আৰু চাদিকুল ইছলামক আৰক্ষীয়ে আটক কৰি অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছিল। আৰক্ষীৰ জেৰাত ডকাইত দুজনৰ স্বীকাৰ উক্তিৰ ভিত্তিত যোৱানিশা আৰক্ষীয়ে পূব লৰিৰমুখৰ পৰা নজৰুল হুছেইন নামৰ আন এজন ডকাইতক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে ধৃত ডকাইত তিনিজনক জেল হাজতলৈ প্ৰেৰণ কৰে।

# তামোলীছিগা ঘনকান্ত বৰা মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ বিশেষ শিবিৰত বিনামূলীয়া স্বাস্থ্য শিবিৰ সম্পন্ন




**অসম বাৰ্তা, জাঁজী, ১৩ ডিচেম্বৰ ঃ** তামোলীচিগাৰ ঘনকান্ত বৰা মহাবিদ্যালয় ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ কাযসূচী বিষয়া সহকাৰী অধ্যাপক সঞ্জীৱ কুমাৰ দত্তৰ তত্ত্বাৱধানত যোৱা ৮ ডিচেম্বৰৰ পৰা মহাবিদ্যালয়ৰ প্ৰতিপালিত গাওঁ গৰীয়া পথাৰ গাঁৱত হৈ থকা বিশেষ শিবিৰৰ অংশ হিচাপে গৰীয়া পথাৰ প্ৰাথমিক বিদ্যালয়ত এক বিনামূলীয়া স্বাস্থ্য শিবিৰ সফলভাৱে সম্পন্ন হয়। এই স্বাস্থ্য শিবিৰত যোৰহাটৰ ডক্টৰচ ক্লাব(Doctor's Club ), ভগামুখ পি এইচ চি (PHC, ) আৰু মিছন হস্পিটেলৰ বিশেষজ্ঞ চিকিৎসক মেডিচিন বিভাগৰ ডাঃ সঞ্জয় কুটুম্ব, স্ত্ৰী আৰু প্ৰসূতি বিভাগৰ ডাঃ সঞ্জয় বৰা আৰু ডাঃ ইভা ৰাণী মৰাং, শিশুৰোগ বিভাগৰ ডাঃ জিতু দলে, মনোৰোগ বিশেষজ্ঞ ডাঃ মহম্মদ ছাদুল্লা, ডাঃ হিৰক গোপ্তা, দন্ত বিভাগৰ ডাঃ বৰ্ণালী ফাটোৱালী, চকু বিশেষজ্ঞ ডাঃ মনলিশা গৰ্গ, ফাৰ্মাচিষ্ট মইনুল হক চৌধুৰী, মল্লিকা দাস (এএনএম) আদি উপস্থিতিত থাকি শতাধিক স্থানীয় জনসাধাৰণক বিনামূলীয়া স্বাস্থ্য পৰীক্ষা, পৰামৰ্শ আৰু ঔষধ প্ৰদান কৰে। এইকাৰ্যসূচীত চেণ্ট্ৰেল অফ মেডিকেল এণ্ড চেলছ ৰিপ্ৰেজেণ্টেটিভ ইউনিয়ন নৰ্থ ইষ্ট ৰিজন (North East Region)ৰে ঔষধ আদি যোগান ধৰি পূৰ্ণ সহযোগিতা আগবঢ়াই। মৰিয়নি বিধানসভা সমষ্টিৰ সন্মানীয় বিধায়ক ৰূপজ্যোতি কুৰ্মীয়েএই শিবিৰত উপস্থিত হৈ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটক উৎসাহ প্ৰদান কৰে।

# সদৌ অসম গ্ৰাম্য পুথিভঁৰালত আয়োজিত হয় অনুষ্ঠান

**অসম বাৰ্তা, নগাঁও, ১৩ ডিচেম্বৰ ঃ** নগাঁও গ্ৰাম্য পুথিভঁৰালৰ প্ৰেক্ষাগৃহত জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস, ২০২৫ ৰ জিলা পৰ্যায়ৰ শুভাৰম্ভ অনুষ্ঠানটি অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানটিৰ শুভাৰম্ভ কৰে জিলা আয়ুক্ত দেৱাশিস শৰ্মাই। আজিৰে পৰা ১৮ ডিচেম্বৰলৈকে চলিব লগা এই অভিযানৰ অধীনত জিলাখনৰ এবছৰৰ পৰা ১৯ বছৰৰ শিশু আৰু কিশোৰ-কিশোৰীক বিশ্ব স্বাস্থ্য সংস্থাৰ দ্বাৰা অনুমোদিত পেলু নাশক বড়ি (এলবেণ্ডাজল টেবলেট) সেৱন কৰোৱাৰ ব্যৱস্থা কৰা হৈছে লগতে বিদ্যালয়লৈ যোৱা সকলো শিশুক বিদ্যালয়তে পেলু নাশক বড়ি প্ৰদান কৰা হব। আশাকৰ্মী আৰু অংগনাবাড়ী কৰ্মী সকলে সকলো অংগনবাড়ী কেন্দ্ৰত আৰু গৃহ পৰিদৰ্শনৰ জৰিয়তে ১ ৰ পৰা ১৯ বছৰ বয়সৰ সকলো শিশু তথা কিশোৰ-কিশোৰীক পেলুমুক্ত হোৱাটো নিশ্চিত কৰিবলৈ পেলু নাশক বড়ি প্ৰদান কৰিব। জিলা স্বাস্থ্য সমিতিয়ে ঘৰলৈ বড়ি সেৱন কৰাবলৈ অহা স্বাস্থ্য কৰ্মী সকলক পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ অভিভাৱকসকলক আহ্বান জনাইছে। আজিৰ এই শুভাৰম্ভ অনুষ্ঠানটিত জিলা অতিৰিক্ত আয়ুক্ত সুদীপ নাথ, জিলা প্ৰতিষেধক বিষয়া ডাঃ মুকুট ডেকা, শিশু স্বাস্থ্যৰ নডেল বিষয়া ডাঃ গিৰিন্দ্ৰ কুমাৰ নাথ, আৰবান এফ.ডব্লিউৰ ভাৰপ্ৰাপ্ত বিষয়া, ডাঃ মুন শইকীয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আঁচনি প্ৰবন্ধক অৰ্ণিবান বৰঠাকুৰ, গ্ৰাম্য পুথিভঁৰালৰ সম্পাদক খগেন্দ্ৰ চন্দ্ৰ নাথকে প্ৰমুখ্য কৰি ডি.চি.এম, ডি.চি.অ', ডি.পি.এ, এ.বি.পি.এম, এ.এন.এম, আশা কৰ্মী আৰু বহুসংখ্যক শিশু তথা কিশোৰ-কিশোৰী আৰু তেওঁলোকৰ অভিভাৱক সকল উপস্থিত থাকে।

## সম্পাদকীয়

# কেগৰ সতৰ্কবাণী আৰু ঋণৰ নিৰন্তৰ যাত্ৰা

ভাৰতৰ নিয়ন্ত্ৰক আৰু মহালেখা পৰীক্ষক (কেগ)ৰ শেহতীয়া প্ৰতিবেদনখনে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন অসম চৰকাৰৰ আমোলত ৰাজ্যৰ বিত্তীয় স্বাস্থ্যৰ ওপৰত যি গুৰুতৰ সতৰ্কবাণী দিছে, সেইয়া যেন এক ৰাজহুৱা গোপন ৰহস্য হৈয়ে ৰৈ গ'ল। প্ৰতিবেদনটোৱে ঋণৰ ভয়ংকৰ বৃদ্ধি, ৰাজহৰ স্থবিৰতা আৰু ব্যয় ব্যৱস্থাপনাৰ দুৰ্বলতাৰ ছবি এখন দাঙি ধৰাৰ পাছতো চৰকাৰে ঋণ গ্ৰহণৰ পথতেই আগবাঢ়ি গৈ আছে। এই পন্থাই নাগৰিকৰ মনত এটা সহজ, কিন্তু গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সৃষ্টি কৰিছে - আমাৰ ভৱিষ্যতৰ প্ৰজন্মক আমি এক অসহনীয় ঋণৰ বোজা দি গৈছোঁ নেকি? কেগৰ পৰিসংখ্যাই উদ্বেগজনক ছবি এটা উপস্থাপন কৰিছে। ২০১৯-২০ চনৰ পৰা ২০২৩-২৪ চনলৈ ৰাজ্যৰ ঋণ গড়ে বছৰি ২০.৬৭ শতাংশ হাৰত বৃদ্ধি পাইছে। মুঠ ঋণৰ পৰিমাণ ১০৩ শতাংশ বৃদ্ধি হৈ ১.৪৬ লাখ কোটিত পোৱাৰ লগতে ঋণ-জিডিএসপি অনুপাত ২০.৮৩ শতাংশৰ পৰা বাঢ়ি ২৫.৭৭ শতাংশ হৈছে। ইয়াৰ অৰ্থ হ'ল ৰাজ্যৰ অৰ্থনীতিৰ তুলনাত আমাৰ ঋণৰ ভাৰ দ্ৰুতগতিত বাঢ়ি আছে। আনুষংগিকভাৱে, প্ৰতি বছৰে ঋণৰ সুত হিচাপে প্ৰায় ৯, ৪৬৭ কোটি টকা খৰচ কৰিবলগীয়া হৈছে, যিটো অৰ্থ এক অতি মূল্যৱান সামাজিক খণ্ডত বিনিয়োগ কৰিব পৰা গ'লহেতেন। চৰকাৰৰ যুক্তি হ'ল যে উন্নয়নৰ বাবে ঋণৰ আৱশ্যক। নিশ্চয় উন্নয়নৰ বাবে বিনিয়োগৰ প্ৰয়োজন। কিন্তু প্ৰশ্নটো উদ্ভৱ হয় তেতিয়া, যেতিয়া এই ঋণৰ এক বৃহৎ অংশই হয়তো উন্নয়নমূলক কামত প্ৰয়োগ নহয়। বিগত কেইবাবছৰো চৰকাৰে প্ৰতি বছৰে কুৰি হাজাৰ কোটিতকৈ অধিক ঋণ গ্ৰহণ কৰি আহিছে। কিন্তু কেগৰ প্ৰতিবেদন আৰু বিভিন্ন ৰাজনৈতিক দলৰ মন্তব্যে ইংগিত দিয়ে যে এই ধনৰ এক বৰ অংশ অ-উন্নয়নমূলক ব্যয়ত যায়। অৱকাঠামো আৰু জনকল্যাণৰ বাবে ঋণ গ্ৰহণ কৰা এটা যুক্তিসংগত কৌশল হ'ব পাৰে, কিন্তু দৈনন্দিন খৰচ আৰু সুত পৰিশোধৰ বাবেও যদি ঋণৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা হয়, তেন্তে সেইটো বিত্তীয় অস্বাস্থ্যকৰ অৱস্থা মাথোঁ। ৰাজ্যৰ ৰাজহ বৃদ্ধিৰ হাৰ মাত্ৰ ২ শতাংশ হোৱাৰ বিপৰীতে ঋণৰ এই দ্ৰুত বৃদ্ধিয়ে এই অস্বাস্থ্যকৰ অৱস্থাৰেই ইংগিত দিয়ে। আনহাতে, চৰকাৰৰ আঁচনি বাস্তৱায়নৰ ক্ষেত্ৰতো গভীৰ চিন্তাৰ কাৰণ আছে। জল জীৱন মিছনৰ দৰে কেন্দ্ৰীয় পুঁজিসম্পৰ্কীয় আঁচনিতো ৰাজ্যখনে ৬, ২৮০ কোটিমানহে খৰচ কৰিব পাৰিছে, যাৰ ফলত প্ৰায় দুতৃতীয়াংশ ধন অব্যৱহৃত হৈ ৰৈ গৈছে। শিক্ষা আৰু স্বাস্থ্যৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডসমূহৰ বাবে ধনৰ অব্যৱহাৰৰ কথা কেগই আগতেই উল্লেখ কৰিছে। গতিকে সাধাৰণ মানুহৰ মনত প্ৰশ্ন উঠাটো স্বাভাৱিক ঃ ঋণৰ জৰিয়তে যিখিনি ধন সংগ্ৰহ কৰা হৈছে, সেইখিনিয়ে সঁচাকৈয়ে উন্নয়নৰ ৰূপ লৈ আমাৰ ওচৰলৈ আহিছেনে? নে ফেব্ৰুৱাৰী মাহৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে জনপ্ৰিয়তা বৃদ্ধিৰ বাবে দ্ৰুতগতিত কিছুমান আঁচনি কাৰ্যকৰী কৰিবলৈহে এই ঋণ গ্ৰহণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰা হৈছে? চৰকাৰে ঋণৰ ম্যাদ ১৪-২০ বছৰলৈ বৃদ্ধি কৰি দীৰ্ঘম্যাদী বোজা সৃষ্টি কৰাৰ সিদ্ধান্তেও উদ্বেগ কঢ়িয়াই আনিছে। ইয়াৰ অৰ্থ হ'ল আজিৰ ঋণৰ দায়ভাৰ আমাৰ সন্তান-সন্ততিয়ে বহন কৰিব লাগিব। কেগৰ প্ৰতিবেদনত কোৱা হৈছিল যে "আজি অসমত জন্মগ্ৰহণ কৰা প্ৰত্যেক শিশুৱে ৪১, ৩৪০ টকাৰ ঋণ কঢ়িয়াই লৈ আহিছে।" ঋণৰ এই পৰিমাণ ২০২৬ চনলৈ ১.৭৪ লাখ কোটিলৈ, আনকি ২.০০ লাখ কোটিলৈ গৈ পোৱাৰ আশংকা কৰা হৈছে। সাধাৰণ পিতৃ-মাতৃ এজনৰ মনত স্বাভাৱিকতে প্ৰশ্ন উঠিব - আমি আমাৰ সন্তানসকলক উন্নত শিক্ষা, সুৰক্ষিত ভৱিষ্যতৰ সলনি এই ঋণৰ ডাঙৰ বোজাটোৱে দি গৈছোঁ নেকি? কেগই সুপাৰিশ কৰা মতে ৰাজ্যখনে নিজা ৰাজহ বৃদ্ধি কৰা, বিত্তীয় ঘাটি হ্ৰাস কৰা আৰু ব্যয় ব্যৱস্থাপনা দক্ষ কৰাৰ দিশত জোৰ দিব লাগে। বিত্ত মন্ত্ৰী অজন্তা নেওগই বিধানসভাত দিয়া তথ্য মতে বৰ্তমান ঋণৰ পৰিমাণ ১.৫৪ লাখ কোটিকৈ আছে। এনে অৱস্থাত চৰকাৰৰ উচিত হ'ব বিত্তীয় স্বচ্ছতা আৰু দায়বদ্ধতাৰে কাম কৰা। ৰাজ্যই এটা স্পষ্ট আৰু যুক্তিসংগত আঁচনিৰে নিজৰ আয় বৃদ্ধিৰ পথত গুৰুত্ব দিয়া উচিত, কেৱল ঋণৰ ওপৰত নিৰ্ভৰশীলতা কমোৱাৰ বাবে নহয়, ভৱিষ্যতৰ প্ৰজন্মৰ বাবে এক অৰ্থনৈতিকভাৱে স্থিৰ আৰু উন্নত অসম গঢ়ি তোলাৰ বাবেহে।

---

অসমীয়া সংস্কৃতি মানেই জনজীৱনৰ আস্থা আনন্দ আৰু ঐক্য-সম্প্ৰীতিৰ উৎসৱ আৰু পৰ্ব ৰ সংস্কৃতি। য'ত ঋতুৱে প্ৰতি প্ৰত্যেক শুভ দিন এটি উৎসৱ-পৰ্ব হয়, যাৰ লোক বিশ্বাস আৰু বৈজ্ঞানিক আধাৰ পঞ্জিকা মতে হয়। কিন্তু যেতিয়া পশ্চিমীয়া সংস্কৃতিৰ কথা আহে তাত নৱবৰ্ষৰ কোনো বৈজ্ঞানিক আধাৰ নাই। আছে কেৱল খ্ৰীষ্টান ধৰ্মৰ আৰু ধৰ্মগুৰুৰ নিজস্ব চিন্তা- সিদ্ধান্ত। নিজৰ ঐতিহ্য পূৰ্ণ সমাজৰ প্ৰতি নিজৰ স্বকীয় সংস্কৃতিৰ প্ৰতি আৰু নিজৰ উত্তৰসূৰীৰ প্ৰতি আমাৰ সকলোৰে কিছু কৰণীয় কৰ্তব্য আছে। মাতা-পিতা হিচাপে নিজৰ সন্তানক নিজৰ সংস্কাৰ সংস্কৃতিৰে সুন্দৰ উদাহৰণ দাঙি ধৰা আৰু বিদেশী সংস্কৃতিৰ কুটিল গ্ৰাসৰ পৰা বচাই ৰখাৰ যত্ন কৰা।

# ইংৰাজী নৱবৰ্ষ আৰু আমাৰ সংস্কাৰ সংস্কৃতি ৰক্ষা

**কিৰণ দাস (মনজিৎ)**

"বৃক্ষই নিজৰ শিপা নিজেই নাকাটে, পক্ষীয়ে নিজৰ ডেউকা নিজেই নাভাঙে।" কিন্তু মনুষ্যই আজি আধুনিকতাৰ দৌৰত নিজৰ শিপা আৰু পাখি নিজেই কাটিবলৈ ধৰিছে। যদিহে মানুহে বুজি পালেহেঁতেন যে- বৃক্ষ তেতিয়ালৈকে ফুলে ফলে সুশোভিত ৰূপে থিয় হৈ জীয়াই থাকে, যেতিয়ালৈকে শিপাৰ লগত তাৰ অটুট বন্ধন থাকে আৰু পক্ষীয়েও তেতিয়ালৈকে স্বাধীন ভাৱে আকাশত উৰিব পাৰে যেতিয়ালৈকে নিজৰ ডেউকা লগত সংযোগ হৈ থাকে।

আজি অসমীয়া সমাজ জাতিয়ে পাশ্চাত্য সভ্যতা সংস্কৃতিৰ অন্ধ অনুসৰণ কৰি নিজৰ সোণসেৰীয়া ঐতিহ্য আৰু সুন্দৰৰো সুন্দৰ সংস্কৃতিৰ শিপা আৰু পুৰাতন সংস্কাৰৰ ডেউকা কাটি কোন দিশত ধাৱমান হ'ব লৈ ওলাইছে বাৰু? - এই প্ৰশ্ন কিমান প্ৰাসংগিক লাগে এই কথাৰ পৰাই অনুধাবন কৰিব পাৰে যে-ইংৰাজীৰ কেৱল এটা তাৰিখ পৰিৱৰ্তন হোৱাৰ প্ৰক্ৰিয়াকে নিজৰ নতুন বৰ্ষ ৰূপে উলহ-মালহেৰে উদ্‌যাপন কৰিবলৈ খদম্ দম্ কৰিবলৈ ধৰিছে আধুনিক অসমীয়া সমাজ জীৱনে। য'ত নে কি আমাৰ সংস্কাৰ আৰু সংস্কৃতিত প্ৰত্যেক শুভ আৰু নতুন কৰ্ম বিশেষ ঋতু সময়, কৃষি ভিত্তিকতা, মাংগলিকতা আৰু আত্মীয়-স্বজন, পিতৃ-মাতৃ সম্বন্ধিত চেনেহ-শ্ৰদ্ধাসহ হয়, তেনেস্থলত আমাৰ সমাজ ঐতিহ্য পৰম্পৰাত একো বিশেষত্ব নথকা বিদেশী নববৰ্ষত আত্মীয় কুটুম, মাতা-পিতাক ঘৰত এৰি বন্ধু-বান্ধৱীৰ লগত কোনো প্ৰাকৃতিক স্থানত বনভোজ(!)খাই অথবা হোটেলত দুপৰ নিশালৈকে উচ্চ সুৰ আৰু সুৰাৰ ৰাগিৰে পাৰ্টি কৰাৰ বিজতৰীয়া সংস্কৃতি-পৰম্পৰা গঢ়ি উঠিছে কিয় আৰু কেনেকৈ?

য'ত আমাৰ সংস্কৃতি আৰু সনাতন সংস্কাৰত সাধাৰণ দিন এটাৰ আৰম্ভণি ব্ৰহ্ম মুহূৰ্তৰ শোৱা পাটিৰ পৰা ভৰি নমায়েই ধৰিত্ৰীক সেৱা, সূৰ্যোদয়ৰ সূৰ্য প্ৰণাম বা নমস্কাৰ কৰাৰ দ্বাৰা হয় সেই সমাজত বহিৰাগত: কথিত নতুন বৰ্ষক মধ্য ৰাতিৰ আন্ধাৰতে স্বাগতম জনোৱা আৰু অজান অজ্ঞাত উল্লাসত সূৰ্য ডুবাৰ দৰেই ডুব যোৱা কিমান সঠিক সংগত বাৰু?

এইটো কেৱল ধৰ্মীয় মান্য তাই নহয়, আধুনিক বিজ্ঞানেও প্ৰমাণ কৰিছে যে পৃথিৱীয়ে আহ্নিক গতিৰে নিজৰ মেৰুত এপাত ঘূৰিবলৈ ২৪ ঘণ্টা সময় লয়। য'ত ১২ ঘণ্টাৰ দিন আৰু ১২ ঘণ্টাৰ ৰাতি হয়। এটি নতুন দিনৰ উদয় হয় আৰু এটি তাৰিখ বদলি হয়। আৰু পৃথিৱীয়ে যেতিয়া বাৰ্ষিক গতিৰে সূৰ্যৰ এক চক্ৰ পূৰ্ণ কৰে তেতিয়া সময় লয় মূলতঃ ৩৬৫ দিনদিন আৰু এই কাল খণ্ডতে ঋতু পৰিৱৰ্তনৰ এক প্ৰক্ৰিয়াও পূৰ্ণ হয়। অৰ্থাৎ নববৰ্ষৰ আগমন বৈজ্ঞানিক দিশেৰেও পৃথিৱীয়ে সূৰ্যৰ এক পৰিক্ৰমা পূৰ্ণ কৰি নতুন পৰিক্ৰমা আৰম্ভণি কৰাৰ লগতে নৱ ঋতুৱে প্ৰকৃতিক সজাই তোলাৰ সৈতে প্ৰাৰম্ভিক অৱস্থা।

সম্পূৰ্ণ ভাৰততে সনাতনী, শিখ আৰু বৌদ্ধধৰ্মাম্বী সকলে নৱবৰ্ষ এই চক্ৰৰ পূৰ্ণ হ'লেই বিভিন্ন নামেৰে যেনে-আমাৰ অসমত বহাগ বিহু, বংগত পহিলা বৈচাগু, পাঞ্জাৱত বৈশাখী, মণিপুৰত সজিবু নোংগমা, কৰ্ণাটকত যুগাদি, তেলেগু সকলে উগাদি, তামিল সকলে 'পুথাণ্ডু' বা 'ভাৰুদা পিৰাপ্পু' নামে, মহাৰাষ্ট্ৰত গুড়ীপৰ্বা, সিন্ধি সমাজত চৈত্ৰী চাঁন্দ, কাশ্মীৰি পণ্ডিত সকলে নৱৰেহ নামে উদযাপিত কৰে। নাম ভিন্ন হ'লেও তিথি একেই, ঋতু কালো একেই "বসন্ত"। চ'তৰ শুক্লা প্ৰতিপদৰ দিন হিন্দু পঞ্জিকা অনুসৰি সৃষ্টিৰ প্ৰথম দিন, নৱবৰ্ষৰ প্ৰথম দিন, নৱৰাত্ৰিৰ প্ৰথম দিন। ইয়াৰোপৰি আমাৰ চুবুৰীয়া দেশ-থাইলেণ্ড, লাওচ, কম্বোডিয়া, ম্যানমাৰ, শ্ৰীলংকা, ভিয়েটনাম আৰু চীনৰ জিচুয়াংবান্নাৰ সমতুল্য বৌদ্ধ কেলেণ্ডাৰ আধাৰিত নৱ বৰ্ষ উৎসৱৰ সৈতে সম্পৰ্কিত। সামূহিকভাৱে ইয়াক "চংক্ৰন" বুলি কোৱা হয়।

আদিম অঘৰী জীৱন ত্যাগ কৰি বিকাশৰ পথে সামাজিক জীৱন আৰু মানৱ সভ্যতা গঢ়ি তোলা মানুহে ক'ত, কেতিয়া নৱবৰ্ষৰ উদ্‌যাপন আৰম্ভ হৈছিল সঠিককৈ কোৱা সম্ভৱ নহয়। অজ্ঞাত অতীতত মানুহে প্ৰকৃতিৰ ৰূপৰ ভিন্নতা দেখি আৰু শস্য বোৱা-চপোৱাৰ কৃষিকালৰ সময়ক ভাগ কৰিছিল ঋতুৰ ৰূপত। কালক্ৰমত এইধৰণৰ ভিন্নতাৰ চক্ৰকাৰ গতিও তেওঁলোকে হয়তো লক্ষ্য কৰিছিল। এইদৰে এই ঋতুৰ গণনাচক্ৰক তেওঁলোকে ধৰি ল'লে বছৰ হিচাপে। এটা বছৰ কালৰ অতল গৰ্ভত হেৰাই যোৱা নোযোৱাৰ মাজতেই মানুহৰ জীৱন সমক্ষত আৱিৰ্ভূত হয় নতুন আন এটা বছৰ। নতুনক লৈ মানুহে দেখুৱাই অহা আগ্ৰহ আৰু আন্তৰিকতাৰ ফলস্বৰূপে আৰম্ভণিৰ উৎসৱত মতলীয়া হৈ পৰে। সমাজপ্ৰিয় মানুহৰ এই অদ্ভুত, চমৎকাৰ ইচ্ছাৰ ৰূপায়ণৰ ফলত নৱবৰ্ষ উৎসৱৰ আৰম্ভণি হয়। বছৰৰ নতুন এই দিনটোক সাদৰ অভ্যৰ্থনা জনোৱাৰ আয়োজন অকল সু-প্ৰাচীনেই নহয় বৰং সম্ভৱত ই পৃথিৱীৰ ইতিহাসত মানৱ সমাজে পালন কৰা আটাইতকৈ পুৰণি উৎসৱ। আদি গ্ৰন্থ বেদ আৰু পুৰাণ কাহিনীত বসন্ত কালতেই নতুন বৰ্ষ আৰম্ভণি হোৱাৰ স্পষ্ট আভাস পোৱা যায়। সেয়েহে ভাৰতীয় সভ্যতাৰ সমানেই সুপ্ৰাচীন নৱবৰ্ষ উদযাপনৰ ইতিহাস। ইয়াৰোপৰি পৃথিৱীৰ অন্য প্ৰাচীন সভ্যতাতো বসন্ত কালতেই নৱবৰ্ষ উদযাপনৰ ইতিহাস পোৱা যায়। যেনে-চীনা সভ্যতাত সৌৰবৰ্ষৰ সলনি চান্দ্ৰবৰ্ষ প্ৰচলিত আছিল। চান্দ্ৰবৰ্ষ অনুসৰি নৱবৰ্ষ পালিত হৈছিল ১৭ জানুৱাৰীৰ পৰা ১৯ জানুৱাৰীৰ মাজৰ পূৰ্ণিমাৰ দিনটোত আৰু এতিয়াও এই নিয়ম প্ৰচলিত।

প্ৰাচীন পাৰস্য বা ইৰাণত নৱবৰ্ষ উদযাপিত হৈছিল বসন্তকালৰ প্ৰথম দিৱসত। আজিৰ তাৰিখতো সেই প্ৰথাই বিদ্যমান। ইৰাণীসকলে পালন কৰা নৱবৰ্ষৰ এই উৎসৱ 'নৱৰোজ' নামেৰে সুবিখ্যাত। নৱৰোজ মানে নতুন দিন।

মেছোপটেমিয়াতো চুমেৰীয়সকলে নৱবৰ্ষ উদযাপিত কৰিছিল বসন্তকালতেই। মেছোপটেমিয়াত এই উৎসৱ পালিত হৈছিল 'আকিটো' নামেৰে। আমাৰ নৱবৰ্ষ উদ্‌যাপনৰ ইতিহাস যিদৰে প্ৰাচীন ঠিক তেনেদৰে ১ জানুৱাৰীক নৱবৰ্ষ ৰূপে পালন কৰা বহু প্ৰাচীন নহয়, মাত্ৰ ৮০০ বছৰহে হৈছে। বিভিন্ন সূত্ৰমতে, আধুনিক বিশ্বত ১ জানুৱাৰীক নৱবৰ্ষ হিচাপে প্ৰচলিত কৰাৰ ক্ষেত্ৰত "ৰিপাবলিক অফ ভেনিচ" (দেশখন ১৭৯৭ চনত ধ্বংসপ্ৰাপ্ত হয়) নামৰ দেশখনে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। কাৰণ ১৫২২ চনৰ পৰাই এই দিনটোক বছৰৰ প্ৰথম দিন হিচাপে গণনা কৰিবলৈ আৰম্ভ কৰিছিল। পিছলৈ ১৫৫৬ চনত স্পেইনে, ১৫৫৯ চনত পৰ্তুগালে; ১৫৫৯ পৰা প্ৰুছিয়া আৰু চুইডেনে; ১৫৬৪ ত ফ্ৰান্সে; ১৭০০ চনৰ পৰা ৰাছিয়াই এই ৰীতি অনুসৰণ কৰিছিল।

আমাৰ অসমীয়া সমাজ জীৱনতো বসন্ত কালত উদ্‌যাপিত এই নৱবৰ্ষক স্বাগতম কেৱল আমি জনসাধাৰণেই নহয়, প্ৰকৃতি আৰু আমাৰ জীৱন প্ৰবৃত্তিয়েও কৰে। ঋতুৰাজ বসন্তই ন কইনাৰ দৰেই অপৰূপ ৰূপত প্ৰকৃতিক সজাই তোলে, কুলি-কেতেকীৰ মিঠামাত চেহেনোই হৈ বাজে, বন-বিৰিখত ন কুঁহিপাত ওলাই, নানা বিধ সুন্দৰ ফুল ফুলি উঠে, বাসন্তী পক্ষীৰ সুমধুৰ কল্লোলিনীয়ে মন মনতলীয়া পৰিবেশত মধুৰ ৰস মিলাই প্ৰাণত আনন্দৰ সঞ্জীৱনী ঢালে। তাঁতৰ শালত শিপিনীৰ চেনেহৰ মাকোঁ দৌৰে বুটা বাচি, মৰমৰ সপোন ৰচি। কাউৰী পুৱাতে ঢেঁকীৰ শালত জা-জলপানৰ খুন্দা-ভজাৰ খদমদম লাগে। ঢোল-পেঁপাৰ মাতত মনৰ মাজত অনাবিল আনন্দৰ পুলক জাগে। মুঠতে স্বতঃস্ফূৰ্ত আনন্দ উল্লাস আৰু সুন্দৰতাৰ অকৃত্ৰিম পয়োভৰ। লগতে বাপুতিসাহোন সংস্কাৰ সংস্কৃতি আছেই।



কিন্তু, এই সকলোবোৰ থাকোঁতেও, কৰোঁতেও আমাৰ সমাজত ৩১ডিচেম্বৰৰ দুপৰ ৰাতিলৈ পুৰণি বৰ্ষ বিদায়, নতুন বৰ্ষ আদৰণি জনাই আনন্দ কৰা, ১ জানুৱাৰীত মদ মাংস খাই নৱবৰ্ষৰ প্ৰীতি উৎসৱত মচগুল হোৱা, বন্ধু বৰ্গ আৰু আত্মীয়ক ঢেৰ এসোপা "হেপ্পী নিউ ইয়েৰ" ৰ শুভেচ্ছা আৰু শুভকামনা জ্ঞাপন কৰা আশ্চৰ্যকৰেই নহয়, দুৰ্ভাগ্যজনক বুলিয়ে ক'ব পাৰি।

কিয়নো আজিও আমাৰ প্ৰতিজন অসমীয়াই লাগিলে তেওঁ চহা-দুখীয়াই হওক অথবা ধনী, পঢ়া লিখা উচ্চ শিক্ষিতেই হওক অথবা নপঢ়া অনাখৰী অথবা সুদূৰৰ প্ৰবাসীয়েই হওক গোটেই বছৰ জুৰি নতুন বছৰ বুলি বহাগলৈকে বাট চাই থাকে হেঁপাহৰে। বহুতো শুভ কৰ্ম কৰিবলৈ হাবিয়াস ৰাখে ব'হাগলৈ।

যদিহে আমি চাওঁ দেখিম যে- বিশ্বায়নৰ ফলত আমি যদিও তাৰিখ হিচাপে ইংৰাজী গ্ৰেগৰিয়ান কেলেণ্ডাৰ ব্যৱহাৰ কৰো, তথাপিও আমাৰ সকলোবোৰ শুভ কৰ্ম যেনে-বিবাহ, গৃহপ্ৰৱেশ, গৃহাৰম্ভ, বৃত্তি-ব্যৱসায় আৰম্ভণি, গৰ্ভধাৰণ, উপনয়ন ইত্যাদিৰ উপৰিও সকলো পৰ্ব আৰু তিথি আমাৰ হিন্দু পঞ্জিকা তথা সৌৰ বা চন্দ্ৰসৌৰ কেলেণ্ডাৰ অনুসৰি অনুষ্ঠিত বা পালন কৰো। প্ৰাচীন ভাৰতত চলি অহা যিকেইটা অব্দ প্ৰচলিত আছিল সেইয়া হৈছে বিক্ৰমাব্দ, শতাব্দ, বঙ্গাব্দ আৰু গুপ্তাব্দ। এই সকলোবোৰ অব্দ সৌৰ বছৰভিত্তিক। অসমীয়া, বঙালী, গুজৰাটী তথা হিন্দীভাষী লোকসকলে ব্যৱহাৰ কৰা বৰ্ষ পঞ্জিকাত নৱবৰ্ষৰ ভিন্নতা থাকিলেও এই বৰ্ষ পঞ্জিকাৰ মাহবোৰ হৈছে চান্দ্ৰমাহ (তিথি ভিত্তিক) আৰু বছৰ হৈছে সৌৰবৰ্ষ। হিন্দুসকলৰ ধৰ্মীয় অনুষ্ঠান সমূহ ঋতুভিত্তিক তথা তিথিকেন্দ্ৰিক। যেনে-দুৰ্গা পূজা, মকৰ সংক্ৰান্তি বা মাঘ বিহু, ফল্গু উৎসৱ ইত্যাদি।

যেতিয়া নেকি গোটেই বৰ্ষ, গোটেই জীৱন আমি শুভ-মাংগলিক কাজ-কৰ্মৰ বাবে আমাৰ নিজৰ পৰম্পৰাগত আস্থাৰ বৈজ্ঞানিক ভিত্তিৰ কেলেণ্ডাৰ তথা পঞ্জিকাক গুৰুত্বতা আৰু মান্যতা প্ৰদান কৰো, তেনেস্থলত শুভ নৱবৰ্ষ বাবে সেই আস্থা সংস্কাৰ পৰম্পৰা মান্যতাৰ কেলেণ্ডাৰ তথা পঞ্জিকাক আৰু বসন্তৰ জনজীৱনৰ আনন্দ বন্যা আৰু ঐক্য এনাজৰীৰ অনন্য মাত্ৰাক পাহৰি অথবা সৌৰ বা চন্দ্ৰসৌৰ কেলেণ্ডাৰ পৰিহাৰ কৰি ইংৰাজী গ্ৰেগৰিয়ান কেলেণ্ডাৰক তথা কেৱল গোলকীয় বিশ্বৰ ব্যৱহাৰিক তাৰিখ এটাক অপৰিসীম গুৰুত্ব দিওঁ কিয়? কিয় নৱবৰ্ষ বুলি অনাহকত আনন্দ কৰো? কিয় নিজৰ সংস্কাৰ-সংস্কৃতিক পৰিহাস কৰি অপ-সংস্কৃতিক বুকুৰ কোণত ঠাই দিওঁ? কিয়? এইয়া আমাৰ অজ্ঞতা নে অজ্ঞানতা? হীন ভাবনা নে আধুনিকতাৰ কুটিল গ্ৰাস?

উত্তৰ আমি সকলোৱে স্বয়ং নিজেই বিচাৰিব লাগিব। কিয়নো কথা কেৱল ইংৰাজী গ্ৰেগৰিয়ান কেলেণ্ডাৰৰ নৱবৰ্ষৰ বিৰোধিতা অথবা সমৰ্থন কৰাই নহয়। মই নিজেও পেশাগত কাৰণত ইংৰাজী কেলেণ্ডাৰেই ব্যৱহাৰ কৰো। কিন্তু কথা হ'ল আমাৰ স্বকীয় আত্মপৰিচয় ঐতিহ্য সংস্কাৰ সংস্কৃতি পৰম্পৰা আৰু প্ৰমাণিকতা। এইখিনিতে এটা কথা প্ৰাসংগিক যে- ইংৰাজী গ্ৰেগৰিয়ান কেলেণ্ডাৰ ব্যৱহাৰ কৰা মানেই ইংৰাজী তথা পাশ্চাত্য সংস্কৃতি গ্ৰহণ কৰা নহয়। তাৰ উদাহৰণ ইজৰাইল। পাশ্চাত্য দেশৰ লগতে ওত: প্ৰোতভাৱে সম্পৰ্কিত যদিও ইহুদি দেশ ইজৰাইলে গ্ৰেগৰিয়ান কেলেণ্ডাৰ অনুসৰণ কৰে যদিও ইংৰাজী নৱবৰ্ষ পালন নকৰে। ইহুদীসকলৰ বিভিন্ন ধৰ্মীয় গোষ্ঠীয়ে অ-ইহুদী (non jewish)উৎসৱ পৰা উদ্ভৱ হোৱা ৰীতি-নীতি পালনৰ বিৰোধিতা কৰে। মধ্য আৰু পশ্চিম এচিয়াৰে আকৌ কিছু দেশে আজিও গ্ৰেগৰীয়ান বৰ্ষপঞ্জিকাক গ্ৰহণ কৰা নাই। যেনে চৌদি আৰৱ, নেপাল, ইৰাণ, ইথিওপিয়া আৰু আফগানিস্তান। এইবোৰ দেশত কেতিয়াও ইংৰাজী নৱবৰ্ষ পালন নকৰে। কিন্তু, অতীতৰ পৰাই নিজৰ সভ্যতা-সংস্কৃতিৰ ওপৰত গৰ্বিত ভাৰতীয় তথা স্বকীয় গৰিমাৰে পৰিচিত ৰহনীয়া কৃষ্টি আৰু সংস্কাৰ গৰাকী অসমীয়া সমাজ জাতিয়ে কিহৰ তাড়নাত ইংৰাজী নৱবৰ্ষক নিজৰ সংস্কাৰ সংস্কৃতিৰ অংগ কৰিবলৈ ধৰিছে?

ইয়াৰ বিপৰীতে যেতিয়া আমি পশ্চিমীয়া সংস্কৃতি অনুসৰণ কৰো তাৰ বাবে ক'ৰবাত নহয় ক'ৰবাত আমাৰেই ভুল আছে, য'ত আমি নিজৰ যথোচিত পৰম্পৰা সংস্কাৰ সংস্কৃতিক সঠিক আৰু সুন্দৰ ভাৱে উপস্থাপন আৰু উদযাপন কৰাৰ লগতে নৱপ্ৰজন্মক জাতীয় জীৱনত ইয়াৰ সামাজিক সাংস্কৃতিক গুৰুত্বতা আৰু গম্ভীৰতাক সময়োপযোগী ভাৱে হস্তান্তৰ তথা গৰ্ববোধ কৰোৱাৰ ব্যত্যাৰিকে ইয়াৰ স্খলন আৰু অপমান হোৱা দেখিও দুখ-লজ্জা অনুভৱ নাই কৰা।

অসমীয়া সংস্কৃতি মানেই জনজীৱনৰ আস্থা আনন্দ আৰু ঐক্য-সম্প্ৰীতিৰ উৎসৱ আৰু পৰ্ব ৰ সংস্কৃতি। য'ত ঋতুৱে প্ৰতি প্ৰত্যেক শুভ দিন এটি উৎসৱ-পৰ্ব হয়, যাৰ লোক বিশ্বাস আৰু বৈজ্ঞানিক আধাৰ পঞ্জিকা মতে হয়। কিন্তু যেতিয়া পশ্চিমীয়া সংস্কৃতিৰ কথা আহে তাত নৱবৰ্ষৰ কোনো বৈজ্ঞানিক আধাৰ নাই। আছে কেৱল খ্ৰীষ্টান ধৰ্মৰ আৰু ধৰ্মগুৰুৰ নিজস্ব চিন্তা- সিদ্ধান্ত।

নিজৰ ঐতিহ্য পূৰ্ণ সমাজৰ প্ৰতি নিজৰ স্বকীয় সংস্কৃতিৰ প্ৰতি আৰু নিজৰ উত্তৰসূৰীৰ প্ৰতি আমাৰ সকলোৰে কিছু কৰণীয় কৰ্তব্য আছে। মাতা-পিতা হিচাপে নিজৰ সন্তানক নিজৰ সংস্কাৰ সংস্কৃতিৰে সুন্দৰ উদাহৰণ দাঙি ধৰা আৰু বিদেশী সংস্কৃতিৰ কুটিল গ্ৰাসৰ পৰা বচাই ৰখাৰ যত্ন কৰা। শিক্ষা গুৰু, বন্ধু হিচাপে নিজৰ ছাত্ৰ আৰু বন্ধু জনক নিজৰ স্বকীয় সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা আস্থা আৰু অনুৰাগ জগাই তোলা। সময় আহিল এই শুভ কাম আমাৰ নিজৰ সংস্কাৰ আৰু বৈজ্ঞানিক ভাৱনাৰে পৰিপুষ্ট নৱবৰ্ষক তনে-মনে আকোঁৱালি, উদ্‌যাপন কৰি, নতুন প্ৰজন্মকো অনুৰক্তি অনুপ্ৰাণিত কৰি তুলি আৰু অবৈজ্ঞানিক বিদেশী অপ-সংস্কৃতিৰ ইংৰাজী নৱবৰ্ষৰ উল্লাস উদ্‌যাপন বিসৰ্জন দি এটি স্বকীয় সংস্কাৰ সুন্দৰ জাতীয় সংস্কৃতিৰ চেতনাৰে উদ্বুদ্ধ হওঁ।

---

## টকাৰ তাল আৰু সংগীতৰ সুৰ

# কনচাৰ্ট অৰ্থনীতিৰ যোগেদি অসমৰ অৰ্থনৈতিক উত্থান

**চন্দন কুমাৰ নাথ**

আজিৰ বিশ্বত, অৰ্থনীতি কেৱল কৃষি, শিল্প বা সেৱা খণ্ডতে সীমাবদ্ধ নহয়। ইয়াৰ পৰিসৰ বিস্তৃত হৈ সংস্কৃতি আৰু মনোৰঞ্জনৰ দৰে অগতানুগতিক ক্ষেত্ৰলৈও বিয়পি পৰিছে। এই বৰ্ধিত পৰিসৰৰ এক গুৰুত্বপূৰ্ণ অংশ হ'ল কনচাৰ্ট অৰ্থনীতি (Concert Economy)। মূলতঃ বৃহৎ সংগীতানুষ্ঠান বা লাইভ শ্ব'সমূহৰ কেন্দ্ৰ কৰি গঢ় লৈ উঠা এই অৰ্থনৈতিক ব্যৱস্থাই এখন ঠাইৰ সাংস্কৃতিক, পৰ্যটন আৰু বিত্তীয় ক্ষেত্ৰত এক উল্লেখনীয় প্ৰভাৱ পেলায়। অসমৰ ৰাজধানী গুৱাহাটীয়েও শেহতীয়াকৈ আন্তঃৰাষ্ট্ৰীয় পপষ্টাৰ প'ষ্ট মেলনৰ এক বিশাল কনচাৰ্টৰ সফল আয়োজনৰ যোগেদি এই নতুন অৰ্থনৈতিক ধাৰাত ভৰি দিছে, যিটো আমাৰ ৰাজ্যৰ বাবে এক গুৰুত্বপূৰ্ণ সন্ধিক্ষণ।

কনচাৰ্ট অৰ্থনীতি হ'ল এক এনেকুৱা অৰ্থনৈতিক পৰিস্থিতিতন্ত্ৰ য'ত ডাঙৰ লাইভ সংগীত কাৰ্যসূচীসমূহে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে অৰ্থনৈতিক কাৰ্যকলাপৰ সৃষ্টি কৰে। এই ব্যৱস্থা কেৱল টিকট বিক্ৰীৰ পৰা আহৰণ কৰা ৰাজস্বতে আবদ্ধ নাথাকে, বৰঞ্চ ইয়াৰ এক বিস্তৃত পৰোক্ষ প্ৰভাৱো আছে। উদাহৰণস্বৰূপে, এজন আন্তঃৰাষ্ট্ৰীয় শিল্পীয়ে যেতিয়া কনচাৰ্ট কৰিবলৈ আহে, তেতিয়া তেওঁৰ সৈতে অহা শ্ৰোতা, অনুৰাগী আৰু কৰ্মচাৰীৰ দলে স্থানীয় হোটেল, ৰেষ্টুৰেণ্ট, পৰিবহণ সেৱা (কেব, টেটি), সামগ্ৰী বিক্ৰেতা, আৰু মনোৰঞ্জন উদ্যোগৰ সৈতে জড়িত অন্যান্য সেৱাসমূহকো লাভান্বিত কৰে। এনে কনচাৰ্টৰ আয়োজনৰ বাবে ভৱিষ্যতে স্থানীয় কলা-কুশলী, ইভেণ্ট মেনেজমেণ্ট কোম্পানী, নিৰাপত্তা কৰ্মী, আৰু লাইটিং-চাউণ্ড টেকনিচিয়ান আদিৰ বাবে নতুন কৰ্মসংস্থাপনৰ সুযোগো সৃষ্টি হয়। কনচাৰ্ট অৰ্থনীতিক এক ধৰণৰ সাংস্কৃতিক পৰ্যটন (Concert Tourism) হিচাপেও গণ্য কৰা হয়, য'ত দৰ্শকে কেৱল অনুষ্ঠান উপভোগ কৰিবলৈ নহয়, লগতে সেই স্থানৰ পৰ্যটনস্থলীসমূহো ভ্ৰমণ কৰে।

শেহতীয়াকৈ গুৱাহাটীৰ খানাপাৰাস্থিত পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হোৱা বিশ্ববিখ্যাত আমেৰিকান ৰেপাৰ প'ষ্ট মেলনৰ কনচাৰ্টটোৱে অসমৰ কনচাৰ্ট অৰ্থনীতিৰ বাবে এক মাইলৰ খুঁটি হিচাপে চিহ্নিত হৈছে। কিয়নো, এইটোৱে অসম চৰকাৰে গ্ৰহণ কৰা নতুন 'কনচাৰ্ট পৰ্যটন নীতি' (Concert Tourism Policy) ৰ অধীনত অনুষ্ঠিত হোৱা প্ৰথমটো বৃহৎ আন্তঃৰাষ্ট্ৰীয় কাৰ্যসূচী। প্ৰাপ্ত বাতৰি অনুসৰি, এই কনচাৰ্টৰ ২০, ০০০ ৰো অধিক টিকট বিক্ৰী হৈছিল। এই কনচাৰ্টৰ বাবে কেৱল অসমৰ পৰাই নহয়, মেঘালয়, নাগালেণ্ড, অৰুণাচল প্ৰদেশ, আনকি দিল্লী আৰু গুজৰাটৰ পৰা দৰ্শকৰ আগমন ঘটিছিল। ইয়াৰ ফলত চহৰখনৰ হোটেল, হোমষ্টে আৰু ৰেষ্টুৰেণ্টসমূহত দৰ্শকৰ ভীৰ বৃদ্ধি পাইছিল, যাৰ ফলত স্থানীয় অৰ্থনীতিত এক তাৎক্ষণিক বিত্তীয় জোঁৱাৰ সৃষ্টি হৈছিল। উদাহৰণস্বৰূপে, আজাৰা অঞ্চলৰ কেইবাখনো হোমষ্টে আগন্তুক এসপ্তাহৰ বাবে সম্পূৰ্ণৰূপে বুক হৈ যোৱাৰ খবৰ পোৱা গৈছে।

এই অনুষ্ঠান সন্দৰ্ভত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যও বিশেষভাৱে উল্লেখযোগ্য। তেওঁ স্পষ্ট কৰি দিছিল যে চৰকাৰে এই কনচাৰ্টৰ বাবে কোনো বিত্তীয় সাহায্য আগবঢ়োৱা নাই, কিন্তু এই ধৰণৰ অনুষ্ঠানে স্থানীয় অৰ্থনীতিত গুৰুত্বপূৰ্ণভাৱে সহায় কৰে। তেওঁ আশা প্ৰকাশ কৰিছিল যে প'ষ্ট মেলনৰ দৰে ৪-৫টা এনেধৰণৰ শ্ব'ৰ পিছত গুৱাহাটীও শ্বিলঙৰ দৰে কনচাৰ্ট অৰ্থনীতিৰ এক শক্তিশালী কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিব পাৰে। তেওঁ অনাগত দিনত বিশ্বখ্যাত শিল্পী যেনে শ্বাকিৰাকো গুৱাহাটীলৈ আমন্ত্ৰণ জনোৱাৰ পৰিকল্পনাৰ ইংগিত দিছিল।

> প'ষ্ট মেলনৰ কনচাৰ্ট গুৱাহাটীৰ বাবে এক শক্তিশালী বাৰ্তা বহন কৰিছে যে চহৰখন বিশ্ব মানচিত্ৰত এক সাংস্কৃতিক আৰু অৰ্থনৈতিক কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিবলৈ সাজু হৈছে। কনচাৰ্ট অৰ্থনীতিৰ সফলতাৰ বাবে চৰকাৰী নীতি, ব্যক্তিগত খণ্ডৰ বিনিয়োগ, আৰু স্থানীয় সহযোগিতাৰ এক সুস্থিৰ মিশ্ৰণ অতি আৱশ্যক।

অসম চৰকাৰে মেঘালয়ৰ দৰে চুবুৰীয়া ৰাজ্যৰ সফলতাৰ পৰা অনুপ্ৰাণিত হৈ কনচাৰ্ট পৰ্যটন নীতি গ্ৰহণ কৰিছে। মেঘালয়ে ব্ৰায়ান এডামছৰ দৰে শিল্পীৰ কনচাৰ্ট আয়োজন কৰি এই ক্ষেত্ৰত ইতিমধ্যেই নিজকে প্ৰতিষ্ঠা কৰিছে। অসমৰ এই নীতিৰ মূল উদ্দেশ্য হৈছে আগশাৰীৰ বিশ্বব্যাপী কনচাৰ্ট আয়োজকসকলক অসমত বৃহৎ পৰিসৰৰ অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ উৎসাহিত কৰা। এই নীতিৰ অধীনত আয়োজকসকলক 'ভায়েবিলিটি গেপ ফাণ্ডিং' (Viability Gap Funding - VGF) হিচাপে ৫ কোটি টকালৈকে বিত্তীয় সাহায্য প্ৰদান কৰা, আৰু নিৰাপত্তা, জনতা নিয়ন্ত্ৰণ, আৰু ট্ৰেফিক নিয়ন্ত্ৰণৰ বাবে আইন প্ৰয়োগকাৰী সংস্থাকে ধৰি বিভিন্ন চৰকাৰী সংস্থাৰ সৈতে সমন্বয় সাধন কৰাৰ সুবিধা প্ৰদান কৰা হ'ব। এই প্ৰচেষ্টাসমূহে অসমক এক প্ৰধান মনোৰঞ্জন গন্তব্যস্থান হিচাপে গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰিছে। গুৱাহাটীৰ বাবে কনচাৰ্ট অৰ্থনীতি কেৱল মনোৰঞ্জনৰ এক মাধ্যমেই নহয়, ইয়াৰ এক কৌশলগত অৰ্থনৈতিক প্ৰভাৱো আছে। টিকট, খাদ্য আৰু পানীয়ৰ বিক্ৰী, স্থানীয় সামগ্ৰীৰ বেহা, আৰু পৰিবহণ সেৱাৰ জৰিয়তে বৃহৎ পৰিমাণৰ ধনৰ আৱৰ্তন হয়, যি ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদনত (GSDP) অৰিহণা যোগায়। আন্তঃৰাষ্ট্ৰীয় বা ৰাষ্ট্ৰীয় পৰ্যায়ৰ কনচাৰ্টসমূহে অসমক বিশ্ব মানচিত্ৰত এক সাংস্কৃতিক গন্তব্যস্থান হিচাপে প্ৰতিষ্ঠা কৰে, যাৰ ফলত ধৰ্মীয়, বন্যপ্ৰাণী বা সাংস্কৃতিক পৰ্যটনৰ বাহিৰেও নতুন পৰ্যটকৰ আগমন হয় আৰু ইভেণ্ট মেনেজমেণ্ট, আতিথ্য, নিৰাপত্তা, আৰু বিক্ৰী সেৱা আদি খণ্ডত অস্থায়ী আৰু স্থায়ী উভয় প্ৰকাৰৰ কৰ্মসংস্থাপনৰ সৃষ্টি হয়। ডাঙৰ অনুষ্ঠানৰ বাবে উপযুক্ত স্থান, উন্নত পৰিবহণ আৰু যোগাযোগ ব্যৱস্থাৰ প্ৰয়োজনীয়তাই চহৰখনৰ আন্তঃগাঁথনিৰ উন্নয়নত সহায় কৰে।

প'ষ্ট মেলনৰ কনচাৰ্ট গুৱাহাটীৰ বাবে এক শক্তিশালী বাৰ্তা বহন কৰিছে যে চহৰখন বিশ্ব মানচিত্ৰত এক সাংস্কৃতিক আৰু অৰ্থনৈতিক কেন্দ্ৰ হিচাপে আত্মপ্ৰকাশ কৰিবলৈ সাজু হৈছে। কনচাৰ্ট অৰ্থনীতিৰ সফলতাৰ বাবে চৰকাৰী নীতি, ব্যক্তিগত খণ্ডৰ বিনিয়োগ, আৰু স্থানীয় সহযোগিতাৰ এক সুস্থিৰ মিশ্ৰণ অতি আৱশ্যক। যদি এই ধাৰা অব্যাহত থাকে, তেন্তে গুৱাহাটীয়ে সোনকালেই উত্তৰ-পূৰ্বাঞ্চলৰ এক প্ৰধান 'লাইভ মিউজিক কেপিটেল' হিচাপে আত্মপ্ৰকাশ কৰি এক সবল অৰ্থনৈতিক বুনিয়াদ গঢ়ি তুলিব পাৰিব।

### উত্তেজিত ৰাইজে লণ্ডভণ্ড কৰিলে ধাৱা

# ৰূপহীহাটৰ চিগনেচাৰ ফুড ভিলা ধাবাত উত্তপ্ত পৰিস্থিতি

## অনৈতিক কাৰ্যত লিপ্ত থকাৰ অভিযোগত দুই মহিলাক আটক

**অসম বাৰ্তা, ৰূপহীহাট, ১৩ ডিচেম্বৰ ঃ** নগাঁও -নলতলী ৰাজ্যিক ঘাই পথৰ দাঁতিত অৱস্থিত একাংশ ধাবাৰ লগতে নগাঁও বাইপাছৰো একাংশ ধাবাত নাৰী দেহৰ ৰমৰমীয়া বেহা চলাই থকাৰ অভিযোগ সঘনাই উত্থাপিত হৈ আহিছে। ৰাইজৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে মাজে সময়ে এই বিশেষ ধাৰা সমূহত অভিযান চলাই অনৈতিক কাৰ্যত লিপ্ত একাংশ যুৱক- যুৱতীৰ লগতে ধাৱাৰ স্বত্বাধিকাৰীকো গ্ৰেপ্তাৰ কৰিছে যদিও এই দুষ্কাৰ্য বন্ধ হোৱা নাই। ৰূপহীহাটৰ ঔঅনাত তেনে এখন ধাৱাত আজি বিয়লি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। ৰূপহীহাটৰ ঔঅনাৰ ছিগনেচাৰ ফুড ভিলা নামৰ ধাবাখনত অসামাজিক কাৰ্যকলাপ চলাই থকাৰ অভিযোগ তুলি স্থানীয় একাংশ লোকে সৃষ্টি হয় এই উত্তপ্ত পৰিস্থিতিৰ। অভিযোগ অনুসৰি, ধাবাখনত দীৰ্ঘদিনধৰি অনৈতিক কাৰ্যকলাপ চলাই আহিছিল। ধাবাখনত প্ৰতিদিনে বিভিন্ন ঠাইৰ পুৰুষ আৰু মহিলা আহি অনৈতিক কাৰ্যত লিপ্ত হয়। যাৰ বাবে বৃহত্তৰ অঞ্চলটোৰ লৰা- ছোৱালীৰ মাজতো বেয়া প্ৰভাৱ পৰে। স্থানীয় ৰাইজে ধাবাৰ মালিকক কেবাবাৰো কোৱাৰ পিছতো এই অনৈতিক কাৰ্য বন্ধ নকৰিলে। যাৰ বাবে আজি প্ৰায় অৰ্ধ শতাধিক ৰাইজে ধাবাখন ঘেৰাও কৰি চাৰিগৰাকী মহিলাক অনৈতিক কাৰ্যত লিপ্ত থকা অৱস্থাত আটক কৰে। লগে লগে উত্তেজিত ৰাইজে ধাবাখনৰ চকী, মেজ আৰু বিভিন্ন আজৱাব ভাঙি লণ্ডভণ্ড কৰে। পাছত ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ধাবাখনৰ পৰা আৰক্ষীয়ে দুগৰাকী মহিলাক আটক কৰে যদিও ধাবাখনৰ মালিক আৰু আন দুগৰাকী মহিলা পলাই যায়। ঘটনাক কেন্দ্ৰ কৰি ঔঅনাত তীব্ৰ উত্তেজনা বিৰাজ কৰিছে। ৰূপহীহাট আৰক্ষীয়ে ধৃত মহিলা দুগৰাকীক জেৰা অব্যাহত ৰাখিছে।

### অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যন সহযোগত কেন্সাৰ ৰোগৰ সজাগতা

# টংলাৰ নেচনেল প্ৰায়নিয়াৰ চিনিয়ৰ চেকণ্ডাৰী স্কুলৰ উদ্যোগ

**অসম বাৰ্তা, টংলা, ১৩ ডিচেম্বৰ ঃ** ওদালগুৰি জিলাৰ টংলাৰ এখনি অন্যতম শিক্ষানুষ্ঠান নেচনেল প্ৰায়নিয়াৰ চিনিয়ৰ চেকণ্ডাৰী স্কুলত আজি অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যন দৰং কৰ্কট কেন্দ্ৰৰ তৰফৰপৰা কেন্সাৰ ৰোগৰ সজাগতা সভা অনুষ্ঠিত হয়। প্ৰায় শতাধিক ছাত্ৰ ছাত্ৰী অংশগ্ৰহণ কৰা সজাগতা সভাত অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যন দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক আৰু কৰ্মচাৰী সকলে শিক্ষানুষ্ঠান খনৰ শিক্ষক কৰ্মচাৰী আৰু ছাত্ৰ ছাত্ৰী সকলক স্তন কেন্সাৰ, জৰায়ু মুখৰ কেঞ্চাৰ, মুখৰ কেঞ্চাৰৰ সাৱধানতা, সজাগতা, লক্ষণ সমূহৰ বিষয়ে অৱগত কৰাৰ লগতে HPV ভেকচিনৰ বিষয়ে অৱগত কৰে। সভাত দৰং কৰ্কট কেন্দ্ৰত উপলব্ধ চিকিৎসা সেৱা সমূহৰ বিষয়ে আৰু মুখৰ কৰ্কট ৰোগ, জৰায়ু মুখৰ কৰ্কট ৰোগ স্তন কৰ্কট ৰোগৰ শংকা হ্ৰাস কৰা, সম্ভাব্য কৰ্কট ৰোগৰ লক্ষণ বা উপসৰ্গবোৰৰ ওপৰত সজাগতা, সাৱধানতা অৱলম্বনৰ ওপৰত সকলোকে অৱগত কৰে। নেচনেল প্ৰায়নিয়াৰ চিনিয়ৰ চেকণ্ডাৰী স্কুলৰ শিক্ষক ড০ নাৰায়ণ বৰাই আঁতধৰা সভাখনত দৰং কৰ্কট কেন্দ্ৰৰ ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়াই পৰিচালনা কৰে। কেঞ্চাৰ সজাগতা সভাত দৰং কৰ্কট কেন্দ্ৰত উপলব্ধ চিকিৎসা সেৱা, চিকিৎসা পৰীক্ষা সমূহৰ বিষয়ে সকলোকে অৱগত কৰে দৰং কৰ্কট কেন্দ্ৰৰ অধীক্ষক ডাঃ চৈয়দ ইফটিখাৰ চোভানীয়ে, কেঞ্চাৰ ৰোগৰ লক্ষণ, সাৱধানতা, সজাগতাৰ ওপৰত সবিশেষ আগবঢ়ায় দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ দীনেশ চন্দ্ৰ গোস্বামীয়ে, মুখৰ কৰ্কট ৰোগৰ লক্ষণ সাৱধানতা অৱলম্বনৰ ওপৰত বক্তব্য আগবঢ়াই অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ ওডালগুৰি জিলাৰ চিকিৎসক ডাঃ ৰীসৱ দেৱ লস্কৰে, জৰায়ু মুখৰ কৰ্কট, স্তন কৰ্কট ৰোগৰ লক্ষণ, সাৱধানতা, সজাগতাৰ ওপৰত বক্তব্য আগবঢ়াই অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ ওডালগুৰি জিলাৰ নাৰ্ছিং অফিছাৰ লাকী দৈমাৰীয়ে, এইচ পি ভি (HPV) ভেকচিনৰ ওপৰত সকলো দিশ সামৰি কৰ্কট ৰোগৰ লক্ষণ, সাৱধানতাৰ ওপৰত বক্তব্য আগবঢ়াই অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ ওডালগুৰি জিলাৰ জিলা সমন্বয়ক কৰেলী ঘোষে। আজি কেঞ্চাৰ সজাগতা সভাত দৰং কৰ্কট কেন্দ্ৰৰ জিলা স্বাস্থ্য বিষয়া দীপমনি শৰ্মা, অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ ওডালগুৰি জিলাৰ নাৰ্ছিং অফিছাৰ ধনশ্ৰী ডেকা, টংলা নেচনেল প্ৰায়নিয়াৰ একাডেমীৰ শিক্ষক জ্যোতিষ গোস্বামী, শিক্ষয়িত্ৰী অকণি বৰুৱা, শিক্ষক অলক কলিতা, শিক্ষয়িত্ৰী হিমাশ্ৰী বৰুৱা, শিক্ষক জাকিৰ আলম আৰু শিক্ষয়িত্ৰী চিমা বড়োৰ লগতে শিক্ষাগুৰু মণ্ডলী, কৰ্মচাৰী আৰু ছাত্ৰ ছাত্ৰী সকল উপস্থিত থাকে। দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক আৰু কৰ্মচাৰী সকলে সভাত উপস্থিত থাকি কৰ্কট ৰোগৰ লক্ষণ সাৱধানতা, সজাগতাৰ লগতে দৰং কৰ্কট কেন্দ্ৰত উপলব্ধ চিকিৎসা সেৱা, সকলো ৰোগীৰ চিকিৎসা পৰীক্ষা সমূহ ক্ৰমে কৰ্কট ৰোগীৰ চিকিৎসা ৰেডিঅ'চন থেৰাপী, কে'মো থেৰাপী আৰু সকলো ৰোগীৰ চিকিৎসা পৰীক্ষা এম আৰ আই, চিটি স্কেন, মে'মোগ্ৰাফী, এস্কৰে, তেজ পৰীক্ষা, আল্ট্ৰাচাউণ্ড, ইচিজি আদি কম খৰচত পৰীক্ষা সমূহ উপলব্ধৰ ব্যৱস্থা আছে বুলি জানিলৈ দিয়ে।

### জাগুন আৰক্ষী চকীত

উদয়পুৰৰ ৰাণা গাঁৱত আজি সংঘটিত হৈছে এক নৃশংস হত্যাকাণ্ডৰ ঘটনা। নিজ স্বামীৰ দাৰ ঘাপত প্ৰাণ গল পত্নীৰ। জানিব পৰা অনুসৰি হত্যাকাৰী স্বামীৰ নাম দেৱী বাহাদুৰ ছেত্ৰী ওৰফে চানু(৪৫) আৰু নিহত পত্নীৰ নাম নিতা ছেত্ৰী(৪০)। পত্নীক হত্যা কৰাৰ পিছতেই পলায়ন কৰে হত্যাকাৰী স্বামী দেৱী বাহাদুৰ ছেত্ৰীয়ে। ইতিমধ্যে ঘটনাস্থলীত লেখাপানী আৰক্ষীৰ দল উপস্থিত হৈ কাৰ্য্যবাহী দণ্ডাধীশৰ উপস্থিতিত সমগ্ৰ ঘটনাৰ তদন্ত আৰম্ভ কৰিছে যদিও হত্যাকাণ্ডটো অতি নৃশংস ভাৱে সংঘটিত হোৱাৰ বাবে ফৰেনচিক বিশেষজ্ঞৰ দলো ঘটনা স্থলীত আহি তীক্ষ্ণ ভাবে তদন্ত আৰম্ভ কৰিছে। তদন্তৰ খাতিৰত কোনো ব্যক্তি তথা সাংবাদিকক ঘটনা সংঘটিত হোৱা গৃহৰ ভিতৰলৈ প্ৰৱেশত বাধা আৰোপ কৰা হৈছে আৰক্ষীৰ তৰফৰ পৰা। উল্লেখ্য যে দেৱী বাহাদুৰ ছেত্ৰীয়ে নিজ পত্নীক অতি নিশংস ভাৱে হত্যা কৰি ঘৰৰ ভিতৰৰ পূজা কৰা কোঠাত ভৰাইতলা বন্ধ কৰি পলায়ন কৰে। অৱশেষত হত্যাকাৰী স্বামী জাগুন আৰক্ষী চকীত আত্মসমৰ্পণ কৰা বুলি জানিব পৰা গৈছে।

### এন টি পি চি এফ চি বনাম চেগনেন এফ চিৰ মাজত উদ্বোধনী খেল

# যতীন ইশ্বাৰী সোঁৱৰণী ফুটবল ট্ৰফীৰ আয়োজন

**অসম বাৰ্তা, বাসুগাঁও, ১৩ ডিচেম্বৰ ঃ** দ্বাদশ সংখ্যক যতীন ইশ্বাৰী সোঁৱৰণী ফুটবল ট্ৰফী, ২০২৫ ৰ প্ৰতিযোগিতা অহা ১৪ ডিচেম্বৰৰ পৰা অনুষ্ঠিত হ'ব। কোকৰাঝাৰ জিলাৰ ছালাকাটি উপ আৰক্ষী চকীৰ অন্তৰ্গত জৌহৌলাও শ্বৌম্বলা বসুমতাৰী খেলপথাৰত অনুষ্ঠিত হ'ব লগীয়া উদ্বোধনী খেলখন ছালাকাটি এন টি পি চি এফ চি বনাম আমগুৰি চেগনেন এফ চিৰ মাজত অনুষ্ঠিত হ'ব। ছালাকাটি স্পৰ্টছ প্ৰমোটৰ চছাইটিৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া চূড়ান্ত খেলখন ২১ ডিচেম্বৰত অনুষ্ঠিত হ'ব। এইকথা দ্বাদশ সংখ্যক যতীন ইশ্বাৰী সোঁৱৰণী ফুটবল ট্ৰফী, ২০২৫ উদ্যোগতা সমিতিৰ সভাপতি ৰহেন ৰায় আৰু সম্পাদক শুদ্ধোধন বসুমতাৰী স্বাক্ষৰিত এক বিবৃতিৰ জৰিয়তে জানিব পৰা গৈছে। উল্লেখযোগ্য যে আঠটা দলৰ মাজত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাৰ চূড়ান্ত বিজয়ী দলে লাভ কৰিব চল্লিশ হাজাৰ টকাৰ লগতে ট্ৰফী আৰু বিজিত দলে লাভ কৰিব পঁচিশ হাজাৰ টকাৰ লগতে ট্ৰফী। শ্ৰেষ্ঠ খেলুৱৈ আৰু শ্ৰেষ্ঠ গ'লকিপাৰে লাভ কৰিব পঁচিশ শ টকাকৈ। উদ্বোধনী আৰু চূড়ান্ত খেলত থলুৱা কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনৰ লগতে গীত-মাত অনুষ্ঠিত হ'ব। খেলত সকলোৰে উপস্থিতি আৰু সহায়-সহযোগ কামনা কৰিছে উদ্যোক্তা সমিতিয়ে।

## ৰূপহীহাটৰ কাঞ্চনপুৰত মৃতদেহ উদ্ধাৰ; চাঞ্চল্য

**অসম বাৰ্তা ৰূপহীহাট, ১৩ ডিচেম্বৰ ঃ** ৰূপহীহাটৰ কাঞ্চনপুৰত আজি দুপৰীয়া এটা মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। আজি দুপৰীয়া স্থানীয় ৰাইজে পথাৰত থকা পুখুৰী এটাত মৃতদেহ এটা পানীত ওপঙি থকা দেখি হুৱা-দুৱা লগাই গড়াজান আৰক্ষীক খবৰ দিয়ে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। উদ্ধাৰ কৰা মৃতদেহটো আমৰাকান্ধা গাঁৱৰ মানসিক বিকাৰগ্ৰস্থ মঞ্জুৱাৰা বেগম বুলি চিনাক্ত কৰা হৈছে। মানসিক বিকাৰগ্ৰস্থ মঞ্জুৱাৰা বেগম যোৱা সোমবাৰৰ পৰা সন্ধানহীন হৈ আছিল। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও মেডিকেল কলেজ হস্পিটেললৈ প্ৰেৰণ কৰে।

# গ্ৰন্থ প্ৰকাশৰ সৈতে লেখকৰ মহৎ উদ্দেশ্য জড়িত হৈ থাকে ঃ ড° জ্যোতিপ্ৰসাদ শইকীয়া




**ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ১৩ ডিচেম্বৰ ঃ** শিৱসাগৰ নগৰৰ সমীপৰ টৌমঠাদাং অঞ্চলৰ ৰঞ্জিত গগৈ সোঁৱৰণী প্ৰেক্ষাগৃহত যোৱা ১২ ডিচেম্বৰত বিয়লি এখন গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। বিশিষ্ট শিক্ষাবিদ অজিত নেওগৰ সঞ্চালনাত অনুষ্ঠিত হোৱা এই গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট লেখক অনিল গগৈৰ নৱতম উপন্যাস "মাহী আই" আনুষ্ঠানিক ভাৱে উন্মোচন কৰে যোৰহাট জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই। মাহী আই নামৰ এই গ্ৰন্থখন উন্মোচন কৰি দিয়া ভাষণত ড° জ্যোতিপ্ৰসাদ শইকীয়াই কয় যে, আজিৰ প্ৰেক্ষাপটত একক প্ৰচেষ্টাৰে এখন গ্ৰন্থ ৰচনা কৰি প্ৰকাশ কৰাটো সহজ কথা নহয়। তাৰবাবে লেখকৰ এটা সৃষ্টিশীল মন থাকিব লাগিব। মাহী আইনামৰ গ্ৰন্থ খনত সংপিক্ত হৈ থকা চেতনা, অন্তনিহিত অৰ্থ, জ্ঞানবোধ অধ্যয়ন কৰি নতুন প্ৰজন্মই এখন সমৃদ্ধিশালী সমাজ নিৰ্মাণৰ বাবে নতুন বাট মুকলি কৰি ল'বলৈ সক্ষম হ'ব। গ্ৰন্থৰ সৈতে লেখকৰ চিন্তা চেতনা আৰু দৰ্শন জড়িত হৈ থাকে। একোখন গ্ৰন্থ প্ৰকাশৰ অন্তৰালত লেখকৰ এক মহান উদ্দেশ্য নিহিত হৈ থাকে। নিৰলহ প্ৰজ্ঞাৰ সাধনাৰ জৰিয়তে আমি ভৱিষ্যত প্ৰজন্মৰ মানৱ সম্পদৰ পৰা সামাজিক সম্পদলৈ উত্তৰণ ঘটাব লাগিব। এখন সুস্থ সৱল আৰু সমৃদ্ধিশালী সমাজ গঠনৰ বাবে আমি অভিভাৱকসকলে নৱ প্ৰজন্মক বৌদ্ধিক আৰু আধ্যাত্মিক চিন্তা চেতনাৰে সমৃদ্ধ কৰিবই লাগিব বুলি ড° জ্যোতিপ্ৰসাদ শইকীয়াই মন্তব্য কৰে। এই গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়া আৰু শিক্ষাবিদ ড০ প্ৰশান্ত কুমাৰ চুতীয়াই। ভাষণ প্ৰসংগত মনিৰুল ইছলাম বড়াই কয় যে, ঐতিহাসিক শিৱসাগৰত অসম সাহিত্য সভাৰ ১৬ গৰাকী প্ৰাক্তন সভাপতিয়ে জন্ম গ্ৰহণ কৰিছিল। এই ১৬ গৰাকী প্ৰাক্তন সভাপতিয়ে অসমীয়া ভাষা সাহিত্যলৈ অনবদ্য অৱদান আগবঢ়াই গৈছে। কিন্তু মনিষীৰ জন্মস্থান শিৱসাগৰৰ নৱ প্ৰজন্মৰ ক্ষুদ্ৰ অংশ বৰ্তমান মাৰাত্মক ড্ৰাগছৰ কবলত পৰি জাতিৰ ভৱিষ্যত ধ্বংস কৰি তুলিছে। এই ক্ষেত্ৰত অভিভাৱক সকল সজাগ আৰু সচেতন হোৱা অতি প্ৰয়োজন বুলি বড়াই উল্লেখ কৰে। বিশিষ্ট শিক্ষাবিদ ড° প্ৰশান্ত কুমাৰ চুতীয়াই কয় যে, এই কোঁৱৰপুৰৰ কমাৰফদীয়া অঞ্চলতেই মহেশ্বৰ নেওগ আৰু ডিম্বেশ্বৰ নেওগৰ দৰে মহান মনীষী জন্ম হৈছিল। এই অঞ্চলত বৰ্তমান ড° জ্যোতিপ্ৰসাদ শইকীয়াৰ দৰে মহান সাহিত্যিকে অলেখ গ্ৰন্থ ৰচনাৰে অসমীয়া ভাষা সাহিত্যৰ উল্লেখনীয় অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। উদীয়মান লেখক অনিল গগৈৰ পৰাও অসমীয়া সমাজে আৰু অধিক ৰচনা সম্ভাৰ আশা কৰে বুলি প্ৰশান্ত কুমাৰ চুতীয়াই মন্তব্য কৰে।

# অভয়াপুৰীৰ প্ৰতিভা সম্পন্ন কণ্ঠশিল্পী কৃষ্টিশিখাই বাৰ বছৰ বয়সতে বুটলিছে কেইবাটাও ৰেকৰ্ড

**অসম বাৰ্তা, অভয়াপুৰী, ১৩ ডিচেম্বৰ ঃ** ইণ্ডিয়া বুক অফ ৰেকৰ্ডছত দুবাৰকৈ নিজৰ নাম সন্নিবিষ্ট কৰিবলৈ সক্ষম হোৱা অভয়াপুৰীৰ বাৰ বছৰীয়া কৃষ্টিশিখা অধিকাৰীয়ে শেহতীয়াকৈ গুৱাহাটীস্থিত অল ইণ্ডিয়া ৰেডিঅ'ৰ (গুৱাহাটী অনাতাঁৰ কেন্দ্ৰ) চেমনীয়া চ'ৰাৰ অনুষ্ঠানত হোৱা অডিশ্যনত 'অসমীয়া লোকসংগীত' আৰু 'ৰবীন্দ্ৰ সংগীত' শাখাত নিৰ্বাচিত হৈছে। তাই ৰেডিঅ' আৰ্টিষ্ট হোৱাৰ খবৰত উৎফুল্ল হৈ পৰিছে অভয়াপুৰীবাসী। ইতিমধ্যে ৪৮ ছেকেণ্ডত ৪৮খন ৰাষ্ট্ৰ আৰু ৰাজধানীৰ নাম অনৰ্গল ভাৱে কৈ আৰু ২০২৪ চনত একেৰাহে ৪১ মিনিট ৩৪ ছেকেণ্ডত ২১টা (দ্বিভাষিক) গীত আৱহ সংগীত অবিহনে পৰিৱেশন কৰি 'ইণ্ডিয়া বুক অফ ৰেকৰ্ডছ'ত নিজৰ নাম লিপিবদ্ধ কৰিবলৈ সক্ষম হৈছে



অভয়াপুৰী লিটিল ফ্লাৱাৰ স্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰী গৰাকীয়ে। অভয়াপুৰীৰ পাৰ্থ অধিকাৰী আৰু ড° বন্দনা কলিতাৰ কন্যা কৃষ্টিশিখা অধিকাৰীয়ে বঙাইগাঁও আৰু ইয়াৰ দাঁতিকাষৰীয়া জিলা সমূহত অনুষ্ঠিত হোৱা বিভিন্ন গীতৰ প্ৰতিযোগিতাত শতাধিক পুৰস্কাৰ লাভ কৰাৰ উপৰিও ২০২৪ বৰ্ষৰ ছেপ্তেম্বৰ মাহত কলিকতাৰ আনন্দমাৰ্গত সৰ্বভাৰতীয় পৰ্যায়ত অনুষ্ঠিত হোৱা গীতৰ প্ৰতিযোগিতাৰ চেমনীয়া শাখাত প্ৰথম স্থান লাভ কৰি অসমলৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। গীত গাই ভালপোৱা কৃষ্টিশিখাই নিজেও দুই তিনিটা গীত লিখি সুৰ কৰিবলৈ প্ৰয়াস কৰিছে। উপযুক্ত প্লে-টফৰ্ম লাভ কৰিলে কৃষ্টিশিখাই নিজৰ কণ্ঠৰে অভয়াপুৰীৰ নাম উজ্জ্বলাই তুলিব পৰাৰ পূৰ্ণ সম্ভাৱনা আছে। সম্প্ৰতি তাই বিভিন্ন গুৰুৰ ওচৰত তালিম লৈ থকাৰ লগতে সমানে মনোনিৱেশ কৰিছে নিজৰ শৈক্ষিক দিশতো। প্ৰতিভাক যে কোনেও ঢাকি থব নোৱাৰে সেই কথাকে প্ৰমাণিত কৰিবলৈ ক্ৰমান্বয়ে অগ্ৰসৰ হোৱা কৃষ্টিশিখাক তাইৰ দেউতা পাৰ্থ অধিকাৰী আৰু মাতৃ ড° বন্দনা কলিতাই পাৰ্যমানে দি গৈছে উৎসাহ উদ্দীপনা। কণমানি কৃষ্টিশিখা সংগীত জগতখনত আৰু আগুৱাই যাওক তাৰ কামনা কৰিছে অভয়াপুৰীৰ ৰাইজে।

# নয়াবস্তি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বাৰ্ষিক অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, বাগানপাৰা, ১৩ ডিচেম্বৰ ঃ** বাক্সা জিলাৰ নয়াবস্তি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সপ্তত্ৰিংশতিতম বাৰ্ষিক অধিৱেশন খনি ১২ ডিচেম্বৰত সামৰণি পৰে। প্ৰথম দিনা বিদ্যালয়ৰ প্ৰধান শিক্ষক গোলাপ শৰ্মাই বিদ্যালয়ৰ পতাকা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰাৰ পিছত ছাত্ৰ একতা সভাৰ সভাপতি ব্ৰজেন দাসে শ্বহীদ তৰ্পণ কাৰ্যসূচী সম্পন্ন কৰে। ইয়াৰ পিছত শিক্ষয়িত্ৰী বন্দীতা দত্তই জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ছাত্ৰ-ছাত্ৰী সকলৰ শাৰীৰিক, মানসিক আৰু বৌদ্ধিক বিকাশৰ অৰ্থে বিভিন্ন খেল-ধেমালি, কুইজ, চিত্ৰাংকণ, ৰাভা সংগীত, আকস্মিক বক্তৃতা, তৰ্ক, ৰচনা, কবিতা আবৃত্তি, বিহুনৃত্য, ভেশচন, জুবিন সংগীত, ভুপেন্দ্ৰ সংগীত, আধুনিক গীত আৰু আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সামৰণিৰ দিনা দিনৰ ১১ বজাত অনুষ্ঠিত হয় মুকলি আৰু বঁটা বিতৰণী সভা। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি লক্ষ্মণ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি আৰু বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে পাগলাদিয়াপাৰ এম ই স্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক ৰঘুনাথ শৰ্মা, নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে ধমধমা আঞ্চলিক কলেজৰ সহকাৰী অধ্যাপক বিনোদ তালুকদাৰ আৰু বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিকাশ জাতীয় বিদ্যালয় নয়াবস্তিৰ অধ্যক্ষ খগেন ভূঞাই। সভাত সমজুৱাৰ বক্তব্যৰ শিতানত অৱসৰপ্ৰাপ্ত শিক্ষক চন্দ্ৰ কলিতাই দু-আষাৰ বক্তব্য প্ৰদান কৰে। ছাত্ৰী সকলে দিহানাম, বিহুনৃত্য, নেপালী নৃত্য, বৰগীত পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। সভাৰ শেষত বিজয়ী ছাত্ৰ-ছাত্ৰী সকলৰ মাজত পুৰস্কাৰ সমূহ বিতৰণ কৰা হয়। অনুষ্ঠানটিৰ আঁত ধৰে ছাত্ৰ একতা সভাৰ সভাপতি ব্ৰজেন দাসে।

# এছ এছ বিৰ শালনীবাৰী প্ৰশিক্ষণ কেন্দ্ৰত ২৬৩ আৰু ২৬৪ তম্ বিআৰটিচিৰ দীক্ষান্ত সমাৰোহ




**অসম বাৰ্তা, তেজপুৰ সদৰ, ১৩ ডিচেম্বৰ ঃ** তেজপুৰ শালনিবাৰীৰ প্ৰশিক্ষণ কেন্দ্ৰত আজি গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হয়। সেই অনুসৰি ছত্ৰপতি শিৱাজী পেৰেদ গ্ৰাউণ্ডত অনুষ্ঠিত হোৱা ২৬৩ আৰু ২৬৪ তম বি আৰ টি চিৰ দীক্ষান্ত সমাৰোহত মুখ্য অতিথি তথা এচ এচ বিৰ মহাপৰিদৰ্শক বিশ্বজিত কুমাৰ পালৰ উপস্থিতিত ১৭খন ৰাজ্যৰ ৩৬৮ গৰাকী পুৰুষ আৰু ৩০ মহিলা জোৱানসহ ৩৯৮ গৰাকীয়ে দেশ মাতৃৰ সুৰক্ষাৰ বাবে শপত গ্ৰহণ কৰে। ইয়াৰ পিছতে দীক্ষান্ত সমাৰোহৰ কাৰ্যসূচী অনুসৰি সশস্ত্ৰ সীমা বলৰ তেজপুৰ ফ্ৰণ্টিয়াৰৰ মহাপৰিদৰ্শক বিশ্বজিত কুমাৰ পালে নৱনিযুক্ত জোৱানসকলৰ পৰা অভিবাদন গ্ৰহণ কৰে। আজিৰ কাৰ্যসূচীত শালনিবাৰী প্ৰশিক্ষণ কেন্দ্ৰৰ উপ-মহাপৰিদৰ্শক এইচ এন বিষ্টে আদৰণি ভাষণ প্ৰদান কৰি উপস্থিত সকলোকে সম্ভাষণ জনায়। উল্লেখ্য যে ভাৰত চীন যুদ্ধৰ সময়ত স্থাপিত হোৱা সশস্ত্ৰ সীমা বাহিনীৰ শালনিবাৰী প্ৰশিক্ষণ কেন্দ্ৰ ১ ডিচেম্বৰ প্ৰতিষ্ঠা হৈছিল। এই ক্ষেত্ৰত ভাৰত নেপাল, ভাৰত ভূটান সীমান্তৰ লগতে বিভিন্ন ৰাজ্যৰ সুৰক্ষাৰ ক্ষেত্ৰত বিশেষভাৱে দায়িত্বত লাভ কৰা এচ এচ বিৰ আজিৰ দীক্ষান্ত সমাৰোহত জোৱানসকলে অত্যাধুনিক অস্ত্ৰশস্ত্ৰৰো প্ৰদৰ্শন কৰে। সমাৰোহৰ মুখ্য অতিথি মহানিৰ্দেশক বিশ্বজিত কুমাৰ পালে ভাষণ প্ৰদান কৰি কয় ভাৰত চীন যুদ্ধৰ সময়তে গঠন হোৱা এচ এচ বিয়ে আৰম্ভণিৰে পৰাই দেশৰ কাৰণে গৌৰৱেৰে সেৱা আগবঢ়াই অহাৰ লগতে এচ এচ বিয়ে ২০০১ চনত ভাৰত নেপাল আৰু ২০০৪ ভাৰত ভুটান সীমান্তবৰ্তী এলেকাৰ সীমাৰ সুৰক্ষাৰো দায়িত্ব লাভ কৰে। উল্লেখ্য যে ঝাৰখণ্ড, ছট্টিছগড়, বিহাৰ, মণিপুৰকে ধৰি দেশৰ বিভিন্ন প্ৰান্তত সেৱা আগবঢ়াই আহিছে। আনহাতে দীক্ষান্ত সমাৰোহৰ কাৰ্যসূচীত জোৱান সকলে পেৰেডৰ উপৰি যোগা, পি-টি, জুইৰ মাজেৰে জঁপিয়াই পাৰ হোৱা, মলখমকে ধৰি বিভিনধৰণৰ কলাকৌশলৰ প্ৰদৰ্শন কৰে। কাৰ্যসূচীত তেজপুৰ বায়ুসেনা বাহিনীৰ এয়াৰ কমড'ৰ, সেনাবিষয়া আৰু জ্যেষ্ঠ আৰক্ষী বিষয়াসকলৰ লগতে এচ এচ বিৰ বিষয়া জোৱান আৰু বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাৰ গ্ৰন্থ 'ইউক্ৰেইনত দুবছৰঃ এক স্মৃতিকথা' উন্মোচন ড° নগেন শইকীয়াৰ




**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ ডিচেম্বৰ ঃ** ১৯৮২ ৰ পৰা ১৯৮৪ চনলৈকে দুবছৰকাল গৱেষণাৰ কামত ৰাচিয়াত বসবাস কৰাৰ সময়ত লাভ কৰা জ্ঞান আৰু অভিজ্ঞতাক সামৰি ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকাই লেখা গ্ৰন্থ 'ইউক্ৰেইনত দুবছৰঃ এক স্মৃতিকথা' উন্মোচন কৰে প্ৰথিতযশা সাহিত্যিক, মিতভাষস্ৰষ্টা ড° নগেন শইকীয়াই তেখেতৰ বাসগৃহ 'আশ্ৰয়'ত। এই উপলক্ষে আয়োজিত এক অনুষ্ঠানত কৌস্তুভ প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনিৰ উন্মোচনী ভাষণত ড° শইকীয়াই কয় যে যেতিয়া কোনো এক বিষয়ক এখন গ্ৰন্থ লিখা হয় তেতিয়া লেখক আৰু লেখকজনৰ দৃষ্টিভংগী একাকাৰ হৈ পৰে। এই গ্ৰন্থখনিত কেৱল জ্ঞানৰ গৰিমাই নহয় মানুহ হিচাপে এক সমষ্টিগত দৃষ্টিভংগী প্ৰকাশ পাইছে। নেদেখা এখন দেশ 'ইউক্ৰেইন'ৰ এক প্ৰতিচ্ছবি গ্ৰন্থখনিত পাঠকে স্বচক্ষে দেখা অনুভৱ কৰিব। তদুপৰি এগৰাকী 'পণ্ডিত' হিচাপে নিজৰ দৃষ্টিভংগীৰে গ্ৰন্থখনিত বিষয়বোৰ উপস্থাপন কৰিছে লেখক গৰাকীয়ে। ড° ডেকাৰ মাজত সঁচাকৈ এগৰাকী পণ্ডিত আৰু সৃষ্টিশীল লেখক সোমাই থকাৰ আভাস এই গ্ৰন্থখনিত পাঠকে লাভ কৰিব বুলি উল্লেখ কৰি সাহিত্যিক গৰাকীয়ে আৰু কয় যে লেখক ডেকাই যিটো জানে সেয়া মুকলিকৈ দাঙি ধৰিছে। গ্ৰন্থখন পঢ়ি পাঠকে সোৱাদ লাভৰ উপৰিও জ্ঞানৰ খোৰাক আৰু বিৰল আনন্দ লাভ কৰিব বুলি ড° শইকীয়াই আশা কৰে। কৌস্তুভ প্ৰকাশনৰ হৈ বীৰেন বৰুৱাই আঁতধৰা অনুষ্ঠানৰ আৰম্ভণিতে সাহিত্যাচাৰ্য ড° কৰবী ডেকা হাজৰিকাই গ্ৰন্থখনিৰ লেখক তথা গ্ৰন্থখনি সম্পৰ্কে চমু আলোকপাত কৰি দিয়া ভাষণত কয় যে ৰাচিয়ান ভাষাত গৱেষণা কৰিবলৈ যোৱা সময়ছোৱাৰ সমকালীন পৰিৱেশ আৰু বহু তথ্য আৰু পুৰণি ইউক্ৰেইনৰ ছবি এই গ্ৰন্থখনিত উপলব্ধ হৈছে। এই গ্ৰন্থখনি ইংৰাজী ভাষালৈ অনুবাদ হ'লে বিশ্ব সাহিত্যৰ এক উল্লেখনীয় গ্ৰন্থ হ'ব বুলিও তেওঁ ভাষণত উল্লেখ কৰে। অনুষ্ঠানত গ্ৰন্থখনিৰ লেখক ড° কন্দৰ্প কুমাৰ ডেকাই গ্ৰন্থখনিৰ আঁৰৰ কথাৰ লগতে ৰাচিয়াত লাভ কৰা অভিজ্ঞতা সম্পৰ্কে বক্তব্য আগবঢ়ায়। জ্যেষ্ঠ সাংবাদিক ৰতন হাজৰিকাই শলাগ জ্ঞাপন কৰা অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, পদাৰ্থ বিজ্ঞানী, বিশিষ্ট লেখক ড° কুলেন্দু পাঠক, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ নৱনিযুক্ত উপাচাৰ্য ড° হীৰেন্দ্ৰ নাথ শৰ্মাই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। শিল্পী ড° চুমি ফুকনে এটি গীত পৰিৱেশন কৰা অনুষ্ঠানটিত বিশিষ্ট লেখক, অসম আদিত্য কাকতৰ মুখ্য সম্পাদক ডাঃ নিৰ্মল চাহেৰালা, বিশিষ্ট অনুবাদক দেৱীপ্ৰসাদ বাগড়োদিয়া, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ সঞ্চালক ড° পল্লৱী ডেকা বুজৰবৰুৱা, সহযোগী অধ্যাপক ড° মৃণাল কুমাৰ বৰুৱা, অসম সাহিত্য সভাৰ ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়ৰ সহকাৰী সম্পাদক ডাঃ শান্তনু লহকৰকে ধৰি বহুসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# বিটিচিৰ ৬ নং কচুগাঁও সমষ্টিৰ ভিচিডিচি আৰু টিচিএলচিচি গঠন আৰু নিযুক্তিপত্ৰ বিতৰণ

**অসম বাৰ্তা, দোতমা, ১৩ ডিচেম্বৰ ঃ** বিটিচি পৰিষদত বিপিএফ দলে চৰকাৰ গঠন কৰাৰ পিছত ভিচিডিচি আৰু টিচিএলচিচি বোৰ্ডসমূহ নতুনকৈ গঠন কৰাৰ সময়তেই আজি বিটিচিৰ ৬ নং সমষ্টিতো ভিচিডিচি আৰু টিচিএলচিচি বোৰ্ডৰ অধ্যক্ষ আৰু সদস্য বাছনি কৰি নিযুক্তি পত্ৰ বিতৰন কৰে। আজি কচুগাঁওস্থিত বিপিএফৰ কচুগাঁও ব্লক কাৰ্য্যালত বিটিচিৰ কচুগাঁও সমষ্টিৰ ভিচিডিচি আৰু টিচিএলচিচি সমূহ গঠন কৰি নিযুক্তি পত্ৰ সমূহ সমষ্টিৰ পাৰিষদ তথা ইএম ৰবিৰাম নাৰাজাৰীয়ে বিতৰণ কৰে। বিটিচিৰ ইএম তথা বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে নিজে উপস্থিত থাকি নিযুক্তি পত্ৰ বিতৰণ কৰি সংবাদ মাধ্যমৰ আগত কয় যে আজিৰে পৰা ভিচিডিচি আৰু টিচিএলচিচিৰ অধ্যক্ষ, সদস্য/সদস্যা সকলে দায়িত্ব সহকাৰে ৰাইজৰ কাম কৰিব।

## দীপৰ বিলৰ গছবোৰত

হ্ৰাস পাইছে। ইয়াৰ উপৰি পূৰ্বৰ দৰে বনৰীয়া হাতীৰ আগমনো কমি গৈছে। বিলৰ কাষেৰে যোৱা কামাখ্যা-যোগীঘোপা ৰে'লপথটোৱে হাতীৰ পৰম্পৰাগত আহ-যাহৰ পথ বন্ধ কৰি দিয়াৰ ফলত এই সমস্যাৰ সৃষ্টি হৈছে। ২০০৪ চনৰ পৰা এতিয়ালৈকে এই ৰে'লপথত ১৫টা বন্যহস্তীকে ধৰি শতাধিক চৰাই, বান্দৰ, সাপ আৰু অন্যান্য বন্যপ্ৰাণীৰ মৃত্যু হৈছে। এই সন্দৰ্ভত দীপৰ বিল সংৰক্ষণ সমিতিয়ে বহুবাৰ ৰে'ল বিভাগৰ সৈতে আলোচনা কৰি আহিছে আৰু প্ৰতিবাদো কৰিছে। দীৰ্ঘদিনৰ প্ৰচেষ্টাৰ পিছত ৰাইজৰ দাবীক সন্মান জনাই ৰে'ল বিভাগে এই ৰে'লপথ বন্ধ কৰি প্ৰায় ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এখন এলিভেটেড কৰিডৰ (উৰণীয়া সেতু) নিৰ্মাণ কৰাৰ সিদ্ধান্ত লৈছে। এই সেতুৰ উচ্চতা প্ৰায় ২১ ফুট হ'ব বুলি জানিব পৰা গৈছে, যাৰ ফলত ওপৰেৰে ৰে'ল চলাচল কৰিব আৰু তলেদি হাতীকে ধৰি বন্যপ্ৰাণীসমূহে মুক্তভাৱে দীপৰ বিললৈ পানী আৰু খাদ্যৰ সন্ধানত আহ-যাহ কৰিব পাৰিব। কিন্তু এই প্ৰকল্পৰ বাবে এটা ডাঙৰ মূল্য দিব লাগিব। সেতু নিৰ্মাণৰ বাবে বিলৰ কাষৰ পথত থকা শতাধিক ঐতিহ্যমণ্ডিত গছ কাটি পেলোৱা হ'ব। ইতিমধ্যে বন বিভাগে এই গছবোৰত ছীল মাৰি চিহ্নিত কৰিছে। এই গছবোৰেই দীপৰ বিলৰ সেউজীয়া সৌন্দৰ্যৰ মুখ্য বাহক। এই গছবোৰ কটাৰ ফলত বিলখনৰ নান্দনিক আকৰ্ষণ যথেষ্ট হ্ৰাস পাব বুলি প্ৰকৃতিপ্ৰেমীসকলে আশংকা প্ৰকাশ কৰিছে। প্ৰকৃতিপ্ৰেমীসকলে ৰে'ল বিভাগক অনুৰোধ জনাইছে যে গছবোৰ নকাটি সেতু নিৰ্মাণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক। বন বিভাগে দিয়া ক্লিয়াৰেন্সত ৯ নম্বৰ দফাত স্পষ্টকৈ উল্লেখ আছে যে অধিকাংশ গছ স্থানান্তৰ কৰিব লাগিব। কিন্তু ৰে'ল বিভাগে কি ব্যৱস্থা লয়, সেয়া সময়হে ক'ব। এজন স্থানীয় প্ৰকৃতিপ্ৰেমীয়ে কয়, "কামাখ্যা-যোগীঘোপা ৰে'লপথৰ কাম ১৯৮৯ চনত আৰম্ভ হৈছিল। তাৰ পিছত ৰে'লপথ নিৰ্মাণে ৰাণী সংৰক্ষিত বনাঞ্চল আৰু দীপৰ বিলৰ মাজত ব্যৱধান সৃষ্টি কৰিলে। সেই হঠকাৰী সিদ্ধান্তই বিলখনৰ পৰিস্থিতিতন্ত্ৰত যথেষ্ট ক্ষতি কৰিলে। বিগত সময়ত হাতীকে ধৰি বিভিন্ন প্ৰাণীৰ মৃত্যু হৈছে। এতিয়া এলিভেটেড কৰিডৰ নিৰ্মাণ কৰিলে ৭ মিটাৰ ওখ হ'লে তলেদি প্ৰাণীসমূহে মুক্তভাৱে আহ-যাহ কৰিব পাৰিব।" এফালে এই প্ৰকল্পই বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে ভাল খবৰ কঢ়িয়াই অনাৰ বিপৰীতে আনফালে বিলৰ সেউজীয়া সৌন্দৰ্যৰ ক্ষতিৰ আশংকাই প্ৰকৃতিপ্ৰেমীসকলক দুখী কৰিছে। দীপৰ বিলৰ সংৰক্ষণৰ বাবে সকলো পক্ষই মিলি কাম কৰাটো এতিয়া অতি জৰুৰী হৈ পৰিছে।

## অসম চৰকাৰৰ ঋণ বৃদ্ধিৰ

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ আমোলত ঋণৰ পৰিমাণ বাৰ্ষিক গড়ে ২০.৬৭ শতাংশ হাৰত বৃদ্ধি পাইছে। ২০১৯-২০ৰ পৰা ২০২৩-২৪লৈ ঋণৰ পৰিমাণ ১০৩ শতাংশতকৈও অধিক বৃদ্ধি পাই ১.৪৬ লাখ কোটি টকালৈ উন্নীত হৈছে আৰু ২০২৬ৰ মাৰ্চলৈকে ই ১.৭৪ লাখ কোটি টকালৈ বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। এই প্ৰতিবেদনত ঋণৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতা হ্ৰাস কৰা, নিজা ৰাজহ বৃদ্ধি কৰা আৰু বিত্তীয় ঘাটি নিয়ন্ত্ৰণত ৰখাৰ বাবে কঠোৰ পৰামৰ্শ দিয়া হৈছিল। কিন্তু চৰকাৰে এই সতৰ্কবাণীক আওকাণ কৰি পুনৰ ডাঙৰ পৰিমাণৰ ঋণ গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। শেহতীয়া তথ্য অনুসৰি, আগন্তুক ১৬ ডিচেম্বৰত চৰকাৰী বণ্ডৰ জৰিয়তে প্ৰায় ৯০০ কোটি টকাৰ ঋণ লোৱাৰ প্ৰস্তাৱ ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ওচৰত দাখিল কৰা হৈছে। বিত্তমন্ত্ৰী অজন্তা নেওগে যোৱা ২৫ নৱেম্বৰত বিধানসভাত দাখিল কৰা তথ্য অনুসৰি, ২০২৪-২৫ বিত্তীয় বৰ্ষত ৰাজ্যৰ মুঠ ঋণৰ পৰিমাণ প্ৰায় ১.৫৪ লাখ কোটি টকা আছিল। চলিত ২০২৫-২৬ বৰ্ষত ঋণ গ্ৰহণৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে ৩৬, ১৮৫ কোটি টকাৰ, যাৰ ভিতৰত ইতিমধ্যে ২০ হাজাৰ কোটি টকাৰো অধিক ঋণ লোৱা হৈছে। লক্ষণীয় যে, স্বৰাজোত্তৰ কালত হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনেই প্ৰথম যিয়ে ২০২২-২৩ৰ পৰা প্ৰতি বিত্তীয় বৰ্ষতে কুৰি হাজাৰ কোটি টকাৰ অধিক ঋণ গ্ৰহণ কৰি আহিছে, যিয়ে অদূৰ ভৱিষ্যতত ৰাজ্যৰ বিত্তীয় স্থিৰতাক বিপদাপন্ন কৰিব পাৰে। কেগৰ প্ৰতিবেদনে আন এক উদ্বেগজনক তথ্য পোহৰলৈ আনিছে যে, চৰকাৰে বছৰি ঋণৰ সুত পৰিশোধৰ বাবে প্ৰায় ৯, ৪৬৭ কোটি টকা ব্যয় কৰিবলগীয়া হৈছে আৰু এই সুত পৰিশোধৰ বাবেও নতুন ঋণৰ ধন ব্যৱহাৰ কৰা হৈছে। চলিত বৰ্ষৰ পৰা আগন্তুক দহ বছৰৰ ভিতৰত সুতসহ প্ৰায় ১ লাখ ৫৯ হাজাৰ কোটি টকাৰ বকেয়া ঋণ পৰিশোধ কৰাৰ প্ৰত্যাহ্বান চৰকাৰৰ সন্মুখত থিয় দি আছে। এই বোজা লঘু কৰিবলৈ চৰকাৰে শেহতীয়াকৈ ঋণ পৰিশোধৰ ম্যাদ বৃদ্ধি কৰাৰ কৌশল গ্ৰহণ কৰিছে — পূৰ্বৰ ৫-১০ বছৰৰ ঠাইত এতিয়া নতুন ঋণৰ ম্যাদ ১৪ৰ পৰা ২০ বছৰলৈ বৃদ্ধি কৰা হৈছে। দিছপুৰৰ বিশ্বস্ত সূত্ৰৰ পৰা পোৱা তথ্য অনুসৰি, ২০২৬ চনৰ ফেব্ৰুৱাৰীত বিধানসভা নিৰ্বাচনৰ সম্ভাব্য ঘোষণাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে ফেব্ৰুৱাৰীৰ আগভাগলৈকে কমেও ৩, ০০০ কোটি টকাৰ নতুন ঋণ গ্ৰহণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। নিৰ্বাচনৰ পূৰ্বে নগদ ধনৰ হিতাধিকাৰী আঁচনিসমূহৰ জৰিয়তে ৰাইজৰ মাজত জনপ্ৰিয়তা বৃদ্ধি কৰাৰ উদ্দেশ্যে এই ঋণ গ্ৰহণৰ প্ৰক্ৰিয়া ত্বৰান্বিত কৰা হৈছে। যোৱা ছেপ্টেম্বৰত ঋণ গ্ৰহণৰ ফলত সৃষ্টি হোৱা ৰাজহুৱা প্ৰতিবাদৰ পিছত দুটা মাহৰ বাবে ঋণ গ্ৰহণৰ পৰা বিৰত আছিল চৰকাৰে, কিন্তু শেহতীয়াকৈ অৰুণোদয়কে ধৰি বিভিন্ন আঁচনি খৰতকীয়াকৈ কাৰ্যকৰী কৰি ভোটবেংক সবল কৰাৰ লক্ষ্যৰে পুনৰ ঋণৰ পথত আগবাঢ়িছে। কেগে বিত্তীয় ঘাটি হ্ৰাস কৰা, নিজা ৰাজহ বৃদ্ধি কৰা আৰু ঋণৰ বোজা এৰাই চলাৰ পৰামৰ্শ দিয়াৰ লগতে আগন্তুক প্ৰজন্মই এই ঋণৰ কু-পৰিণাম ভোগ কৰিবলগীয়া হ'ব বুলি সতৰ্ক কৰা সত্ত্বেও চৰকাৰে নিৰ্বাচনী স্বাৰ্থত এই সকলোবোৰক আওকাণ কৰি আগবাঢ়িছে। এই পৰিস্থিতিয়ে ৰাজ্যৰ দীৰ্ঘম্যাদী বিত্তীয় স্থিৰতাৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰিছে।

## হায়দৰাবাদত ফুটবলৰ কিংবদন্তি লিঅ'নৈল মেছি

পৰ্যায়ত আৰ্জেণ্টিনাৰ এই কিংবদন্তি খেলুৱৈজন তেলেংগানাৰ ৰাজধানী হায়দৰাবাদত উপস্থিত হৈছে। প্ৰথমে কলকাতাত আগমনৰ পিছত মেছি শনিবাৰে হায়দৰাবাদত পদাৰ্পণ কৰে আৰু অনুৰাগীসকলে তেওঁক অভূতপূৰ্ব উৎসাহেৰে আদৰণি জনায়। মেছিৰ আগমনৰ ভিডিঅ'সমূহ ছচিয়েল মিডিয়াত দ্ৰুতগতিত ভাইৰেল হৈ পৰিছে। 'GOAT Tour'ৰ এই পৰ্যায়ত মেছিয়ে তেলেংগানাৰ মুখ্যমন্ত্ৰী এ. ৰেৱন্ত ৰেড্ডীৰ সৈতে ৰাজীৱ গান্ধী আন্তৰ্জাতিক ষ্টেডিয়ামত প্ৰদৰ্শনী ফুটবল খেলত অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৯ নম্বৰ জাৰ্চি পিন্ধি খেলপথাৰত অৱতীৰ্ণ হয় আৰু কেইবাটাও গ'ল কৰি অনুৰাগীসকলক উৎসাহিত কৰে। মেছিৰ সৈতে তেওঁৰ এই খেলাৰ দৃশ্যসমূহে দৰ্শকসকলক উন্মাদনাত ভৰাই তুলিছে। খেলৰ সময়ত মেছি আৰু ৰেৱন্ত ৰেড্ডীয়ে দলৰ সৈতে একেলগে ফটো উঠাৰ লগতে পেনাল্টি শ্বুটআউটত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে, কংগ্ৰেছ নেতা তথা লোকসভাৰ বিৰোধী দলনেতা ৰাহুল গান্ধীয়ো হায়দৰাবাদৰ ৰাজীৱ গান্ধী ষ্টেডিয়ামত উপস্থিত থাকে আৰু মেছিৰ সৈতে সাক্ষাৎ কৰে। মেছিয়ে ৰেৱন্ত ৰেড্ডী আৰু ৰাহুল গান্ধীক স্বাক্ষৰিত আৰ্জেণ্টিনাৰ জাৰ্চি উপহাৰ দিয়ে, যাৰ বিনিময়ত তেওঁলোকে মেছিক স্মাৰক উপহাৰ প্ৰদান কৰে। এই অনুষ্ঠানত মেছিৰ দলৰ সতীৰ্থ লুইছ ছুৱাৰেজ আৰু ৰড্ৰিগো ডে পলো উপস্থিত থাকে। মেছিৰ এই ভ্ৰমণক লক্ষ্য কৰি তেলেংগানা আৰক্ষীয়ে ব্যাপক নিৰাপত্তাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। কলকাতাত সৃষ্টি হোৱা কিছু উত্তেজনাৰ পিছতে হায়দৰাবাদত নিৰাপত্তা আৰু কঠোৰ কৰা হয়, যাৰ ফলত অনুষ্ঠানটো সুচাৰুৰূপে সম্পন্ন হয়। হায়দৰাবাদৰ পিছত মেছি ভাৰতৰ বিত্তীয় ৰাজধানী মুম্বাইলৈ যাত্ৰা কৰিব আৰু তাৰ পিছত ৰাষ্ট্ৰীয় ৰাজধানী নতুন দিল্লীত উপস্থিত হ'ব। নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে সাক্ষাৎৰ কাৰ্যসূচীও নিৰ্ধাৰিত হৈ আছে। এই ভ্ৰমণে ভাৰতত ফুটবলৰ জনপ্ৰিয়তা আৰু অধিক বৃদ্ধি কৰিব বুলি বিশ্বাস কৰা হৈছে, লগতে যুৱ প্ৰজন্মক খেলাৰ প্ৰতি অনুপ্ৰাণিত কৰিব। মেছিৰ ভাৰত ভ্ৰমণে দেশজুৰি ফুটবল অনুৰাগীসকলৰ মাজত এক উন্মাদনাৰ সৃষ্টি কৰিছে।

## ভিআইপি ট্ৰিটমেণ্টঃ লণ্ডভণ্ড কলকাতাৰ

Tour 2025ৰ অংশ হিচাপে ছল্ট লেক ষ্টেডিয়ামত (যুৱভাৰতী ক্ৰীড়াঙ্গন) মেছিৰ সংক্ষিপ্ত উপস্থিতিৰ পিছত হাজাৰ হাজাৰ অনুৰাগীৰ ক্ষোভ উজাৰি পৰে। নিৰ্ধাৰিত সময়তকৈ বহু আগতেই, মাত্ৰ ২০ মিনিটৰ ভিতৰতে মেছি ষ্টেডিয়াম এৰি যোৱাৰ ফলত উত্তেজিত জনতাই চকী ভাঙি মাঠলৈ দলিয়াই দিয়ে, বটল আৰু অন্যান্য বস্তু নিক্ষেপ কৰে আৰু বেনাৰসমূহ ভাঙি পেলায়। উল্লেখ্য যে, দামী টিকট কিনি ষ্টেডিয়ামত উপস্থিত হোৱা প্ৰায় ৫০ হাজাৰ অনুৰাগীয়ে মেছিক স্পষ্টকৈ দেখা নোপোৱাৰ বাবে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। মেছি ষ্টেডিয়ামত সোমাই খেলপথাৰৰ এটা লেপ ল'বলৈ আৰম্ভ কৰে যদিও তেওঁক ৰাজনীতিক, অভিনেতা আৰু আয়োজকৰ এক বৃহৎ দলে ঘেৰি ৰাখে, যাৰ ফলত দৰ্শকসকলে তেওঁক ঠিকমতো দেখা নাপায়। ফলত নিৰাপত্তাৰ কাৰণ দেখুৱাই মেছিক তৎকালীনভাৱে ষ্টেডিয়ামৰ পৰা আঁতৰাই নিয়া হয়। এই ঘটনাই মমতা বেনাৰ্জী নেতৃত্বাধীন পশ্চিমবংগ চৰকাৰৰ প্ৰশাসনিক ব্যৰ্থতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰিছে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে এই ঘটনাত গভীৰ দুঃখ প্ৰকাশ কৰি মেছি আৰু অনুৰাগীসকলৰ ওচৰত ক্ষমা বিচাৰিছে। তেওঁ ঘটনাৰ তদন্তৰ বাবে এক উচ্চপৰ্যায়ৰ কমিটি গঠন কৰিছে বুলি ঘোষণা কৰে। আনহাতে, আয়োজকক আটক কৰা হৈছে আৰু টিকটৰ ধন ঘূৰাই দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। ইফালে, এই ঘটনাই অসমৰ ৰাইজৰ মাজত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। সামাজিক মাধ্যমত অসমৰ যুৱক-যুৱতীসকলে কলিকতাৰ ঘটনাৰ সমালোচনা কৰি অসম চৰকাৰৰ প্ৰশাসনিক দক্ষতাৰ প্ৰশংসা কৰিছে। তেওঁলোকে উল্লেখ কৰিছে যে, অসমতো বিভিন্ন সময়ত ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ খেল অনুষ্ঠিত হৈ আহিছে, কিন্তু অসম চৰকাৰে প্ৰশাসনৰ সহায়ত সেইবোৰ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সক্ষম হৈছে। উদাহৰণস্বৰূপে, বৰ্ষাৰ সময়তো অনুষ্ঠিত হোৱা ভাৰত-দক্ষিণ আফ্ৰিকা টেষ্ট ক্ৰিকেট মেচকে আদি কৰি অন্যান্য ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় খেলসমূহত কোনো বিশৃঙ্খলাৰ সৃষ্টি হোৱা নাই। লগতে, প্ৰিয় শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পিছত তেওঁৰ শেষ যাত্ৰাত ১০ লক্ষাধিক লোকে গুৱাহাটীত ভিৰ কৰিছিল, কিন্তু অসম প্ৰশাসনে সুদক্ষতাৰে সেই বিশাল জনসমাগম নিয়ন্ত্ৰণ কৰিছিল। শেহতীয়াকৈ আন্তঃৰাষ্ট্ৰীয় তাৰকা প'প্ট মেলনৰ কনচাৰ্টতো হাজাৰ হাজাৰ অনুৰাগীৰ ভিৰক অসম প্ৰশাসনে নিৰাপদে পৰিচালনা কৰিবলৈ সক্ষম হৈছিল। এই তুলনাই অসমৰ প্ৰশাসনিক ক্ষমতাৰ প্ৰশংসা কৰাৰ লগতে কলিকতাৰ ঘটনাক লৈ ৰাজনৈতিক চৰ্চাৰো সৃষ্টি কৰিছে। মেছিৰ ভ্ৰমণ পৰৱৰ্তী পৰ্যায় হায়দৰাবাদ, মুম্বাই আৰু দিল্লীত অনুষ্ঠিত হ'ব।

## পাকিস্তানী এজেন্সিক ভাৰতীয় সেনাৰ গোপন তথ্য

বায়ুসেনা বিষয়াক গ্ৰেপ্তাৰ কৰিছে আৰক্ষীয়ে। গ্ৰেপ্তাৰ হোৱা বিষয়াজনৰ নাম কুলেন্দ্ৰ শৰ্মা। তেওঁ তেজপুৰৰ পাতিয়া চুবুৰীৰ বাসিন্দা। গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত আৰক্ষীয়ে শুকুৰবাৰে নিশা অভিযান চলাই কুলেন্দ্ৰ শৰ্মাক গ্ৰেপ্তাৰ কৰে। প্ৰাৰম্ভিক তদন্তত পোহৰলৈ আহিছে যে, তেওঁ সামাজিক মাধ্যমৰ জৰিয়তে পাকিস্তানী হেণ্ডলাৰসকলৰ সৈতে যোগাযোগ ৰাখি ভাৰতীয় সেনা বাহিনীৰ সংবেদনশীল তথ্য আৰু নথি-পত্ৰ যোগান ধৰিছিল বুলি সন্দেহ কৰা হৈছে। কুলেন্দ্ৰ শৰ্মা ভাৰতীয় বায়ুসেনাৰ জুনিয়ৰ ৱাৰেণ্ট অফিচাৰ হিচাপে কৰ্মৰত আছিল আৰু তেজপুৰ বায়ুসেনা ঘাঁটিতে নিযুক্তি লাভ কৰিছিল। ২০০২ চনত তেওঁ বায়ুসেনাৰ পৰা অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পিছত তেওঁ তেজপুৰ বিশ্ববিদ্যালয়ৰ ইলেকট্ৰনি' বিভাগত কৰ্মৰত হৈছিল আৰু পৰৱৰ্তী সময়ত সেই ঠাইৰ পৰাও অৱসৰ লৈছিল। গ্ৰেপ্তাৰৰ সময়ত আৰক্ষীয়ে তেওঁৰ মোবাইল ফোন আৰু লেপটপ জব্দ কৰিছে। এই যন্ত্ৰসমূহৰ পৰা কিছু সন্দেহজনক তথ্য উদ্ধাৰ হৈছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে, যদিও কিছু তথ্য মচি পেলোৱা হৈছে। যন্ত্ৰকেইটা ফৰেনচিক পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে। বৰ্তমান আৰক্ষীয়ে তেওঁক সোধা-পোছা অব্যাহত ৰাখিছে। এই ঘটনাৰ সন্দৰ্ভত তেজপুৰ সদৰ আৰক্ষী থানাত ভাৰতীয় ন্যায় সংহিতাৰ ১৪৭, ১৪৮, ১৫২, ২৩৮ আৰু ৬১(২) ধাৰাৰ অধীনত গোচৰ ৭৮৫/২৫ নম্বৰত পঞ্জীয়ন কৰা হৈছে। শোণিতপুৰ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থই এই গ্ৰেপ্তাৰৰ কথা সদৰি কৰি কয় যে, গোপন সূত্ৰৰ তথ্যৰ ভিত্তিত এই অভিযান চলোৱা হৈছে আৰু অভিযুক্তক আদালতত পেচ কৰা হ'ব। উল্লেখ্য যে, এই গ্ৰেপ্তাৰৰ ফলত উত্তৰ-পূৰ্বাঞ্চলত পাকিস্তানী গুপ্তচৰ নেটৱৰ্কৰ এক বৃহৎ চক্ৰৰ সন্ধান পোৱাৰ সম্ভাৱনা উন্মোচিত হৈছে। শেহতীয়াকৈ অসম আৰু অৰুণাচল প্ৰদেশত এই ধৰণৰ কেইবাটাও গ্ৰেপ্তাৰৰ ঘটনা সংঘটিত হৈছে, যিয়ে ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত গুৰুতৰ চিন্তাৰ সৃষ্টি কৰিছে। তদন্ত অব্যাহত আছে আৰু অধিক তথ্য পোহৰলৈ অহাৰ সম্ভাৱনা আছে।

## স্বগৃহত অৰুণাচলত পথ

পোৱাৰ লগে লগে চাৰিওফালে মাথোঁ কান্দোনৰ ৰোলহে শুনা গৈছিল। আপোনজনক চিৰদিনৰ বাবে হেৰুৱাই পৰিয়ালৰ সদস্যসকল কান্দোনত ভাগি পৰি একেৰাহে মূৰ্চ্ছা যায়। ইগৰাকীৰ পাছত সিগৰাকী ঢলি পৰাৰ কৰুণ দৃশ্যই উপস্থিত সকলোৰে হৃদয় বিদাৰক কৰি তুলিছিল। জিলা প্ৰশাসনে পূৰ্বৰে পৰা সাজু কৰি ৰখা খেলপথাৰত মৃতদেহ কেইটা অনা হয়। তাৰ পিছতে স্থানীয় লোকসকলৰ এক বৃহৎ সমাগমৰ মাজতে শেষ বিদায়ৰ বাবে অন্তিমকৃত্যৰ প্ৰস্তুতি চলোৱা হয়। পৰৱৰ্তী সময়ত ৰাজহুৱা শ্মশানত বহুসংখ্যক লোকৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়। নিহত শ্ৰমিককেইগৰাকী হৈছে গেলাপুখুৰী চাহ বাগিচাৰ অভয় ভূমিজ, সঞ্জয় কুমাৰ, অগৰ তাঁতী, ৰাজনী নাগ, ৰাহুল কুমাৰ আৰু ধেলাখাট চাহ বাগিচাৰ জুনাছ মুণ্ডা। যোৱা ৮ ডিচেম্বৰত অৰুণাচল প্ৰদেশৰ ভাৰত-চীন সীমান্তৰ ওচৰৰ হায়ুলিয়াং-চাগলাগাম পথত এখন মিনিট্ৰাক গভীৰ খহনীয়াত খহি পৰি এই ভয়াবহ দুৰ্ঘটনা সংঘটিত হয়। ট্ৰাকখনত মুঠ ২২ গৰাকী শ্ৰমিক আছিল, যাৰ ভিতৰত ২১ গৰাকী নিহত হোৱাৰ আশংকা কৰা হৈছিল। ঘটনাটো বৃহস্পতিবাৰে পোহৰলৈ অহাৰ পিছত শুকুৰবাৰে এনডিআৰএফ আৰু সেনাৰ যৌথ দলে অভিযান আৰম্ভ কৰি প্ৰথমে ৭০০ মিটাৰতকৈও অধিক গভীৰ খহনীয়াৰ পৰা ছয়গৰাকীৰ মৃতদেহ উদ্ধাৰ কৰে। তাৰ পিছত অৰুণাচলতে মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰি শনিবাৰে মৃতদেহ কেইটা তিনিচুকীয়ালৈ অনা হয়। তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়ত জিলা প্ৰশাসনে আনুষ্ঠানিকভাৱে গ্ৰহণ কৰাৰ পিছত এম্বুলেন্সৰ সহায়ত গেলাপুখুৰী চাহ বাগিচালৈ প্ৰেৰণ কৰা হয়। ইপিনে, শনিবাৰে পুৱাৰ পৰা আৰম্ভ হোৱা উদ্ধাৰ অভিযানত আৰু ১১ গৰাকী শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰাৰ কথা জানিবলৈ দিয়ে তিনিচুকীয়া জিলা আয়ুক্ত স্বপ্নীল পালে। এইপৰ্যন্ত মুঠ ২২ গৰাকীৰ ভিতৰত ১৭ গৰাকীৰ মৃতদেহ উদ্ধাৰ হৈছে। এগৰাকী শ্ৰমিক আঘাতপ্ৰাপ্ত হৈ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত আছে আৰু চাৰিগৰাকী এতিয়াও সন্ধানহীন হৈ আছে। ঘটনাস্থলীত উপস্থিত হোৱা মন্ত্ৰী বিমল বড়াই দুৰ্ঘটনাৰ শিহৰণকাৰী বিৱৰণ দি কয়, "গাড়ীখন ওপৰৰ পৰা দেখা পোৱা নাযায়। সন্দেহ কৰা হৈছে যে গাড়ীৰ ভিতৰত আৰু মৃতদেহ আবদ্ধ হৈ আছে। গাড়ীখন উদ্ধাৰ কৰিব পৰা হোৱা নাই। গাড়ীৰ ওচৰলৈ গ'লেই শিলগুটি বাগৰি আহে। সেয়ে গেছ কাটাৰৰ সহায়ত গাড়ীখন কাটি মৃতদেহ উলিয়াই অনাৰ চেষ্টা অব্যাহত ৰাখিছে উদ্ধাৰকাৰী দলে।" চাহ বাগিচাৰ শ্ৰমিকসকলে শীতকালত কামৰ অভাৱত উন্নত উপাৰ্জনৰ আশাত অৰুণাচলৰ দুৰ্গম অঞ্চললৈ যোৱাৰ পৰিপ্ৰেক্ষিতত এই দুৰ্ঘটনাই ৰাজ্যত শ্ৰমিকৰ সুৰক্ষা আৰু অৰ্থনৈতিক দুৰৱস্থাৰ প্ৰশ্ন উত্থাপন কৰিছে। নিহতসকলৰ পৰিয়ালক চৰকাৰী সাহায্য প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জিলা প্ৰশাসনে জনাইছে।

## সংসদ আক্ৰমণৰ ২৪ বছৰীয়া

সন্ত্ৰাসবাদী সংগঠন লস্কৰ-ই-তৈবা (এলইটি) আৰু জৈশ-ই-মহম্মদ (জেইএম)ৰ পাঁচজন সশস্ত্ৰ সন্ত্ৰাসবাদীয়ে ভয়ংকৰ আক্ৰমণ চলাইছিল। এই আক্ৰমণত সংসদৰ সুৰক্ষাৰ দায়িত্বত নিয়োজিত ৬জন আৰক্ষী জোৱান, সংসদ সুৰক্ষা সেৱাৰ দুজন কৰ্মী আৰু এজন মালীসহ মুঠ ৯জন নিৰীহ লোকে প্ৰাণ হেৰুৱাইছিল। সাহসী সুৰক্ষা বাহিনীৰ তৎপৰতাৰ ফলত সংসদ ভৱনৰ বাহিৰতে ৫জন সন্ত্ৰাসবাদী নিহত হৈছিল, যাৰ ফলত এক বৃহৎ ত্ৰাসদৰ ঘটনা ৰোধ হৈছিল। এই ঘটনাৰ ২৪ বছৰীয়া বাৰ্ষিকীত দেশৰ ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনকে ধৰি বিভিন্ন ৰাজনৈতিক দলৰ নেতাসকলে শ্বহীদসকলক গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সংসদৰ পুৰণি ভৱন (সংবিধান সদন)ৰ বাহিৰত এক সংক্ষিপ্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদী, উপ-ৰাষ্ট্ৰপতি ৰাধাকৃষ্ণন, বিৰোধী দলীয় নেতা ৰাহুল গান্ধী, কংগ্ৰেছৰ সোনিয়া গান্ধী, প্ৰিয়ংকা গান্ধী আৰু অন্যান্য জ্যেষ্ঠ সাংসদসকলে ফুলাম সজাই শ্বহীদসকলক স্মৰণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমত লিখিছে, "২০০১ চনত সংসদ ভৱনৰ ওপৰত হোৱা ভয়ংকৰ আক্ৰমণত প্ৰাণ হেৰুৱাসকলক স্মৰণ কৰি আজি আমাৰ ৰাষ্ট্ৰই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। গভীৰ বিপদৰ সন্মুখীন হৈও তেওঁলোকৰ সাহস, সজাগতা আৰু কৰ্তব্যৰ প্ৰতি অটল মনোভাৱ উল্লেখনীয় আছিল। তেওঁলোকৰ সৰ্বোচ্চ ত্যাগৰ বাবে ভাৰত সদায় কৃতজ্ঞ হৈ থাকিব।" ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুয়ে সামাজিক মাধ্যমত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি লিখিছে, "আজিৰ দিনটোতে আমাৰ সংসদক সুৰক্ষা দি জীৱন উৎসৰ্গ কৰা সাহসী বীৰসকলক দেশবাসীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। তেওঁলোকৰ বীৰত্ব আৰু কৰ্তব্যৰ প্ৰতি নিষ্ঠাই আমাৰ জাতীয় চেতনাৰ পথ প্ৰদৰ্শন কৰি আহিছে। দেশ তেওঁলোক আৰু তেওঁলোকৰ পৰিয়ালৰ ওচৰত সদায় ঋণী হৈ থাকিব। এই দিনটোত আমি পুনৰ দোহাৰিছো যে, ভাৰতে সন্ত্ৰাসবাদৰ সকলো ৰূপৰ বিৰুদ্ধে অটলভাৱে যুঁজি যাব।" উল্লেখ্য যে, ১৩ ডিচেম্বৰৰ এই দিনটো আন এক সন্ত্ৰাসবাদী ঘটনাৰ সৈতেও জড়িত। ১৯৮৯ চনৰ এই দিনটোতে জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীয়ে তদানীন্তন গৃহমন্ত্ৰী মুফতি মহম্মদ ছাইদৰ কন্যা ৰুবাইয়া ছাইদক অপহৰণ কৰিছিল। কাৰাগাৰত বন্দী থকা পাঁচজন সন্ত্ৰাসবাদীক মুকলি কৰাৰ বিনিময়ত ৰুবাইয়াক মুক্তি দিয়া হৈছিল। এই ঘটনাই কাশ্মীৰত সন্ত্ৰাসবাদৰ উত্থানত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল বুলি বিশ্লেষকসকলে মত প্ৰকাশ কৰে।

## অসম চৰকাৰৰ বাল্য-বিবাহ বিৰোধী

চৰকাৰে লোৱা কঠোৰ পদক্ষেপে উল্লেখযোগ্য ফল দেখুৱাইছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন অসম চৰকাৰৰ এই প্ৰয়াসৰ বাবে ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া ৰাহাতকাৰে প্ৰশংসাৰে পঞ্চমুখ হৈছে। আজি শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত সাংবাদিকসকলৰ সৈতে মত বিনিময় কৰি অধ্যক্ষাগৰাকীয়ে কয় যে, বাল্যবিবাহ এক অতি গম্ভীৰ অপৰাধ হোৱাৰ পিছতো কিছুমান ঠাইত এতিয়াও এই প্ৰথা চলি আছে। কিন্তু অসম চৰকাৰে ইয়াৰ বিৰুদ্ধে অতি কঠোৰ আইন প্ৰয়োগ কৰি ভাল পদক্ষেপ লৈছে। ফলত ৰাজ্যত বাল্যবিবাহৰ ঘটনা দিনকদিনে হ্ৰাস পাই আহিছে। তেওঁ লগতে উল্লেখ কৰে যে, সমাজৰ সচেতনতা আৰু চৰকাৰৰ কঠোৰ আইনী ব্যৱস্থাৰ সংমিশ্ৰণে এনে কু-সংস্কাৰ হ্ৰাস কৰাত সহায় কৰে। অসমত এই ক্ষেত্ৰত দেখা পোৱা দ্ৰুত হ্ৰাসই তাৰ এক উজ্জ্বল উদাহৰণ। চৰকাৰৰ অভিযান আৰু গ্ৰেপ্তাৰকে ধৰি কঠোৰ কাৰ্য্যই এই সফলতাৰ মূল কাৰণ বুলি তেওঁ মন্তব্য কৰে। বিজয়া ৰাহাতকাৰে আৰু কয় যে, ২০২১ বৰ্ষৰ তুলনাত ২০২৫ বৰ্ষলৈ অসমত মহিলাৰ লগত জড়িত অপৰাধৰ ঘটনাত যথেষ্ট হ্ৰাস ঘটিছে। এয়া সকলোৰে বাবে এক সুখবৰ। ৰাজ্য চৰকাৰৰ এনে পদক্ষেপে মহিলা সুৰক্ষা আৰু সৱলীকৰণৰ ক্ষেত্ৰত নতুন দিশ দেখুৱাইছে বুলি অধ্যক্ষাগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখ্য যে, অসম চৰকাৰে বাল্যবিবাহ নিৰ্মূলৰ বাবে ২০২৩ চনৰ পৰা ব্যাপক অভিযান আৰম্ভ কৰিছে, যাৰ ফলত হাজাৰ হাজাৰ গোচৰত গ্ৰেপ্তাৰ আৰু কাৰ্য্যান্বয়ন হৈছে। ফলস্বৰূপে বিভিন্ন জিলাত বাল্যবিবাহৰ হাৰত ৮০ শতাংশৰো অধিক হ্ৰাস ঘটিছে। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষাৰ এই প্ৰশংসাই চৰকাৰৰ প্ৰচেষ্টাক আৰু শক্তিশালী কৰিব বুলি বিশ্বাস কৰা হৈছে।

## জুবিন গাৰ্গৰ মৃত্যুৰ চাৰ্জশ্বীট 'সাপো

ৰহস্যজনক মৃত্যুৰ তদন্তত বিশেষ তদন্তকাৰী দল (এছআইটি)ই দাখিল কৰা চাৰ্জশ্বিটক লৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে তীব্ৰ সমালোচনা কৰিছে। আজি ৰাজীৱ ভৱনত আয়োজিত এক সংবাদমেলত ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ তথা কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰিপুণ বৰাই এই চাৰ্জশ্বিটক 'পালমৰা' আৰু 'দায়সাৰা' বুলি অভিহিত কৰি চৰকাৰৰ ভূমিকাৰ ওপৰত গুৰুতৰ প্ৰশ্ন উত্থাপন কৰে। ৰিপুণ বৰাই কয় যে, চাৰ্জশ্বিট দাখিল কৰাৰ মূল উদ্দেশ্য হৈছে ৰাইজৰ মুখ বন্ধ কৰা আৰু চৰকাৰৰ দায়িত্বৰ পৰা পলায়ন কৰা। "সকলোৱে জুবিন গাৰ্গক ন্যায় দিয়াৰ দাবী উত্থাপন কৰি আহিছে। ৰাইজৰ মুখ বন্ধ কৰিবলৈ আৰু চৰকাৰে জবাবদিহি নহ'বলৈ এই চাৰ্জশ্বিট দিয়া হৈছে। গাঁৱলীয়া ভাষাত ক'বলৈ গ'লে 'সাপো মৰক লাঠিও নাভাঙক' ধৰণেৰে চাৰ্জশ্বিট প্ৰস্তুত কৰা হৈছে"- বৰাই মন্তব্য কৰে। তেওঁ লগতে কয় যে, হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে এতিয়া বলটো আদালতলৈ ঠেলি দিছে। "এতিয়া চৰকাৰে ক'ব যে আমি আমাৰ কাম কৰি দিলোঁ, এতিয়া ন্যায় আদালতে দিব। জুবিনৰ অনুৰাগীসকলক আন্দোলন নকৰিবলৈ ক'ব। এই উদ্দেশ্যৰেই চাৰ্জশ্বিট দাখিল কৰা হৈছে" - বৰাই অভিযোগ উত্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে কৈছে যে এছআইটিয়ে নিজৰ কাম কৰিলে আৰু এতিয়া ন্যায়ৰ দায়িত্ব আদালতৰ। চাৰ্জশ্বিটত লগোৱা ধাৰাসমূহৰ বিষয়ে মন্তব্য কৰি বৰাই কয় যে, মাত্ৰ দুটা ধাৰাহে গুৰুত্বপূৰ্ণ — ভাৰতীয় ন্যায় সংহিতাৰ ১০৩ নম্বৰ ধাৰা (হত্যা) আৰু ১০৫ নম্বৰ ধাৰা (হত্যাৰ সমতুল্য অপৰাধ)। বাকী ধাৰাসমূহ অপৰাধমূলক ষড়যন্ত্ৰ আৰু আৰ্থিক লেনদেন সম্পৰ্কীয়। তেওঁ কয় যে, ধাৰা লগোৱা বা হাজাৰ হাজাৰ পৃষ্ঠাৰ চাৰ্জশ্বিট দিয়িলেই যথেষ্ট নহয়; প্ৰমাণৰ ভিত্তিত সন্দেহৰ ঊৰ্দ্ধলৈ গৈ অপৰাধ সাব্যস্ত কৰিব লাগিব। নিঠাৰি হত্যাকাণ্ডৰ উদাহৰণ দাঙি ধৰি ৰিপুণ বৰাই কয় যে, দেশ স্বাধীন হোৱাৰ পৰা আটাইতকৈ জঘন্য হত্যাকাণ্ড আছিল নিঠাৰিৰ ঘটনা, য'ত চুৰিন্দৰ কোহলী আৰু মণিন্দৰ সিং পান্ধেৰে কেইবাজনো শিশুক হত্যা কৰি মাংস ভক্ষণ কৰিছিল। নিম্ন আদালতে মৃত্যুদণ্ড দিয়া সত্ত্বেও উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ে তেওঁলোকক খালাচ কৰি দিছিল। কাৰণ আছিল দুৰ্বল আৰু ত্ৰুটিপূৰ্ণ চাৰ্জশ্বিট। আদালতে আৱেগ বা সহানুভূতিৰে নহয়, কেৱল আইন আৰু প্ৰমাণৰ ভিত্তিত ৰায় দিয়ে। জুবিন গাৰ্গৰ গোচৰতো একে অৱস্থা বুলি দাবী কৰি বৰাই কয় যে, চাৰ্জশ্বিটত হোটেলৰ বিল, বিমানৰ টিকট আদিৰ দৰে অপ্ৰাসংগিক নথি-পত্ৰহে ভৰ্তি কৰা হৈছে। হত্যাত ব্যৱহাৰ হোৱা য়'টখন জব্দ কৰা হোৱা নাই, ঘটনাস্থলীত এছআইটি গৈছিল নেকি সেয়াও সন্দেহজনক। হোটেলৰ কৰ্মচাৰী বা য়'টৰ যাত্ৰীসকলক যথোচিত জেৰা কৰা হোৱা নাই। এনে দুৰ্বল তদন্তৰ ফলত অভিযুক্তসকল সাৰি যাব পাৰে বুলি সতৰ্ক কৰি বৰাই কয় যে, তেনে হ'লে ইতিহাসে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ক্ষমা নকৰে। উল্লেখ্য যে, যোৱা ১৯ ছেপ্টেম্বৰত ছিংগাপুৰত সাগৰত ডুব যোৱাৰ ফলত জুবিন গাৰ্গৰ মৃত্যু হয়। ঘটনাৰ পিছত ৰাজ্যজুৰি প্ৰতিবাদৰ সৃষ্টি হয় আৰু এছআইটি গঠন কৰি তদন্তৰ দায়িত্ব দিয়া হয়। শেহতীয়াকৈ দাখিল কৰা চাৰ্জশ্বিটত সাতজন অভিযুক্তৰ বিৰুদ্ধে হত্যাকে ধৰি বিভিন্ন ধাৰা আৰোপ কৰা হৈছে। কংগ্ৰেছে এই চাৰ্জশ্বিটক লৈ তদন্তৰ গভীৰতাৰ ওপৰত সন্দেহ প্ৰকাশ কৰি ৰাইজৰ ন্যায়ৰ দাবীত অটল হৈ থকাৰ প্ৰতিশ্ৰুতি দিছে। জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাই সমগ্ৰ অসমত শোকৰ ছাঁ পেলোৱাৰ লগতে ন্যায়ৰ দাবীত এক সৰ্বজনীন আন্দোলনৰ ৰূপ লৈছে। তদন্তৰ পৰৱৰ্তী পৰ্যায়ত কি হয়, সেয়া লক্ষণীয়।

## ৯ শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ; আন তিনিটাৰ

গৰাকী নিহত শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। ইয়াৰ ফলত এতিয়ালৈকে মুঠ ১৭টা মৃতদেহ উদ্ধাৰ হোৱাৰ লগতে তলৰ খালৰ পৰা প্ৰায় ১০০০ ফুট তলৰ গভীৰ খাদৰ পৰা এইকেইটা মৃতদেহ ওপৰলৈ অনাৰ কঠিন কাৰ্য্য সফল হৈছে। হায়ুলিয়াংৰ অতিৰিক্ত উপায়ুক্ত জুলিটি মিহুয়ে জানিবলৈ দিয়া মতে, ভাৰতীয় সেনা আৰু এন ডি আৰ এফৰ দলৰ যৌথ প্ৰচেষ্টাৰে কাৰিকৰী কৌশল যেনে ৰচি বান্ধি নামি যোৱা আদি প্ৰয়োগ কৰি এই উদ্ধাৰ অভিযান চলোৱা হৈছে। প্ৰায় ২০০ জনৰো অধিক উদ্ধাৰকৰ্মীয়ে দুৰ্গম পাহাৰীয়া অঞ্চলত প্ৰতিকূল বতৰৰ মাজতো অবিৰামভাৱে কাম কৰি আহিছে। শুকুৰবাৰে ৬টা মৃতদেহ উদ্ধাৰ কৰা হৈছিল আৰু শনিবাৰে অতিৰিক্ত ১১টা উদ্ধাৰৰ পিছত মুঠ সংখ্যা ১৭লৈ বৃদ্ধি পাইছে। অতিৰিক্ত উপায়ুক্তগৰাকীয়ে লগতে উল্লেখ কৰে যে, খাদৰ তলত আৰু তিনিটা মৃতদেহ প্ৰত্যক্ষ কৰা হৈছে আৰু দেওবাৰে সেইকেইটা উদ্ধাৰ কৰাৰ প্ৰচেষ্টা অব্যাহত ৰখা হ'ব। বাতৰি প্ৰেৰণৰ সময়লৈকে ৭টা মৃতদেহৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন হৈছে আৰু অৱশিষ্ট চাৰিটাৰ কাৰ্য্য দেওবাৰে সম্পন্ন কৰাৰ কথা জানিব পৰা গৈছে। পৰৱৰ্তী পৰ্যায়ত দুৰ্ঘটনাগ্ৰস্ত ট্ৰাকখনো ওপৰলৈ অনাৰ বাবে প্ৰয়াস অব্যাহত ৰখা হ'ব বুলি তেওঁ মন্তব্য কৰে। উদ্ধাৰ অভিযানত ভাৰতীয় সেনাৰ স্পিয়াৰ কৰ্পছ, এন ডি আৰ এফ, বি আৰ টি এফ, স্থানীয় আৰক্ষী আৰু জিলা প্ৰশাসনৰ দলসমূহে সমন্বয়েৰে কাম কৰি আহিছে। দুৰ্গম স্থান আৰু গভীৰ খাদৰ বাবে অভিযান অতি প্ৰত্যাহ্বানময় হৈ পৰিছে, কিন্তু উদ্ধাৰকৰ্মীসকলৰ দৃঢ়তাই সফলতা দেখুৱাইছে। উল্লেখ্য যে, যোৱা ৮ ডিচেম্বৰৰ নিশা অসমৰ তিনিচুকীয়া জিলাৰ পৰা নিৰ্মাণ কাৰ্য্যৰ বাবে ২২ গৰাকী শ্ৰমিকক কঢ়িয়াই নিয়া এখন মিনিট্ৰাক (ডাম্পাৰ) হায়ুলিয়াংৰ পৰা প্ৰায় ৪০ কিলোমিটাৰ দূৰৈৰ চাগলাগাম অভিমুখে যাওঁতে পথৰ পৰা তললৈ খহি পৰে। দুৰ্ঘটনাৰ কেইদিনমানৰ পিছতহে এজন জীৱিত উদ্ধাৰ হোৱা শ্ৰমিকে বি আৰ টি এফৰ শিবিৰত উপস্থিত হৈ ঘটনাৰ কথা জনোৱাত উদ্ধাৰ অভিযান আৰম্ভ হয়। এই দুৰ্ঘটনাত এতিয়ালৈকে ১৭ জনৰ মৃত্যু নিশ্চিত হৈছে আৰু অৱশিষ্টৰ সন্ধান অব্যাহত। এই দুৰ্ঘটনাই অসম আৰু অৰুণাচলৰ শ্ৰমিকসকলৰ মাজত শোকৰ ছাঁ পেলাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুৰ্ঘটনাত নিহতসকলৰ পৰিয়ালৰ বাবে ২ লাখ টকাৰ এক্স-গ্ৰেচিয়া ঘোষণা কৰাৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাই ৫ লাখ টকাৰ সাহায্য ঘোষণা কৰিছে। উদ্ধাৰ অভিযানৰ শেহতীয়া অগ্ৰগতিয়ে নিহতৰ পৰিয়ালসমূহক কিছু সকাহ দিছে যদিও সম্পূৰ্ণ উদ্ধাৰৰ বাবে অপেক্ষা অব্যাহত আছে।

## মেছিৰ কলকাতা অনুষ্ঠানৰ

সৃষ্টি কৰিছে। ছল্টলেকৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াঙ্গনত (চল্ট লেক ষ্টেডিয়াম) আয়োজিত অনুষ্ঠানত দৰ্শকৰ তীব্ৰ ক্ষোভৰ ফলত মেছিয়ে নিৰ্ধাৰিত সময়ৰ বহু আগতেই মাঠ ত্যাগ কৰিবলগীয়া হৈছে। এই ঘটনাৰ পিছতে মূল আয়োজক শতদ্ৰু দত্তক গ্ৰেপ্তাৰ কৰিছে পশ্চিমবংগ আৰক্ষীয়ে। পশ্চিমবংগ আৰক্ষীৰ সঞ্চালকপ্ৰধান (ডিজিপি) ৰাজীৱ কুমাৰে সাংবাদিকৰ আগত এই কথা সদৰি কৰি কয় যে, অনুষ্ঠানটোৰ চৰম অব্যৱস্থাপনাৰ বাবে শতদ্ৰু দত্তক আটক কৰা হৈছে। তেওঁ লগতে উল্লেখ কৰে যে, সম্পূৰ্ণ তদন্তৰ অন্তত দোষীসকলৰ বিৰুদ্ধে কঠোৰ আইনী ব্যৱস্থা গ্ৰহণ কৰা হ'ব আৰু এনে অসৎ আচৰণ কোনো অৱস্থাতে সহ্য কৰা নহ'ব। আয়োজকৰ ফালৰ পৰা লিখিতভাৱে টিকটৰ ধন ঘূৰাই দিয়াৰ আশ্বাস দিয়া হৈছে বুলিও তেওঁ জনায়। ঘটনাৰ বিৱৰণী অনুসৰি, শতদ্ৰু দত্তক প্ৰথমে কলকাতা বিমানবন্দৰত আটক কৰি ৰখা হয়। মেছিৰ দল হায়দৰাবাদলৈ ৰাওনা হোৱাৰ পিছত তেওঁকো সেই বিমানতে যোৱাৰ কথা আছিল। কিন্তু বিধাননগৰ আৰক্ষীৰ উচ্চপদস্থ বিষয়াৰ নিৰ্দেশত বিমানবন্দৰৰ ভিতৰতে তেওঁৰ পৰা এখন লিখিত ঘোষণা লোৱা হয় আৰু পিছত জেৰাৰ অন্তত গ্ৰেপ্তাৰ কৰা হয়। ইফালে, মেছিয়ে কলকাতাৰ অনুষ্ঠান এৰি হায়দৰাবাদলৈ ৰাওনা হৈছে, য'ত তেওঁৰ পৰৱৰ্তী কাৰ্যসূচী নিৰ্ধাৰিত হৈ আছে। কলকাতাৰ এই বিশৃংখলাৰ পিছত ৰাজ্যৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ফুটবল অনুৰাগী আৰু মেছিৰ ওচৰত ৰাজহুৱাভাৱে ক্ষমা বিচাৰিছে। তেওঁ ছ'চিয়েল মিডিয়াত পোষ্ট কৰি কয় যে, ষ্টেডিয়ামত হোৱা অব্যৱস্থাপনাই তেওঁক গভীৰভাৱে আঘাত দিছে আৰু এই ঘটনাৰ বাবে তেওঁ লিঅ'নৈল মেছি আৰু সকলো ক্ৰীড়াপ্ৰেমীৰ ওচৰত আন্তৰিক ক্ষমা বিচাৰিছে। লগতে, এখন উচ্চপৰ্যায়ৰ তদন্ত সমিতি গঠন কৰা হৈছে, যাৰ নেতৃত্বত থাকিব অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অশিম কুমাৰ ৰায়ে। এই সমিতিয়ে ঘটনাৰ সবিস্তাৰ তদন্ত কৰি দোষী নিৰ্ধাৰণ কৰিব আৰু ভৱিষ্যতে এনে ঘটনা ৰোধৰ বাবে পৰামৰ্শ দিব। ষ্টেডিয়ামত কি হৈছিল? শনিবাৰে যুৱ ভাৰতী ক্ৰীড়াঙ্গনত মেছিৰ অনুষ্ঠানক কেন্দ্ৰ কৰি হাজাৰ হাজাৰ দৰ্শকে গোট খাইছিল। কিন্তু মাঠত মেছিক ঘেৰি ৰাজনৈতিক নেতা, আমন্ত্ৰিত অতিথি আৰু নিৰাপত্তাৰক্ষীৰ এক বিশাল ভিৰৰ সৃষ্টি হোৱাত গেলাৰীৰ পৰা দৰ্শকসকলে তেওঁক ভালদৰে দেখা নাপালে। এই ক্ষোভৰ ফলত দৰ্শকে চকী ভাঙি-চিগি মাঠলৈ দলিয়াই দিয়ে, পানীৰ বটল আৰু অন্যান্য বস্তু নিক্ষেপ কৰে। উত্তেজিত দৰ্শকৰ এটা অংশই বেৰিকেড ভাঙি মাঠত সোমাই পৰে, যাৰ ফলত সমগ্ৰ পৰিৱেশ চৰম বিশৃংখলময় হৈ পৰে। ফলত মেছিয়ে মাত্ৰ ২০-২৫ মিনিটৰ ভিতৰতে কঠোৰ নিৰাপত্তাৰ মাজত মাঠ ত্যাগ কৰিবলগীয়া হয়। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী ষ্টেডিয়ামলৈ অহাৰ পথতে এই বিশৃংখলাৰ খবৰ পাই কনভয় ঘূৰাই লয়। এই ঘটনাই ভাৰতীয় ফুটবলৰ সন্মান বিশ্বৰ আগত লাঘৱ কৰিছে বুলি বহুতে মন্তব্য কৰিছে। আয়োজকৰ অব্যৱস্থাপনা আৰু ভিৰ নিয়ন্ত্ৰণৰ ব্যৰ্থতাই এনে এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণত আনিছে যদিও দৰ্শকৰ ক্ষোভ এতিয়াও অব্যাহত আছে আৰু টিকটৰ ধন ঘূৰাই দিয়াৰ দাবী উঠিছে। মেছিৰ ভাৰত ভ্ৰমণ এতিয়াও চলি আছে আৰু হায়দৰাবাদৰ পিছত মুম্বাই আৰু দিল্লীত তেওঁৰ কাৰ্যসূচী আছে। কিন্তু কলকাতাৰ এই ঘটনাই সমগ্ৰ ভ্ৰমণৰ ওপৰত এক ছায়া পেলাইছে।

## ২৪ ডিচেম্বৰৰ পৰা খানাপাৰাত অসম

গ্ৰন্থমেলাৰ প্ৰস্তুতি চলি আছে। পৰিষদৰ সচিবগৰাকীয়ে এক বিবৃতি যোগে জনোৱা অনুসৰি, ৰাজ্য চৰকাৰে ঘোষণা কৰা 'গ্ৰন্থ-বৰ্ষ'ৰ সৈতে সংগতি ৰাখি এইবাৰৰ গ্ৰন্থমেলাখন অধিক ব্যাপক আৰু আকৰ্ষণীয় হ'ব। মহানগৰীৰ খানাপাৰাস্থিত অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এই গ্ৰন্থমেলাখন আৰম্ভ হ'ব অহা ২৪ ডিচেম্বৰৰ পৰা। মেলাখন চলিব ইংৰাজী নৱবৰ্ষ ২০২৬ৰ ৬ জানুৱাৰীলৈকে। এই সময়ছোৱাত ৰাজ্যৰ লগতে দেশ-বিদেশৰ প্ৰকাশকসকলে অংশগ্ৰহণ কৰি বিভিন্ন ধৰণৰ গ্ৰন্থ প্ৰদৰ্শন আৰু বিক্ৰী কৰিব। গ্ৰন্থপ্ৰেমীসকলৰ বাবে এয়া এক সোণালী সুযোগ হ'ব বুলি আয়োজকসকলে আশা প্ৰকাশ কৰিছে। গ্ৰন্থমেলাৰ প্ৰস্তুতিৰ অংশ হিচাপে আগন্তুক ১৪ ডিচেম্বৰ অৰ্থাৎ দেওবাৰে দিনৰ ১১ বজাত খানাপাৰাৰ একেখন খেলপথাৰতে মেলাৰ লাইখুঁটা স্থাপন কৰা হ'ব। এই লাইখুঁটা স্থাপন কৰিব গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত পাৰ্থ সাৰথি মহন্তই। অনুষ্ঠানটোত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকিব অসম পশু চিকিৎসা বিজ্ঞান বিশ্ববিদ্যালয়ৰ উপাচাৰ্য নিৰঞ্জন কলিতা আৰু অসম প্ৰকাশন পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহা। আয়োজকসকলে জনোৱা অনুসৰি, গ্ৰন্থমেলাত যোগদান কৰিবলৈ ইতিমধ্যে বহু প্ৰকাশক আৰু গ্ৰন্থ বিক্ৰেতাই আবেদন জমা কৰিছে। সেইসকলক লাইখুঁটা স্থাপন অনুষ্ঠানত উপস্থিত থাকিবলৈ বিশেষভাৱে আমন্ত্ৰণ জনোৱা হৈছে। এই অনুষ্ঠানে গ্ৰন্থমেলাৰ আনুষ্ঠানিক আৰম্ভণিৰ সংকেত দিব বুলি আয়োজকসকলে আশাবাদী। 'গ্ৰন্থ-বৰ্ষ'ৰ ঘোষণাৰ পিছত ৰাজ্যত গ্ৰন্থ পঢ়াৰ প্ৰতি এক নতুন উৎসাহৰ সৃষ্টি হৈছে। এই গ্ৰন্থমেলাই সেই উৎসাহক আৰু বৃদ্ধি কৰিব বুলি বিশ্বাস কৰা হৈছে। গ্ৰন্থপ্ৰেমীসকলে এই মেলাত অংশগ্ৰহণ কৰি নতুন নতুন গ্ৰন্থৰ সৈতে পৰিচিত হোৱাৰ লগতে লেখক-পাঠকৰ মিলনৰ সুযোগ লাভ কৰিব পাৰিব।

২০২৬ৰ নিৰ্বাচনৰ পূৰ্বে দক্ষিণ কামৰূপ আৰু গোৱালপাৰাৰ ৩১২খন বড়ো গাঁও অধিসূচনাৰ জৰিয়তে (BKWAC) বি-কে-ডব্লিউ-এচি-ত অন্তৰ্ভুক্তিৰ দাবী

# দুধনৈত এবছুৰ জোৰ সমদল

**ষ্টাফ ৰিপৰ্টাৰ, দুধনৈ, ১৩ ডিচেম্বৰ ঃ** নিখিল বড়ো ছাত্ৰ সন্থা(এবছু)ই ২০২০ চনৰ ২৭ জানুৱাৰীত ত্ৰিপাক্ষিক চুক্তিৰ জৰিয়তে স্বাক্ষৰিত হোৱা বড়ো শান্তি চুক্তিৰ পিচতো চুক্তিখনত থকা কিছুমান গুৰুত্বপূৰ্ণ দফা ৰূপায়ণ কৰাত পলম হোৱা দেখা গৈছে নতুবা চৰকাৰে এই সমস্যা সমূহ সমাধানৰ বাবে ইচ্ছা প্ৰকাশ কৰা হোৱা নাই। সেয়েহে এই সমস্যা সমূহৰ আশু সমাধানৰ দাবীত লগতে অসম চৰকাৰক এই বিষয়ে মনত পেলাই দিবলৈ নিখিল বড়ো ছাত্ৰ সন্থাৰ আহ্বান মৰ্মে ১১ ডিচেম্বৰত সমগ্ৰ অসমৰ ৩০খন জিলাৰ লগতে লগতে গোৱালপাৰা জিলাৰ দুধনৈতো সন্ধিয়া ৬বজাত বজাত গোৱালপাৰা জিলা এবছুৰ উদ্যোগত জোৰলৈ প্ৰতিবাদী সমদল উলিওৱা হয়। দুধনৈস্থিত এবছু গোৱালপাৰা জিলা সমিতিৰ নেতৃত্বত মুখ্য কাৰ্যালয়ৰ পৰা উলিওৱা প্ৰতিবাদী সমদল টোৱে ২০২০ৰ চুক্তি মৰ্মে উল্লিখিত দফা সমূহ কাৰ্যকৰী কৰণৰ দাবীৰে "চুক্তি ৰূপায়ণ অবিহনে আমি ক্ষান্ত নহও", "আমাক ন্যায় লাগিবই", "আমাক ভূমিৰ অধিকাৰ দিয়ক", দঃকামৰূপ আৰু গোৱালপাৰাৰ "৩১২খন বড়ো অধ্যুষিত গাওঁ "বি কে ডব্লিউ এ চি(BKWAC)ত অন্তৰ্ভুক্তি কৰক", "বড়ো মাধ্যমৰ বিদ্যালয় প্ৰাদেশিকীকৰণ আৰু শিক্ষক নিযুক্তি দিয়ক", "ভেদাভেদৰ ৰাজনীতি নকৰিব" "বি টি আৰৰ বাহিৰত থকা বড়ো সকলৰ বাবে সুকীয়াকৈ টেট পৰীক্ষা অনুষ্ঠিত কৰক", "সেনা অৰ্ধসামৰিক বাহিনী আৰু অসম আৰক্ষীত বিশেষ বিবেচনাৰে বড়ো যুৱক নিযুক্তি দিয়া", প্ৰাক্তন বিএলটি এনডিএফবিৰ কেডাৰ সকলৰ গোচৰ প্ৰত্যাহৰ কৰা", আদি ধ্বনিৰে দুধনৈৰ ৰাজপথ উত্তাল কৰি তোলে। প্ৰায় পাঁচশতাধিক বড়ো জনগোষ্ঠীৰ লোকে এই প্ৰতিবাদী সমদলৰ জৰিয়তে বড়ো




ছাত্ৰ সংগঠনটোৱে অসম চৰকাৰক তেওঁলোকৰ অমীমাংসীত সমস্যা সমূহ বিধানসভা নিৰ্বাচনৰ আগতে সমাধান কৰাৰ বাবে মনত পেলাই দিয়ে। ইয়াৰ উপৰিও সংগঠনটোৱে বিটিআৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে আবণ্টন দিয়া কেন্দ্ৰীয় চৰকাৰৰ বিশেষ উন্নয়ন পেকেজৰ ১৫০০কোটি টকাৰে বি টি আৰত ইউ এনব্ৰহ্ম কেন্দ্ৰীয় বিশ্ববিদ্যালয়, ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় জনজাতি বিশ্ববিদ্যালয়(আঞ্চলিক চৌহদ), ৰাষ্ট্ৰীয় ক্ৰীড়া বিশ্ববিদ্যালয়, জৈৱিক বিশ্ববিদ্যালয়, উত্তৰ পূৰ আঞ্চলিক চিকিৎসা বিজ্ঞান প্ৰতিষ্ঠান, ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠান ইনডৰ আউটডৰ দুয়োটা ইভেণ্টৰ বাবে ৰাষ্ট্ৰীয় ষ্টেডিয়াম, হোটেল আৰু পৰ্যটন ব্যৱস্থাপনা প্ৰতিষ্ঠান, পশু চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, প্ৰতিখন জিলাত অতিৰিক্ত নৱোদয় বিদ্যালয়, বানাসুৰৰ নামত মাজবাটৰ পৰা হোলোংগীলৈ ঘাইপথ, ওদালগুৰি বাক্সা আৰু চিৰাঙত ভাৰতীয় ক্ৰীড়া কেন্দ্ৰ স্থাপন কৰা দাবী জনায়। ইয়াৰ উপৰিও সংগঠনটোৱে। প্ৰতিবাদী সমদলৰ অন্তত এবছু গোৱালপাৰা জিলা সমিতিৰ সভাপতি নিপন খাখলাৰী, গোৱালপাৰা জিলা এবছুৰ সম্পাদক দিগন্ত কছাৰী, কেন্দ্ৰীয় সমিতিৰ উপাধ্যক্ষ আকাশ খাখলাৰী, বিপিচিচিৰ আহ্বায়ক ধীৰাজ হাজোৱাৰী আৰু জিলা সমিতিৰ উপদেষ্টা সন্তোষ হাজোৱাৰী স্বাক্ষৰিত এখন স্মাৰক পত্ৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰে।

## চিলাকলা কৈৱৰ্ত প্ৰাথমিক বিদ্যালয় আৰু নতুন চাপৰি প্ৰাথমিক বিদ্যালয়ৰ অংশগ্ৰহণ

# নামনি মাজুলীৰ চিলাকলাত বন্ধু বিদ্যালয়ৰ কাৰ্যসূচী ৰূপায়ণ



**অসম বাৰ্তা, উজনী মাজুলী, ১৩ ডিচেম্বৰ ঃ** মাজুলী শিক্ষা খণ্ডৰ অন্তৰ্গত নামনি মাজুলীৰ ২১ নং চিলাকলা কৈৱৰ্ত প্ৰাথমিক বিদ্যালয়ত আজি দিনজোৰা কাৰ্যসূচীৰে বন্ধু বিদ্যালয়ৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মাজুলী জিলা সমগ্ৰ শিক্ষা অভিযানৰ নিৰ্দেশ অনুসৰি আজি চিলাকলা প্ৰাথমিক বিদ্যালয়ত ১৪৯নং নতুন চাপৰি প্ৰাথমিক বিদ্যালয়ৰ অংশগ্ৰহণৰে উক্ত বন্ধু বিদ্যালয়ৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে আজি চিলাকলা কৈৱৰ্ত প্ৰাথমিক বিদ্যালয়ত এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। বন্ধু বিদ্যালয়ৰ উক্ত কাৰ্যসূচীত দুয়োখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰী সকলে অংশগ্ৰহণ কৰে। পুৱা ন বজাত দুয়োখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰথমে প্ৰাতঃ সভা অনুষ্ঠিত হয়। উক্ত, প্ৰাতঃ সভাত দুয়োখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন অনুষ্ঠান প্ৰদৰ্শন কৰে। তাৰপিছত দুয়োখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত, প্ৰতিযোগিতা উদ্বোধনী অনুষ্ঠানত সভাপতিত্ব কৰে কৰে ২১ নং চিলাকলা কৈৱৰ্ত প্ৰাথমিক বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি নাৰায়ন মুক্তিয়াৰে। উক্ত, বন্ধু বিদ্যালয়ৰ প্ৰতিযোগিতাসমূহ উদ্বোধন কৰে সমগ্ৰ শিক্ষাৰ চিলাকলা আৰু বালিচাপৰি সমল কেন্দ্ৰৰ সমন্বয়ক ৰূপজ্যোতি শইকীয়াই। কাৰ্যসূচীত বিশিষ্ট অতিথি হিচাপে দুয়োখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে অংশগ্ৰহণ কৰে। দুয়োখন বিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা বন্ধু বিদ্যালয়ৰ উক্ত কাৰ্যসূচীত ছাত্ৰ ছাত্ৰীসকলৰ মাজত সংগীত চকী, মনোযোগী খেল, কাবাদী আদি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। প্ৰতিযোগিতাৰ অন্তত বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰা হয়। বন্ধু বিদ্যালয়ৰ উক্ত কাৰ্যসূচী সমূহ আঁত ধৰি পৰিচালনা কৰে ২১ নং চিলাকলা কৈৱৰ্ত প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰকাশ প্ৰসাদে।

# এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে নগাঁও জিলাত উপস্থিত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা শ্ৰীমতী বিজয়া ৰহাটকৰ



**অসম বাৰ্তা, নগাঁও, ১৩ ডিচেম্বৰ ঃ** ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া ৰহাটকৰ বিস্তৃত কাৰ্যসূচীৰে আজি নগাঁও জিলাত উপস্থিত হয়। অধ্যক্ষা গৰাকীয়ে প্ৰথমেই নগাঁও জিলা পৰিষদৰ সভা কক্ষত জিলাখনৰ অৰুনোদয়, প্ৰধানমন্ত্ৰী আবাস যোজনা, জননী সুৰক্ষা যোজনা, মাতৃ বন্দনা, মুখ্যমন্ত্ৰী উদ্যমিতা আঁচনিৰ হিতাধিকাৰী, অসম ৰাজ্যিক জীৱিকা অভিযানৰ আত্মসহায়ক গোট সমূহৰ সদস্যা, ভি.অ' সদস্যা, চি.এল.এফৰ সদস্যা আৰু লাখপতি বাইদেউ সকলৰ লগত এক সৌহাদ্যপূৰ্ণ অন্তৰংগ মত বিনিময় কাৰ্যসূচীত মিলিত হৈ এই আঁচনি সমূহৰ জৰিয়তে তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ডৰ পৰিৱৰ্তন, সামাজিক মৰ্যাদা আৰু তেওঁলোকৰ মানসিক পৰিৱৰ্তনৰ সন্দৰ্ভত বুজ লয়। অধ্যক্ষা গৰাকীয়ে কয় যে, মহিলা সকলে যদি একত্ৰিত হৈ যিকোনো কামত অগ্ৰসৰ হয়, তেতিয়া ই সমাজৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰে আৰু সমাজখন এক শুদ্ধ পথত আগবাঢ়ে। তেখেতে উল্লেখ কৰে যে, ৰাষ্ট্ৰীয় মহিলা আয়োগৰ উদ্দেশ্যই হৈছে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে মহিলাৰ বাবে গ্ৰহণ কৰা আঁচনি সমূহ সঠিক ৰূপায়ণ হৈছেনে তাক নিৰীক্ষণ কৰা আৰু এই আঁচনি সমূহৰ জৰিয়তে মহিলা সকল ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিকভাবে কিমান আত্মনিৰ্ভশীল হৈছে তাক সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰা। তেখেতে উল্লেখ কৰে যে, মা কামাখ্যাৰ আশীৰ্বাদ প্ৰাপ্ত অসমখন মহিলাক সন্মান প্ৰদান কৰা এখন অন্যতম ৰাজ্য। ড° ভূপেন হাজৰিকাদেৱৰ জন্ম স্থান এই অসম ভূমি সাংস্কৃতিক ক্ষেত্ৰত অতিকৈ চহকী আৰু ইয়াৰ কলা সংস্কৃতিয়ে সদায় তেওঁক আপ্লুত কৰি ৰাখিছে। তেখেতে সভাত উপস্থিত যিসকল মহিলাই চৰকাৰৰ জনকল্যাণমুখী আঁচনিৰ জৰিয়তে নিজকে সুপ্ৰতিষ্ঠিত কৰিছে তেওঁলোকক আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰে। জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়াই আঁত ধৰা আজিৰ এই অনুষ্ঠানত অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকা, ৰাষ্ট্ৰীয় মহিলা আয়োগৰ যুটীয়া সচিব ৰাধিকা চক্ৰৱৰ্তী, নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা, ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অৱৰ সচিব শালিনী ৰস্তুগী, অসম ৰাজ্যিক মহিলা আয়োগৰ উপাধ্যক্ষা বৰ্ণালী শইকীয়া বৰা, জিলা পৰিষদৰ সভানেত্ৰী গীতাঞ্জলি হাজৰিকা, অসম ৰাজ্যিক মহিলা আয়োগৰ সদস্যা মামণি বৰাকে প্ৰমুখ্য কৰি জিলা পৰিষদ আৰু অসম ৰাজ্যিক জীৱিকা অভিযানৰ বিষয়াসকল উপস্থিত থাকে। ইয়াৰ পিছতে অধ্যক্ষা গৰাকীয়ে নগাঁৱৰ আমনি স্থিত সম্প্ৰসাৰণ প্ৰশিক্ষণ কেন্দ্ৰ, গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ প্ৰেক্ষাগৃহত ৰাষ্ট্ৰীয় মহিলা আয়োগ, ভাৰত চৰকাৰৰ, অসম চৰকাৰ আৰু গোলাপ বৰবৰা ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠান, অসমৰ দ্বাৰা আয়োজিত "she is a changemaker" শীৰ্ষক পঞ্চায়তৰ নিৰ্বাচিত মহিলা প্ৰতিনিধি সকলৰ এক সজাগতা কৰ্মশালাৰ কাৰ্যসূচীৰ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে। উক্ত কাৰ্যসূচীৰ আদৰণি ভাষণ প্ৰদান কৰে জিলা আয়ুক্ত শ্ৰী দেৱাশিস শৰ্মাই আৰু উদ্দেশ্য ব্যাখ্যা কৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিশেষ সচিব মুনিন্দ্ৰ শৰ্মাই। উক্ত অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা গৰাকীয়ে বিকশিত ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত মহিলা সকলৰ নেতৃত্ব আৰু ভূমিকাৰ সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়াই। সমগ্ৰ দেশজুৰি বিভিন্ন ৰাজ্য সমূহত ৰাষ্ট্ৰীয় মহিলা আয়োগে বৰ্তমানলৈকে মহিলা সজাগতাৰ বাবে মহিলা পঞ্চায়ত প্ৰতিনিধি সকলৰ মাজত প্ৰায় ২০০টা সজাগতা কৰ্মশালাৰ প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰিছে। ৰাজনীতিত মহিলা সকলৰ সবল অংশগ্ৰহণৰ বাবে চৰকাৰৰ মহিলা সংৰক্ষণ বিধেয়কৰ ওপৰত কয় যে, ৰাজনৈতিক ক্ষেত্ৰত মহিলাসকলে তেওঁলোকৰ সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত পৰনিৰ্ভৰ নহৈ নিজৰ সিদ্ধান্ত নিজেই গ্ৰহণ কৰিব লাগিব। তেতিয়াহে আমাৰ দেশৰ লগতে সমাজখন সকলো ক্ষেত্ৰতে আগবাঢ়ি যাব পাৰিব। বাল্যবিবাহ, যৌতুক প্ৰথা, গাৰ্হস্থ্য হিংসাৰ ক্ষেত্ৰত অনুষ্ঠানত উপস্থিত নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধি সকলক সতৰ্ক দৃষ্টি ৰখাৰ লগতে নাৰী শিক্ষা, আৰু চৰকাৰী আঁচনিৰ পৰা যাতে কোনো এগৰাকী মহিলা বঞ্চিত নহয়, তাৰ প্ৰতি সদা সতৰ্ক হৈ থাকিবলৈ আহ্বান জনায়। তেখেতে কন্যা শিক্ষাৰ প্ৰচাৰৰ বাবে ভাৰত চৰকাৰ "বেটি বচাও, বেটি পঢ়াও" লগতে ৰাজ্য চৰকাৰৰ "নিযুত মইনা আঁচনি" আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ "মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ" ভূয়সী প্ৰশংসা কৰে। এই ভ্ৰমণসূচীত নগাঁও জিলা প্ৰশাসনৰ অতিথ্যৰ বাবে তেওঁ প্ৰশাসনক ধন্যবাদ জ্ঞাপন কৰে। আজিৰ এই অনুষ্ঠানতে অধ্যক্ষা গৰাকীয়ে "পঞ্চায়ত কি জননায়িকাই" শীৰ্ষক এখনি পুস্তিকাৰ শুভ উন্মোচন কৰে। অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়াই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ যুটীয়া সঞ্চালক শ্ৰী অনুপম দত্তই। আজিৰ এই অনুষ্ঠানত নগাঁও আৰু হোজাই জিলাৰ জিলা পৰিষদৰ সভানেত্ৰী দ্বয়কে প্ৰমুখ্য কৰি জিলা দুখনৰ জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত, গাঁও পঞ্চায়ত আৰু পৌৰসভাৰ নিৰ্বাচিত মহিলা প্ৰতিনিধি সকল উপস্থিত থাকি কৰ্মশালাখনিত প্ৰশিক্ষণ গ্ৰহণ কৰে। অধ্যক্ষা গৰাকীয়ে ইয়াৰ পিছতেই জিলা আয়ুক্ত কাৰ্য্যালয়ৰ সভা কক্ষত সংশি-ষ্ট বিভাগৰ বিষয়াসকলৰ লগত এক পৰ্য্যালোচনা বৈঠকত মিলিত হয়। সভাৰ আৰম্ভণিতে অধ্যক্ষা গৰাকীক জিলা প্ৰশাসনৰ হৈ জিলা আয়ুক্ত গৰাকীয়ে সম্ভাষণ জনাই লগতে জিলা আয়ুক্ত গৰাকীৰ বিশেষ উদ্যোগত উপস্থিত সকলোৱে ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত " মানুহে মানুহৰ বাবে" সমস্বৰে পৰিৱেশন কৰি অধ্যক্ষা গৰাকীক উষ্ম আদৰনি জনায়। উক্ত সভাত অধ্যক্ষা গৰাকীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, সমাজ কল্যাণ, জলসিঞ্চন, One Stop Center আদিকে ধৰি বিভিন্ন বিভাগৰ পৰা তেওঁলোকে মহিলাৰ বাবে গ্ৰহণ কৰা আঁচনি সমূহৰ বুজ লয়। অধ্যক্ষা গৰাকীয়ে নগাঁও আৰক্ষী নিৱেশৰ সভা কক্ষত জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাৰ লগতে জেষ্ঠ আৰক্ষী বিষয়াসকলৰ লগত মহিলাৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা কাৰ্যব্যৱস্থাৰ ওপৰত এখনি বৈঠকত মিলিত হয়। অধ্যক্ষা গৰাকীয়ে আৰক্ষী নিবেশৰ সভা কক্ষতে জিলাখনৰ সংবাদ কৰ্মী সকলৰ লগত এখনি সংবাদমেল সম্বোধন কৰে। ইয়াৰ পিছতে অধ্যক্ষা গৰাকীয়ে নগাঁৱৰ সদৰ আৰক্ষী থানাখন পৰিদৰ্শন কৰে।

# পুৰণিগুদাম চলচলিত অজগৰ সাপ উদ্ধাৰ

**অসম বাৰ্তা, পুৰণিগুদাম, ১৩ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ শালনা আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অধীনৰ পুৰণিগুদাম চলচলি নলবৰা গাঁৱত আজি দুপৰীয়া প্ৰায় ১২ ফুট দৈৰ্ঘ্যৰ এডাল অজগৰ সাপ উদ্ধাৰ কৰে অৰণ্য সুৰক্ষা সমিতিয়ে। গাঁওখনৰ তৰুণ বৰাৰ বাসগৃহত অজগৰ সাপডাল দেখি বন বিভাগক খবৰ দিয়াৰ পিছতে অৰণ্য সুৰক্ষা সমিতিৰ মানুহ আহি অজগৰ সাপটো উদ্ধাৰ কৰি চাপানালাৰ চোৰাং বনাঞ্চলত এৰি দিয়ে। উল্লেখযোগ্য যে, যোৱা কিছুদিন ধৰি গাঁওখনৰ কোনো কোনো স্থানত অজগৰ সাপ ৰাইজে প্ৰত্যক্ষ কৰি আহিছে। অজগৰৰ বিচৰণ ভূমি হিচাপে পৰিচিত অঞ্চলটোত এতিয়া দিনে-নিশাই অজগৰ সাপ ওলোৱাৰ ভয়ত দিন অতিবাহিত কৰিছে স্থানীয় ৰাইজে।

মুখ্যমন্ত্ৰীক প্ৰত্যাহ্বান গোধন সৰবৰাহকাৰীৰ

# গো সুৰক্ষা আইনক ভেঙুচালি, ডিমৌত ৫০টা গৰুসহ ৫খন বাহন জব্দ

### দুষ্টচক্ৰই জব্দকৃত বাহনসমূহ মুকলাই নিয়াৰ অপচেষ্টা; ডিমৌত তীব্ৰ প্ৰতিক্ৰিয়া



**অসম বাৰ্তা, ডিমৌ, ১৩ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশনা আৰু গো সুৰক্ষা আইন, ২০২১ বলৱৎ থকাৰ পিছতো উজনি অসমত যে গোধনৰ অবাধ সৰবৰাহ চলি আছে, তাৰ পুনৰ প্ৰমাণ হ'ল ডিমৌত চলা আৰক্ষীৰ এক অভিযানত। ডিমৌ মহকুমা আৰক্ষী অধীক্ষকৰ নেতৃত্বত চলা এই অভিযানত তিনিচুকীয়াৰ বৰডুমচাৰ পৰা অহা ৫০টাৰো অধিক গোধন আৰু পোৱালি কঢ়িয়াই অনা পাঁচখন বাহন জব্দ কৰে ডিমৌ আৰক্ষীয়ে। জব্দ কৰা বাহনসমূহৰ ভিতৰত আছে এখন টাটা ৪০৭, এখন টাটা ডি আই, আৰু তিনিখন ব'লেৰো বাহন। এই সকলোবোৰ বাহনতে ঠাহ খাই আছিল প্ৰায় ৫০টা ডাঙৰ গৰুৰ লগতে কেইবাটাও পোৱালি। ইমান বৃহৎ পৰিমাণৰ গোধন জব্দ হোৱা ঘটনাই পুনৰবাৰ প্ৰমাণ কৰিলে যে এই অঞ্চলত এটা বৃহৎ আৰু শক্তিশালী চক্ৰৰ ছত্ৰছায়াত দৈনিক হাজাৰে হাজাৰে গৰু সৰবৰাহ হৈ আছে। এই সন্দৰ্ভত ৰাইজে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। গো সুৰক্ষা আইনক ভ্ৰূক্ষেপ নকৰি, দিনে-নিশাই নিৰ্বিঘ্নে উজনি অসমৰ তিনিচুকীয়া, ডিব্ৰুগড়ৰ দৰে জিলাসমূহৰ পৰা এনেদৰে গোধন সৰবৰাহ হোৱাটোৱে চৰকাৰৰ নীতি আৰু আইন বলৱৎকাৰী সংস্থাৰ ওপৰত বহু প্ৰশ্নৰ অৱতাৰণা কৰিছে। ৰাইজে অভিযোগ কৰিছে যে গৰু সৰবৰাহৰ লগত জড়িত এই মইমতালি চলাই থকা চক্ৰটোৱে এক প্ৰকাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশনা আৰু আইনক প্ৰত্যাহ্বান জনাইছে। কাৰণ এই বৃহৎ সৰবৰাহৰ আঁৰত কোনোবা ক্ষমতাশীল ব্যক্তি বা চক্ৰ জড়িত নহ'লে এনেদৰে শ শ গাড়ীৰে নিৰ্বিঘ্নে চোৰাং ব্যৱসায় চলাই যাব পৰাটো সম্ভৱ নহয়। এই 'কোনে ক'ত কিমান ধন দি এই কাম কৰিছে' - এতিয়া সেয়াই সৰ্বত্ৰে আলোচনাৰ বিষয় হৈ পৰিছে। আটাইতকৈ উদ্বেগজনক খবৰটো হ'ল - ডিমৌ আৰক্ষী থানাৰ চৌহদত জব্দ কৰা বাহনসমূহ ৰখাৰ পিছতে কেইবাজনো ব্যক্তিৰ আগমন ঘটে। বিষয়ে সূত্ৰে খবৰ পোৱা গৈছে যে গোধন সৰবৰাহৰ লগত জড়িত এই গাড়ীসমূহ মুকলাই নিয়াৰ বাবে এক দুষ্ট চক্ৰৰ অপ্ৰাণ প্ৰচেষ্টা চলি আছে। এনে এক জঘন্য অপৰাধৰ সৈতে জড়িত বাহনসমূহক কোনো ৰাজনৈতিক বা ক্ষমতাশীল হেঁচাত যদি মুকলি কৰি দিয়া হয়, তেন্তে গো সুৰক্ষা আইনৰ উদ্দেশ্য চূড়ান্তভাৱে ব্যৰ্থ হ'ব আৰু ডিমৌ অঞ্চলত ইয়াৰ তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হোৱাটো নিশ্চিত। সচেতন মহলে দাবী জনাইছে যে আৰক্ষীয়ে কোনো হেঁচাত নপৰি এই চক্ৰটোক কঠোৰ হাতেৰে দমন কৰিব লাগে আৰু এই সৰবৰাহৰ আঁৰৰ মূল অভিযুক্ত তথা ছত্ৰছায়াকাৰীসকলক পোহৰলৈ আনি আইনী শাস্তি প্ৰদান কৰিব লাগে। লগতে গো সুৰক্ষা আইনক কাগজে-কলমে সীমাবদ্ধ নাৰাখি আৰক্ষীয়ে তৎকালীনভাৱে এক বৃহৎ অভিযান চলোৱাৰ এতিয়া একান্তই প্ৰয়োজন হৈ পৰিছে বুলি বিভিন্ন সচেতন মহলে তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে।

১ পৃষ্ঠাৰ পৰা

# ২৯ ডিচেম্বৰত বটদ্ৰৱাৰ প্ৰকল্পস্থলীলৈ আহিব

হাজৰিকাৰ নেতৃত্বত এটা উচ্চপৰ্যায়ৰ দল। এই প্ৰকল্পটো আগন্তুক ২৯ ডিচেম্বৰত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাইজৰ বাবে মুকলি কৰিব বুলি প্ৰকাশ কৰে জলসম্পদ মন্ত্ৰী পীযূষ হাজৰিকাই। প্ৰকল্পস্থলী পৰিদৰ্শনৰ সময়তে মন্ত্ৰী হাজৰিকাই কয়, "শ্ৰীমন্ত শংকৰদেৱৰ ভেটিত কোনো অচিনাকি লোকে হাত দিলে তেওঁক ক্ষমা কৰা নহ'ব। যিসকলে ওচৰে-পাজৰে বেদখল কৰি আছে, তেওঁলোকে এতিয়াই আঁতৰি যোৱা ভাল।" এই মন্তব্যৰ জৰিয়তে প্ৰকল্পৰ পৱিত্ৰতা আৰু ঐতিহ্য ৰক্ষাৰ প্ৰতি মন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। ইফালে, সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কংগ্ৰেছ দলক লক্ষ্য কৰি মন্ত্ৰী হাজৰিকাই কয়, "কংগ্ৰেছে অসমৰ অৱস্থা বেয়া কৰি থৈ গৈছিল আৰু এতিয়াও পুনৰ বেয়া কৰাৰ চিন্তা কৰি আছে।" তেওঁৰ এই মন্তব্যই ৰাজনৈতিক মহলত চৰ্চা লাভ কৰিছে। উল্লেখ্য যে, এই ঐতিহাসিক বটদ্ৰৱা প্ৰকল্পৰ ভিত্তিপ্ৰস্তৰ স্থাপন কৰিছিল কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে নিজেই, ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত। প্ৰায় ২০০ কোটি টকা ব্যয়েৰে নিৰ্মাণাধীন এই বৃহৎ প্ৰকল্পটোত পৃথিৱীৰ আটাইতকৈ ওখ গুৰু আসন, সত্ৰীয়া সংস্কৃতিৰ প্ৰতিফলন ঘটোৱা বিভিন্ন কাৰুকাৰ্য্যযুক্ত অতিথি গৃহ, দেৱবাদ্য তালৰ আকৃতিৰ কলাকেন্দ্ৰ (অডিটৰিয়াম), খোলৰ আকৃতিৰ গৱেষণা কেন্দ্ৰ, নাৱৰ আকৃতিৰ কৌশল বিকাশ কেন্দ্ৰ আৰু জাপিৰ আকৃতিৰ নাটঘৰকে ধৰি বিভিন্ন নিৰ্মাণকাৰ্য্য সম্পূৰ্ণ হোৱাৰ পথত। ওম কনষ্ট্ৰাকছনৰ তত্ত্বাৱধানত নিৰ্মীয়মাণ এই প্ৰকল্পটোত থলুৱা গছ-গছনি ৰোপণ কৰি প্ৰকৃতিক সৌন্দৰ্য্য বৃদ্ধিৰ প্ৰচেষ্টাও অব্যাহত আছে। আজিৰ পৰিদৰ্শনত মন্ত্ৰী পীযূষ হাজৰিকাৰ লগতে জলসম্পদ মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মা, জিতেন্দ্ৰ গোস্বামী আৰু শশীকান্ত দাস উপস্থিত থাকে। তেওঁলোকে জিলা আয়ুক্ত দেৱাশিস শৰ্মা, জিলা আৰক্ষী অধীক্ষক স্বপ্নীল ডেকাকে ধৰি লোকনিৰ্মাণ বিভাগকে আদি কৰি বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগত প্ৰকল্পস্থলীৰ বিভিন্ন দিশ পৰ্য্যালোচনা কৰে। গৃহমন্ত্ৰী অমিত শ্বাহৰ আগমনৰ দিনা প্ৰায় ৬০ হাজাৰ ভক্তৰ সমাগমৰ পৰিকল্পনা কৰা হৈছে বুলি মন্ত্ৰী হাজৰিকাই প্ৰকাশ কৰে। নগাঁও বটদ্ৰৱা, ৰহা, বঢ়মপুৰ, জাগীৰোড আৰু কলিয়াবৰ সমষ্টিৰ বিভিন্ন অঞ্চলৰ পৰা ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিৰে নামকীৰ্তন, গায়ন-বায়নৰ মাজেৰে মাংগলিক অনুষ্ঠানৰে প্ৰকল্পটো ৰাইজৰ বাবে মুকলি কৰা হ'ব। ২০১৬ চনৰ ছেপ্তেম্বৰ মাহত বেদখলমুক্ত কৰা ১৬০ বিঘা ভূমিত গঢ়ি উঠা এই প্ৰকল্পই শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থানক বিশ্বৰ ধৰ্মীয় আৰু আধ্যাত্মিক গৱেষণাৰ এক মহাকেন্দ্ৰলৈ ৰূপান্তৰিত কৰাৰ সংকল্প বহন কৰিছে। বটদ্ৰৱা তথা নগাঁৱৰ ৰাইজৰ মাজত এই প্ৰকল্পক লৈ ব্যাপক আশাবাদৰ সৃষ্টি হৈছে।

# যোৰহাটৰ ম'হবন্ধাৰ বৃদ্ধা হত্যাকাণ্ডৰ দুই অভিযুক্তক গ্ৰেপ্তাৰ

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ১৩ ডিচেম্বৰ ঃ** যোৰহাট পুলিবৰ থানা এলেকাৰ ম'হবন্ধা চাহ বাগিছাত ১০ ডিচেম্বৰত সংঘটিত আৰু ১১ ডিচেম্বৰৰ পুৱা উদ্ধাৰ হোৱা ৭০ বছৰীয়া কুন্তী তাঁতীৰ হত্যাকাণ্ডত জড়িত দুই অভিযুক্তক আজি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। যোৰহাটৰ অতিৰিক্ত আৰক্ষী অধীক্ষক কৰ্ণৰ পাটোৱাৰীৰ নেতৃত্বত যান-বাহন আৰক্ষীৰ উপ-পৰিদৰ্শক উৎপল দত্তৰ লগতে পুলিবৰ থানাৰ আৰক্ষীয়ে বৃদ্ধা হত্যাকাৰী সুভাষ কামান (শংকৰ)ক মৰিয়নিৰ গিবন অভয়াৰণ্যৰ সমীপৰ পৰা আৰু মুন্না লোহাৰক বোকাখাত থানাৰ আৰক্ষীৰ সহযোগত বোকাখাতৰ ইকৰাজানৰ পৰা কৰায়ত্ত কৰিবলৈ সক্ষম হয়। দুয়োটা হত্যাকাৰীকে আৰক্ষীয়ে জেৰা কৰি আছে। উল্লেখ্য যোৰহাট ম'হবন্ধা চাহ বাগিচাৰ জিয়াৰী-বোৱাৰী কুন্তী তাঁতীয়ে ১০ ডিচেম্বৰৰ সন্ধিয়া ভায়েকৰ ঘৰৰ পদূলিমুখৰ পথৰ কাষত জুই পুৱাই থকাৰ পৰা দুই হত্যাকাৰীয়ে চুঁচৰাই নি বাগানৰ মাজত অসৎ কাৰ্য চৰিতাৰ্থ কৰি আঘাতহানী হত্যা কৰিছিল। চকুৰে কম দেখা বৃদ্ধাগৰাকীক চুঁচৰাই নিওতে পিন্ধি থকা কাপোৰ, আ-অলংকাৰ বাটত পৰি গৈছিল। হত্যাকাৰীয়ে চুকা অস্ত্ৰ, তুপি মৃত দেহৰ সমিপতে পেলাই থৈ গৈছিল। পৰিয়ালৰ লোকে নিশা বিচাৰ-খোঁচাৰ কৰিও বৃদ্ধাগৰাকীক পোৱা নাছিল। ঘৰৰপৰা কিছু নিলগত চাহ বাগিচাৰ মাজত ১১ ডিচেম্বৰৰ পুৱা কুন্তী তাঁতীৰ মৃতদেহ অৰ্ধ-উলংগ অৱস্থাত পৰিয়ালৰ লোক আৰু স্থানীয় লোকে প্ৰত্যক্ষ কৰিছিল। পুলিবৰ থানাৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰিক্ষাৰ বাবে জেএমচিএইছলৈ প্ৰেৰণ কৰে। ইফালে স্নিফাৰ ডগ আৰক্ষীয়ে অনুসন্ধান কৰে। সেই খবৰ পাই দুয়ো হত্যাকাৰীয়ে পলায়ন কৰে। আৰক্ষীয়ে গোপন খবৰৰ ভিত্তিত আজি বোকাখাত আৰু মৰিয়নিৰ পৰা দুয়ো হত্যাকাৰীকে আৰক্ষীয়ে আটক কৰে। কুন্তী তাঁতীৰ পুত্ৰ সুৰেশ তাঁতীয়ে আজি দুই হত্যাকাৰীৰ নাম উল্লেখ কৰি যোৰহাট পুলিবৰ থানাত এজাহাৰ দাখিল কৰে।

১ পৃষ্ঠাৰ পৰা

# গুৱাহাটীত উপস্থিত বলিউডৰ জনপ্ৰিয়

নিগমে অসমলৈ আহিছে। আগন্তুক ১৪ ডিচেম্বৰত গুৱাহাটীৰ গ্ৰীণউড ৰিজৰ্টত তেওঁৰ প্ৰথমবাৰৰ একক লাইভ কনচাৰ্ট অনুষ্ঠিত হ'ব। এই কনচাৰ্টৰ জৰিয়তে চনু নিগমে নিজৰ বহু প্ৰত্যাশিত 'দিৱানা তেৰা ট্যুৰ'ৰ শুভাৰম্ভ কৰিব। দিল্লীৰ পৰা বিমানযোগে গুৱাহাটীত উপস্থিত হোৱা চনু নিগমে দুদিনীয়া কাৰ্যসূচীৰে অসম ভ্ৰমণ কৰিছে। বিমানবন্দৰত উপস্থিত হোৱাৰ পিছতেই শিল্পীগৰাকীয়ে অসমৰ প্ৰাণৰ শিল্পী স্বৰ্গীয় জুবিন গাৰ্গক সুঁৱৰি আৱেগিক মন্তব্য প্ৰকাশ কৰে। তেওঁ কয়, "অসমত জুবিনৰ লগত লগ পোৱাৰ পৰাই মোৰ কিছুমান বিশেষ স্মৃতি জড়িত হৈ আছে। ১৯৯৭ চনৰ পৰা জুবিনৰ লগত মোৰ বন্ধুত্ব আছিল। হঠাৎ কি হৈ গ'ল, একোৱেই গম নাপালো। অসমৰ মানুহে জুবিনক যিমান মৰম দিছিল, সেই একতা আৰু শ্ৰদ্ধা দেখি মই গভীৰভাৱে আৱেগিক হৈ পৰিছো। অসমত অনুষ্ঠান কৰা মানে জ্ঞানী আৰু সংস্কৃতিপ্ৰেমী মানুহৰ মাজত অনুষ্ঠান কৰা।" উল্লেখ্য যে, চনু নিগমে পূৰ্বে গুৱাহাটীত একে এখন মঞ্চত জুবিন গাৰ্গৰ সৈতে পৰিৱেশন কৰিছিল। সেই মধুৰ স্মৃতি আজিও তেওঁৰ মনত জীয়াই আছে। জুবিন গাৰ্গৰ অকাল বিয়োগে শিল্পীগৰাকীৰ ওপৰত গভীৰ প্ৰভাৱ পেলাইছে আৰু সেয়েহে তেওঁৰ ব্যক্তিগত সিদ্ধান্ততেই 'দিৱানা তেৰা ট্যুৰ'ৰ আৰম্ভণি গুৱাহাটীৰ পৰা কৰা হৈছে। আয়োজকৰ এক প্ৰেছ বিবৃতিত এই কথা সদৰি কৰা হৈছে। গুৱাহাটীৰ পিছত এই ট্যুৰখন ইন্দোৰ, জয়পুৰ আৰু লক্ষ্ণৌকে ধৰি অন্যান্য চহৰত পৰিৱেশন কৰা হ'ব। চনু নিগমে তেওঁৰ জনপ্ৰিয় গীতসমূহৰ এক বিশেষ সংকলন দৰ্শকক উপহাৰ দিব। এই কনচাৰ্টত জুবিন গাৰ্গক সন্মান জনোৱাৰ এক বিশেষ অংশও থাকিব বুলি জানিব পৰা গৈছে। অসমৰ সংগীতপ্ৰেমী ৰাইজৰ মাজত এই খবৰে ব্যাপক উৎসাহৰ সৃষ্টি কৰিছে। শেহতীয়াকৈ প'ষ্ট মেলনৰ কনচাৰ্টৰ পিছত গুৱাহাটী আন্তঃৰাষ্ট্ৰীয় তাৰকাসকলৰ বাবে এক প্ৰিয় গন্তব্যস্থল হৈ পৰিছে। চনু নিগমৰ এই সফৰে অসমৰ সাংস্কৃতিক জগতখনক আৰু সমৃদ্ধ কৰি তুলিব বুলি আশা কৰা হৈছে।

# ডিব্ৰুগড় বিশ্ববিদ্যালয়ত প্ৰসিদ্ধ গণিতজ্ঞ ড° গোপাল চন্দ্ৰ হাজৰিকাৰ দুখন গ্ৰন্থ উন্মোচন



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৩ ডিচেম্বৰ ঃ** ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইন্দিৰা মিৰি পেক্ষাগৃহত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° জিতেন হাজৰিকাৰ সভাপতিত্বত গ্ৰন্থ উন্মোচনী অনুষ্ঠান অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ অংকশাস্ত্ৰ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, বিশিষ্ট লেখক, সুবক্তা, মেধাসম্পন্ন ড° গোপাল চন্দ্ৰ হাজৰিকাৰ দ্বাৰা ৰচিত সোঁৱৰণিৰ কুৱঁলী ফালি ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জীৱন আৰু গীতৰ আঁৰৰ কিছু কথা উন্মোচন কৰে অৱসপ্ৰাপ্ত প্ৰাধ্যাপক ড° প্ৰদীপ কুমাৰ বৰুৱা আৰু অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক প্ৰবীণ কুমাৰ গগৈয়ে। দুয়োগৰাকী উন্মোচকে লেখক তথা প্ৰসিদ্ধ গণিতজ্ঞ গোপাল চন্দ্ৰ হাজৰিকাৰ দ্বাৰা ৰচিত দুয়োখন গ্ৰন্থ আৰু গ্ৰন্থাকাৰৰ বিষয়ে অতি সুন্দৰ আৰু ৰসালপূৰ্ণ বক্তব্য ৰাখে। ডিব্ৰুগড় বিশ্ববদ্যালয়ৰ পঞ্জীয়ক ড° পৰমানন্দ সোণোৱালে গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ আদৰণী ভাষণ প্ৰদান কৰা অনুষ্ঠানটোত অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰদীপ গগৈ, তিনিচুকীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, সুৰকাৰ ড° ভূবন গগৈয়ে গ্ৰন্থ ৰচনা আৰু ইয়াৰ অন্তৰালৰ বিভিন্ন দিশৰ সন্দৰ্ভত মনৰ ভাব ব্যক্ত কৰে। বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকাই গ্ৰন্থ দুখনৰ লগত বিশ্ববিদ্যালয়ৰ বিশেষ ভাৱে যোগসূত্ৰ থকা বুলি কয়। বিশ্ববিদ্যালয়ৰ স্মৃতি ৰোমন্থন কৰি ৰচনা কৰা গ্ৰন্থখনে ষাঠি বছৰীয়া শিক্ষানুষ্ঠানৰখনৰ সৈতে বিশেষ ভাবে জড়িত বুলি কোৱা লগতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবৰ্ষৰ লগত সংগতি ৰাখি ৰচনা কৰা দৰে কাকতলীয় ভাবে সংযোগ ঘটা বুলি নিজৰ ভাষণত উল্লেখ কৰে। অনুষ্ঠানটোত বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপক ড° শৰৎ কাকতি, ড° চন্দন শৰ্মা, ড° শশীকান্ত শইকীয়া, ড° লখিৰাম শইকীয়া, ড°পল্লৱী ডেকা বুজৰবৰুৱা, ড° জয়দেৱ গোস্বামী, ড° ৰূপম শইকীয়া, ড° মুকুট হাজৰিকা, ড° কল্যাণ ভূঞা, ড° মানসী গগৈ, ড° জিতু বৰা, ড° উৎপল দাস, প্ৰকল্প ৰঞ্জন ভাগৱতী, ড° ৰঞ্জিত সিনহাকে ধৰি বিশ্ববিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা, গৱেষক ছাত্ৰ ছাত্ৰী সকল উপস্থিত আছিল। গ্ৰন্থ উন্মোচনী অনুষ্ঠানৰ আঁত ধৰে ড° মনশ্ৰী চেতিয়াই।

# জাজৰিত দুদিনীয়া কাৰ্যসূচীৰে জনগোষ্ঠীয় সমাৰোহ আৰম্ভ



**অসম বাৰ্তা, বেৰেজীয়া, ১৩ ডিচেম্বৰ ঃ** সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ নগাঁও আৰু মৰিগাঁও জিলা সমিতিৰ আতিৰ্থত বিভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়স্থলি অবিভক্ত নগাঁৱৰ জাজৰি মহৰ সিং চৰ্দাৰ ক্ষেত্ৰত আজিৰে পৰা আৰম্ভ হৈছে জনগোষ্ঠীয় সমাৰোহ। ১৩ আৰু ১৪ ডিচেম্বৰ দুদিনীয়াকৈ আৰম্ভ হোৱা এই জনগোষ্ঠীয় সমাৰোহৰ আজি পুৱাৰ ভাগত পতাকা উত্তোলনেৰে অনুষ্ঠান আৰম্ভ কৰে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা তথ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি মুন আলি ঠাকুৰীয়াই। তাৰ পিছতে শ্বহীদ তৰ্পণ কৰে পৰিষদৰ মৰিগাঁও জিলাৰ সাধাৰণ সম্পাদক মনোৱাৰ হুছেইনে। দিনৰ ১১ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু অমৃতকণ্ঠ জুবিন গাৰ্গৰ প্ৰতিচবিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে ক্ৰমে পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকৰী সভাপতি মোজাম্মিল হক আৰু নগাঁও জিলা সমিতিৰ কাৰ্যকৰী সভাপতি মফিজ উদ্দিন আহমেদে। তাৰ পিছতে প্ৰদৰ্শনিৰ দ্বাৰ উন্মোচন কৰে পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা ফাইজুৰ ৰহমানে। ইয়াৰ পিছতে মহৰ সিং চৰ্দাৰ ক্ষেত্ৰত কেইবাটিও নাহৰ পুলি ৰোপণ কৰা হয়। আজি বিয়লি ৩ বজাত অনুষ্ঠিত হয় "কৃত্ৰিম বুদ্ধিমত্তাৰ যুগত শিক্ষা, জাতীয় আৰু সামাজিক দায়বদ্ধ ঃ প্ৰত্যাহ্বান আৰু সম্ভাৱনা" শীৰ্ষক শৈক্ষিক আলোচনাচক্ৰ অনুষ্ঠিত হয়। অভ্যৰ্থনা সমিতিৰ উপ সভাপতি আবুল খায়েৰ আহমেদৰ সঞ্চালনাত অনুষ্ঠিত শৈক্ষিক আলোচনাচক্ৰখনি উদ্বোধন কৰে পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক আৰিফ উদ্দিন আহমেদে। আলোচক হিচাপে ভাগ লয় মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড° হৰমোহন কলিতা, বিশিষ্ট সাহিত্যিক মিলেশ্বৰ পাটৰ, অধ্যাপিকা ড° চাহিন জাফৰি আৰু আলহাজ তৌফিক আলম আনচাৰিয়ে। সন্ধ্যা ৭ বজাত এমুঠি গীতৰ শৰাই অনুষ্ঠান মুকলি কৰিব বিশিষ্ট সমাজকৰ্মী ধৰণীধৰ বুঢ়াগোঁহায়ে। কাইলৈ জনগোষ্ঠীয় সমাৰোহৰ মূল কাৰ্যসূচী সাংস্কৃতিক শোভাযাত্ৰা আৰু দিনৰ ১ বজাত জনগোষ্ঠীয় সমাৰোহ অনুষ্ঠিত হব।

## বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব ঠাকুৰীয়াক বিশেষ সম্বৰ্ধনা

# মৰিগাঁও পি এম চি বালিকা বিদ্যালয়ত নৱাগত আদৰণী সভা



**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ১৩ ডিচেম্বৰ ঃ** মৰিগাঁৱৰ ঐতিহ্যমণ্ডিত পি এম চি বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এখন নৱাগত আদৰণী সভা আজি বৰ্ণাঢ্য কাৰ্যক্ৰমনিকাৰে বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত হয়। বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি অতনু কুমাৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত নৱাগত আদৰণী সভাৰ আৰম্ভণিতে আদৰণী ভাষণ প্ৰদান কৰে বিদ্যালয়খনৰ অধ্যক্ষ অমিয় কুমাৰ বৰাই। এই সভাতে শেহতীয়াকৈ সন্মানীয় ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ বাবে মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ড° অপূৰ্ব ঠাকুৰীয়াক বিদ্যালয় পৰিচালনা সমিতিয়ে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। গাম্ভীৰ্যপূৰ্ণ সভাখনত মৰিগাঁৱৰ প্ৰাক্তন বিধায়ক, বিশিষ্ট কবি হৰেন্দ্ৰ বৰা, সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক ৰূপজ্যোতি মেধি, মৰিগাঁও পৌৰসভাৰ প্ৰাক্তন পৌৰপতি অৰ্চনা বৰদলৈ, বিশিষ্ট লেখিকা শেৱালি শৰ্মা বৰকটকী, জাৰ্জিনা বেগম প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# অভয়াপুৰীত মোবাইল ফোনৰ দোকানত চুৰি

**অসম বাৰ্তা, বঙাইগাঁও, ১৩ ডিচেম্বৰ ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীত যোৱা নিশা দুৰ্বৃত্তই মোবাইল ফোনৰ ব্যৱসায়িক প্ৰতিষ্ঠানত প্ৰৱেশ কৰি বৃহৎ সংখ্যক মোবাইল ফোন চুৰি কৰি নিয়ে। জানিব পৰা মতে অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপৰ তথা পাছদুৱাৰ তিনিআলিত থকা টেংনামাৰীৰ জিয়াবুল হকৰ 'জিয়া মোবাইল ষ্টোৰ্চ' নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনত যোৱা নিশা চালৰ টিন, চিলিং কাটি ভিতৰত প্ৰৱেশ কৰে। পাছত দুৰ্বৃত্তই ৫০টা মান মোবাইল ফোনৰ হেণ্ডছেট লুট কৰি নিয়ে। প্ৰতিষ্ঠানখনত সংলগ্ন থকা চি চি টিভিৰ ফুটেজ অনুসৰি দুৰ্বৃত্তই নিশা ২ মান বজাত মুখ ঢকা টুপী পৰিধান কৰি লুটপাত চলায়। ৰিপায়িৰিং কৰাৰ বাবে ৰখা মোবাই ফোনৰ হেণ্ডছেটৰ মূল্য আনুমানিক ৪ লাখ টকা মূল্যৰ হ'ব বুলি ধাৰণা কৰা হৈছে।

## পথ নিৰ্মাণ আৰু পশুপালন আঁচনিৰ অগ্ৰগতি পৰীক্ষা

# বঙাইগাঁৱত মন্ত্ৰী কৃষ্ণেন্দু পালৰ বিভাগীয় পৰ্যালোচনা




**অসম বাৰ্তা, বঙাইগাঁও, ১৩ ডিচেম্বৰ ঃ** অসম চৰকাৰৰ গুৰুত্বপূৰ্ণ তিনিটা বিভাগ-লোকনিৰ্মাণ (পথ), পশুপালন আৰু মীন বিভাগৰ মন্ত্ৰী শ্ৰী কৃষ্ণেন্দু পালে আজি বঙাইগাঁও জিলাত উপস্থিত হৈ বিভাগীয় বিষয়াসকলৰ সৈতে এখন বিস্তৃত পৰ্যালোচনা সভাত মিলিত হয়। জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই সভাত তিনিটা বিভাগৰ চলি থকা আঁচনিসমূহৰ অগ্ৰগতি আৰু কাৰ্যক্ষমতা পৰ্যালোচনা কৰা হয়। সভাত পশুপালন বিভাগৰ সঞ্চালকৰ লগতে বঙাইগাঁও জিলাৰ অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিত, সহকাৰী আয়ুক্ত অন্তৃত বৰদলৈ, জ্যেষ্ঠ পৰিকল্পনা বিষয়া প্ৰদীপ দাস, লোকনিৰ্মাণ পথ বিভাগৰ অধীক্ষক অভিযন্তা মুকুট কাকতি, পশুপালন বিভাগৰ জিলা বিষয়া শ্বাহিদুল ইছলাম, মীন উন্নয়ন বিষয়া বাবন কলিতা আদিকৰি জিলা পৰ্যায়ৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰী কৃষ্ণেন্দু পালে লোকনিৰ্মাণ পথ বিভাগৰ অধীনত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত বঙাইগাঁও জিলাত নিৰ্মাণ কৰা পথসমূহৰ বৰ্তমানৰ স্থিতি আৰু অগ্ৰগতিৰ বিষয়ে বিষয়াৰ পৰা সবিশেষ বুজ লয়। পশুপালন বিভাগৰ অধীনত চলি থকা গুৰুত্বপূৰ্ণ আঁচনিসমূহ, বিশেষকৈ ৰাষ্ট্ৰীয় গোকুল মিছনৰ অধীনত পশুধনৰ কৃত্ৰিম প্ৰজনন সম্পৰ্কীয় কাম-কাজৰ খতিয়ান লয় মন্ত্ৰীগৰাকীয়ে। ইয়াৰ উপৰিও পশুৰ বিভিন্ন ৰোগ নিয়ন্ত্ৰণ আৰু টীকাকৰণ কাৰ্যসূচীৰ পৰ্যালোচনা কৰে। বিভাগীয় মন্ত্ৰীগৰাকীয়ে ভ্ৰাম্যমাণ পশুচিকিৎসা গোটৰ কাম-কাজৰ বিষয়েও বিশদভাৱে বুজ লয়। মীন বিভাগৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ অধীনত চলি থকা আঁচনিসমূহৰ অগ্ৰগতি সন্দৰ্ভত জিলা মীন উন্নয়ন বিষয়াৰ পৰা পৰ্যালোচনা কৰা হয়। মন্ত্ৰী পালে বঙাইগাঁও জিলাত ইতিমধ্যে সম্পূৰ্ণ কৰা চাৰিটা মাছৰ খাদ্য প্ৰস্তুতকৰণ কলৰ কাম-কাজৰ বিষয়ে বুজ লোৱাৰ লগতে গৰাইমাৰীত নিৰ্মাণ কৰি থকা অধিক উৎপাদনমূলক মাছৰ খাদ্য প্ৰস্তুতকৰণ কলৰ নিৰ্মাণকাৰ্য্য শীঘ্ৰে সম্পূৰ্ণ কৰিবলৈ মীন উন্নয়ন বিষয়াক নিৰ্দেশ দিয়ে। মন্ত্ৰীৰ এই পৰ্যালোচনা সভাই জিলাখনৰ উক্ত তিনিওটা বিভাগৰ কাম-কাজত অধিক গতিশীলতা অনাৰ ক্ষেত্ৰত সহায় কৰিব বুলি আশা কৰা হৈছে।

# মাজুলী ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন সমিতিৰ সভা সম্পন্ন

**অসম বাৰ্তা, উজনী মাজুলী, ১৩ ডিচেম্বৰ ঃ** মাজুলীৰ প্ৰণালীবদ্ধ কৰা ভাস্কৰ্যৰ শিক্ষানুষ্ঠান, ২০০০ চনতে স্থাপিত হোৱা ৰূপ বৰণ চিত্ৰকলা বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠান অহা ১০ আৰু ১১ জানুৱাৰী ২০২৬ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বিদ্যালয়খনৰ ৰূপালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ বাবে ইতিপূৰ্বে গঠন কৰা উদযাপন সমিতিৰ এখন সভা আজি বিয়লি ২ বজাৰ পৰা অৱসৰ প্ৰাপ্ত অধ্যক্ষ ড° আনন্দ হাজৰিকাৰ সভাপতিত্বত মাজুলী জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অধ্যক্ষ দীপু বৰাই। সভাত মাজুলী জিলা মহিলা সমিতিৰ সভানেত্ৰী সুভদ্ৰা বৰা, মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদৰ প্ৰাক্তন সভাপতি জগত হাজৰিকা, অসম সেনা আহ্বায়ক তথা উদযাপন সমিতিৰ সম্পাদক দীপক নেওগ, ত্ৰিনয়ন নেওগ আৰু পল্লৱী পূজাৰী য়ে গঠন মূলক পৰামৰ্শ আগবঢ়ায়। সভাত পৰৱৰ্তী পৰ্যায়ৰ কাম কাজ সমূহ আগবঢ়ায় নিয়াৰ বাবে এখন বাজেট আৰু কাৰ্যসূচীৰ খচৰা প্ৰস্তুত কৰা হয়। সভাত বিদ্যালয় খনৰ ৰূপালী জয়ন্তী উৎসৱ উপলক্ষে এখন স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ বাবে ডিম্বেশ্বৰ দত্তক সভাপতি, অমৰজ্যোতিবৰাক সম্পাদক হিচাপে লৈ সাতজনীয়া এখন সম্পাদনা সমিতি গঠন কৰা হয়।

# পুৰণি টংলাস্থিত অলংবাৰ ৰুৰেল ডেভলপমেণ্ট চেণ্টাৰত ডাঃ ৰীণা বৰুৱা গোস্বামীৰ ১১ সংখ্যক মৃত্যু বাৰ্ষিক পালন

## কৃষি সঁজুলি প্ৰদান আৰু সংগীতানুষ্ঠান

**অসম বাৰ্তা, টংলা, ১৩ ডিচেম্বৰ ঃ** ওদালগুৰি জিলাৰ গ্ৰাম্য অৰ্থনীতি বিকাশৰ অগ্ৰণী অনুষ্ঠান পুৰণি টংলা দুলিয়াপাৰাস্থিত অলংবাৰ ৰুৰেল ডেভলপমেণ্ট চেণ্টাৰৰ সৌজন্যত ৰমন ইণ্ডিয়া, নয়দাস্থিত হল্ডিং হপ, ডাঃ ৰীণা বৰুৱা গোস্বামী ফাউণ্ডেচনৰ সহযোগত মানৱ দৰদী চিকিৎসক, বিশিষ্ট শিল্পী, বিশেষভাৱে সক্ষম ব্যক্তি, জনজাতীয় অঞ্চলৰ উন্নতিৰ হকে অহোপুৰুষাৰ্থ কৰা অৰিহণা যোগোৱা ডাঃ ৰীণা বৰুৱা গোস্বামীৰ ১১ সংখ্যক মৃত্যু বাৰ্ষিকী কালি দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰে। অনুষ্ঠানৰ আৰম্ভণীতে বিশিষ্ট শিল্পী দাপোন দ্য মিৰৰৰ সক্ৰিয় সদস্য পৃথ্বীৰাজ ৰাভা আৰু দুলিয়াপৰা গাঁৱৰ বিশেষভাৱে সক্ষম মনিকা বড়োই বন্তি প্ৰজ্বলন কৰে। অনুষ্ঠানত বিশিষ্ট চাহ খেতিয়ক সদৌ বড়'লেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ সম্পাদক তৰুণ চন্দ্ৰ মুছাহাৰী উপস্থিত থাকি সমগ্ৰ বিটিচিৰ গ্ৰাম্য অৰ্থনীতি বিকাশৰ প্ৰসংগত আলোকপাত কৰি নৱ প্ৰজন্মক কৃষিৰ প্ৰতি দায়বদ্ধতাৰ কথা সোঁৱৰাই দিয়ে। ইংলেণ্ডৰ লেষ্টাৰ নিবাসী লেষ্টাৰ মহাবিদ্যায়ৰ অৱসৰী কৃতী অধ্যাপিকা, অসমৰ থলুৱা কৃষ্টি সংস্কৃতিৰ সাধক মন্দিৰা দেৱী চৌধুৰীয়ে সংস্কৃতি, কৃষি, আৰু গ্ৰাম্য অৰ্থনৈতিক উন্নয়নৰ ওত:প্ৰোত সম্বন্ধৰ কথা সজোৰে উল্লেখ কৰে। ইউৰোপীয় দেশসমূহ আৰু ইংলেণ্ড স্কটলেণ্ডৰ সংস্কৃতি আৰু গ্ৰাম্য অৰ্থনীতি ইয়াৰ প্ৰভাৱ আৰু বড়'লেণ্ডত ইয়াৰ যেন প্ৰতিফলন দেখিবলে সহজ হৈছে বুলি উল্লেখ কৰে। অলংবাৰ ৰুৰেল ডেভলেপমেণ্ট চেণ্টাৰৰ কাৰ্যপন্থাৰ লগত সংগতি ৰাখি বিশিষ্ট পশু চিকিৎসক ডা: সুলভ শৰ্মাই জীৱন -জীৱিকা, পশু পালন প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰি নৱ প্ৰজন্মক উৎসাহিত কৰি অনুপ্ৰেৰণামূলক বক্তব্য ৰাখে। অনুষ্ঠানটিৰ 'চংছ ফ্ৰম দা ফিল্ড' শীৰ্ষক শিৰোনামৰ সৈতে সংগতি ৰাখি বিশেষভাৱে সক্ষম শিল্পী পৃথ্বীৰাজ ৰাভা আৰু উদীয়মান যুৱক নয়ন বসুমতাৰীৰ সংগীতানুষ্ঠানে দৰ্শকক আমোদ দিয়ে। উক্ত অনুষ্ঠানতে পচন সাৰ তৈয়াৰ কৰাৰ বাবে বিভিন্ন সা-সঁজুলি টংলাৰ দাপোন দ্য মিৰৰক আগবঢ়ায়। উপস্থিত সকলোকে মূল্যবান গছৰ পুলি বিতৰণ কৰি গোলকীয় উষ্ণতাৰ পৰা হাত সাৰিবৰ বাবে আৰু প্ৰদূষণ মুক্ত পৰিৱেশ গঢ়াৰ বাবে ডাঃ ৰীণা বৰুৱা গোস্বামীৰ আধৰুৱা সপোন আৰু প্ৰচেষ্টাক আগবঢ়াই নিয়বলৈ আহ্বান জনায়। অলংবাৰ ৰুৰেল ডেভলপমেণ্ট চেণ্টাৰৰ প্ৰমুখ অলংবাৰ মুছাহাৰীয়ে আঁত ধৰা অনুষ্ঠানত ডাক্তৰ ৰীণা বৰুৱা গোস্বামী ফাউণ্ডেচনৰ হৈ গুণজিৎ কুমাৰ দেৱ গোস্বামীয়ে সকলোকে শলাগ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। তেখেতে ভৱিষ্যতৰ দিনত পুৰণি টংলা দুলিয়াপাৰা অঞ্চলত গঠনমূলক কামত জড়িত থকাৰ অংগীকাৰ কৰে।

# কামৰূপ জিলাত ১৫ ডিচেম্বৰৰ পৰা কুষ্ঠৰোগ নিৰ্মূলকৰণ অভিযান

**অসম বাৰ্তা, কমলপুৰ, ১৩ ডিচেম্বৰ ঃ** আজি কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতত্বিত সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত জিলা কুষ্ঠৰোগ নিয়ন্ত্ৰণ কোষ আৰু জিলা স্বাস্থ্য সমিতিৰ জিলা পৰ্যায়ৰ সমন্বয় সমিতিৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাষ্ট্ৰীয় কুষ্ঠৰোগ নিৰ্মূল কাৰ্যসূচী (এনএলইপি)ৰ অধীনত কুষ্ঠৰোগ চিনাক্তকৰণ অভিযান (এলচিডিচি) ২০২৫-২৬ ৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰা হয়। বৈঠকত জিলা আয়ুক্ত গৰাকীয়ে কেন্দ্ৰীয় চৰকাৰে নিৰ্ধাৰণ কৰা লক্ষ্যত উপনীত হবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক কুষ্ঠৰোগ নিৰ্মূল কৰাৰ ব্যৱস্থা তীব্ৰ কৰিবলৈ নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত কুষ্ঠ ৰোগৰ প্ৰাৰম্ভিক চিনাক্তকৰণ, সম্প্ৰদায়ৰ অংশগ্ৰহণ আদিৰ বিষয়ে আলোচনা কৰাৰ উপৰিও আন্তঃবিভাগীয় সমন্বয়ৰ প্ৰয়োজনীয়তা আদিৰ ওপৰত আলোচনা কৰা হয়। কামৰূপ জিলাৰ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকালয়ৰ কাৰ্যালয়ৰ উদ্যোগত কুষ্ঠৰোগ নিৰ্মূল কৰাৰ কাৰ্যসূচী তিনিটা পৰ্যায়ত অনুষ্ঠিত কৰা হ'ব। প্ৰথম পৰ্যায়ত ৰামপুৰ, ৰঙিয়া, ছয়গাঁও আদি অঞ্চলসমূহত প্ৰথম অগ্ৰাধিকাৰৰ দিয়া হৈছে। এই অঞ্চলসমূহত অহা ১৫ ডিচেম্বৰৰ পৰা ২৮ ডিচেম্বৰ ২০২৫ লৈ প্ৰথম পৰ্যায়ত সামৰি লোৱা হ'ব। দ্বিতীয় পৰ্যায়ত উত্তৰ গুৱাহাটী, হাজো, আজাৰা আৰু উপৰহালী আদি অঞ্চলসমূহত দ্বিতীয়তে অগ্ৰাধিকাৰৰ দিয়া হৈছে। এই অঞ্চলসমূহত অহা ৫ জানুৱাৰীৰ পৰা ১৮ জানুৱাৰী ২০২৬ লৈ দ্বিতীয় পৰ্যায়ত সামৰি লোৱা হ'ব। ১৬ ফেব্ৰুৱাৰীৰ পৰা ১ মাৰ্চ, ২০২৬ লৈকে তৃতীয় পৰ্যায়ৰ কুষ্ঠৰোগ নিৰ্মূল কৰাৰ অভিযান অনুষ্ঠিত কৰা হ'ব। তৃতীয় পৰ্যায়ৰ কুষ্ঠৰোগ নিৰ্মূল কৰাৰ অভিযান শুৱালকুলছি, নগৰবেৰা, বকো, বিহদিয়া, কমলপুৰ আদি অঞ্চলসমূহত অনুষ্ঠিত হোৱাৰ লগতে এই অভিযানৰ সামৰণি পৰিব। উল্লেখ্য যে এই অভিযানৰ জৰিয়তে সমাজৰ পৰা বিভিন্ন চৰ্মৰোগৰ লগতে বিশেষকৈ কুষ্ঠৰোগৰ চিনাক্তকৰণ, বিনামূলীয়া চিকিৎসা পৰিচৰ্যা আৰু কুষ্ঠ ৰোগৰ পৰা হ'ব পৰা অক্ষমতা দূৰ কৰি সমাজৰ পৰা কুষ্ঠ ৰোগ নিৰ্মূল কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে। এই ৰোগৰ লক্ষণ হৈছে ছালৰ বিভিন্ন বেমাৰ বিশেষকৈ চেতনাহীন দাগ থকা বা গৰম, স্পৰ্শ বা বিষৰ অনুভূতি নোহোৱা, শেঁতা বা ৰঙচুৱা বা তামবৰণীয়া দাগ আদি। কামৰূপৰ জিলা আয়ুক্তই এই অভিযানক সফল কৰি এখন কুষ্ঠৰোগমুক্ত সমাজ গঢ়ি তোলাৰ দিশত কামৰূপ জিলাবাসীৰ সহযোগিতাৰ আহ্বান জনাইছে। বৈঠকত স্বাস্থ্য সেৱাৰ যুটীয়া সঞ্চালক, জ্যেষ্ঠ স্বাস্থ্য বিষয়া আৰু বিভিন্ন বিভাগৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে।

# নলবাৰীৰ বাদেশিলাত ৰাজ্যিক পুৰস্কাৰপ্ৰাপ্ত অৱসৰী কৃতি শিক্ষক হৰিশচন্দ্ৰ গোস্বামীৰ সোঁৱৰণি গ্ৰন্থ উন্মোচন



**অসম বাৰ্তা, বৰক্ষেত্ৰী, ১৩ ডিচেম্বৰ ঃ** পশ্চিম নলবাৰীৰ বাদেশিলা নিবাসী ৰাজ্যিক পুৰস্কাৰ প্ৰাপ্ত অৱসৰী কৃতি শিক্ষক, বিশিষ্ট সমাজকৰ্মী হৰিশ্চন্দ্ৰ গোস্বামীৰ কালি প্ৰথম মৃত্যু বাৰ্ষিকীত "স্মৰণৰ পাতত জ্ঞানৰ সাধক হৰিশ্চন্দ্ৰ গোস্বামী" শীৰ্ষক এখন সোঁৱৰণি গ্ৰন্থ উন্মোচন কৰা হয়। বাদেশিলাস্থিত তেখেতৰ বাসগৃহত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী সভাৰ আৰম্ভণিতে হৰিশ্চন্দ্ৰ গোস্বামীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে তেখেতৰ সহধৰ্মিণী হিৰণ্ময়ী দেৱীয়ে আৰু মাল্যাৰ্পন কৰে পৰিয়াল বৰ্গই। ইয়াৰ পিছতে সোঁৱৰণি গ্ৰন্থ খনৰ সম্পাদক ড° সঞ্জয় শৰ্মাই আতধৰা গ্ৰন্থ উন্মোচনী সভাত ডায়েটৰ অৱসৰী অধ্যক্ষ কুলৰঞ্জন ডেকাই "স্মৰণৰ পাতত জ্ঞানৰ সাধক হৰিশ্চন্দ্ৰ গোস্বামী" শীৰ্ষক সোঁৱৰণি গ্ৰন্থখন উন্মোচন কৰে। উক্ত অনুষ্ঠানত অৱসৰী শিক্ষক যোগেন্দ্ৰ নাথ শৰ্মা, অৱসৰী গাঁও প্ৰধান ৰজনী কান্ত ডেকা, শিক্ষক অশ্বিনী কুমাৰ বৈশ্য, গণেশ চন্দ্ৰ চৌধুৰী, আৰক্ষী বিষয়া মনোজ কুমাৰ শৰ্মা আদি কেইবাজনেও প্ৰয়াত হৰিশ্চন্দ্ৰ গোস্বামীৰ গুণানুকীৰ্তন কৰে। শেষত পুত্ৰ উৎপল গোস্বামীয়ে উপস্থিত সকলোকে শলাগৰ শৰাই আগবঢ়ায়। উল্লেখ্য যে বাদেশিলা প্ৰাথমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সহকাৰী শিক্ষক হিচাপে চাকৰী জীৱন আৰম্ভ কৰি ২০০৭ চনত বৰপেটা জিলাৰ গোমূৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে চাকৰী জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা হৰিশ্চন্দ্ৰ গোস্বামীয়ে বাদেশিলা গোপাল মন্দিৰ নিৰ্মাণ সমিতিৰ সভাপতি, সৰ্থেবাৰী শাখা সাহিত্য সভা, বেঙাপাৰা যজ্ঞ সমিতি, সৰ্থেবাৰীৰ বঞ্চিত চৌধুৰী শংকৰদেৱ শিশু নিকেতন, দামোদৰ সত্ৰ সংঘ, হাৰিঘাটা লক্ষ্মী পূজা, দাহুদী গাঁও উন্নয়ন সমিতিৰ উপৰিও পশ্চিম নলবাৰী আৰু সৰুক্ষেত্ৰীৰ বিভিন্ন অনুষ্ঠানৰ লগত ওতপ্ৰোত ভাবে জড়িত আছিল।

# সমগ্ৰ শিক্ষা মাজুলী জিলাৰ অধীনত কমলাবাৰী মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত সামূহিক উৎসৱ পালন

**অসম বাৰ্তা, উজনি মাজুলী, ১৩ ডিচেম্বৰ ঃ** সমগ্ৰ শিক্ষা মাজুলী জিলাৰ অধীনত কমলাবাৰী মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত কমলা মিৰি জনজাতি মধ্য ইংৰাজী আৰু ৮৬ নং সোণাপৰা প্ৰাথমিক বিদ্যালয়ৰ সহযোগত কমলা মিৰি জনজাতি মধ্য ইংৰাজী বিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে সামূহিক উৎসৱ অনুষ্ঠিত কৰা হয়। সেই অনুসৰি পুৱা বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ, বিশাল সাংস্কৃতিক শোভাযাত্ৰা, সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন, শৈক্ষিক মেলা আদি বৰ্ণাঢ্য কাৰ্যসূচী সম্পন্ন কৰা হয়। সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰে খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নৱৰত্ন কাকতিয়ে। গছ পুলি ৰোপণ কৰে ৮৬ নং সোণাপৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী বীনা বৰাই। বন্তিপ্ৰজ্বলন কৰি খেল-ধেমালি শুভাৰম্ভণি কৰে কমলা মিৰি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক অভিনাথ পামেগামে। সভাত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ দিশত গঠনমূলক আলোকপাত কৰা হয়। ইয়াৰোপৰি ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ লগতে আন্তঃবিদ্যালয় বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। প্ৰতিযোগিতাত অঞ্চলটোৰ দহখনকৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানৰ লগত সংগতি ৰাখি বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। কমলাবাৰী মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক মনোজ্যোতি ৰেগনে আঁত ধৰা সভাত সভাপতিত্ব কৰে মাজুলী আউনী আটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ জগতজ্যোতি সাতোলাই। সভাত ক্ৰমে- মাজুলী জিলা মধ্য ইংৰাজী বিদ্যালয়ৰ সভাপতি যাদৱ বৰা, মাজুলী জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ সম্পাদক বাবুল শইকীয়া, মাজুলী জিলা কবি সন্মিলনীৰ সম্পাদক শ্যামন্ত পায়েং, খণ্ড সমল ব্যক্তি বসন্ত দত্ত, বৰগুৰি মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ডম্বৰুধৰ নাথ, পতিয়া মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ধৰ্মেণ পেগু, ডিচেম্বৰ ভূঞা, বৰ্ণালী বৰা প্ৰমুখ্যে অঞ্চলটোৰ প্ৰায় শতাধিক লোক, শিক্ষক-শিক্ষয়িত্ৰী ও ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

# ধিঙৰ মৈৰাধ্বজত ড্ৰাগছসহ এজন যুৱক আটক




**অসম বাৰ্তা, টুকটুকী, ১৩ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ ধিং থানাৰ অন্তৰ্গত মৈৰাধ্বজ গাঁৱত আৰক্ষীয়ে বৃহৎ পৰিমাণৰ ড্ৰাগছ সহ এজন যুৱকক আটক কৰিবলৈ সক্ষম হৈছে। জানিব পৰা মতে, আহোম গাঁও আৰক্ষী পহৰা চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ৰক্তিম গোহাঁইৰ নেতৃত্বত আৰক্ষীৰ এটি দলে আজি নিশা মৈৰাধ্বজ গাঁৱত অভিযান চলায়। অভিযানকালত আৰক্ষীয়ে মৈৰাধ্বজ গাঁৱৰ বাসিন্দা আব্দুল মোতালিবৰ ঘৰত তালাচী চলাই তেওঁৰ পুত্ৰ জেহিৰুল ইছলামক আটক কৰে। আৰক্ষীয়ে জেহিৰুল ইছলামৰ পৰা মুঠ ৬৯.৪৭ গ্ৰাম ড্ৰাগছ জব্দ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে, জেহিৰুল ইছলামে দীৰ্ঘদিন ধৰি আৰক্ষীৰ চকুত ধূলি দি অঞ্চলটোত ড্ৰাগছৰ অবৈধ বেহা চলাই আহিছিল বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে। বৰ্তমান আৰক্ষীয়ে অধিক তথ্য উদ্ধাৰৰ উদ্দেশ্যে আটক যুৱকজনক জেৰা অব্যাহত ৰাখিছে। ঘটনাটোক লৈ অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি হৈছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন